TITLE CODE-ASSASS01435


# অসমীয়া বৰ্তমান

ASOMIYA BARTAMAN ■ ASSAMESE WEEKLY ■ Volume -1 ■ Issue-2 ■ Total Page-16 ■ 25 AUGUST 2023 ■ Guwahati ■ Rs. 10/- Only

অসমীয়া বৰ্তমান ■ অসমীয়া সাপ্তাহিক ■ প্ৰথম বছৰ ■ সংখ্যা- ২ ■ ২৫ আগষ্ট, ২০২৩, শুকুৰবাৰ ■ গুৱাহাটী ■ মূল্য ঃ দহ টকা



অৱতৰণৰ পাছত চন্দ্ৰপৃষ্ঠৰ প্ৰথম ফটো প্ৰেৰণ কৰিলে 'চন্দ্ৰযান-৩'ৰ লেণ্ডাৰ হৰাইজেণ্টেল ভেলচিটি কেমেৰাই, লেণ্ডাৰ আৰু MOX-ISTRAC বেংগালুৰুৰ মাজত সংযোগ স্থাপনৰ কথা প্ৰকাশ কৰিছে ইছৰ'ই



# ভাৰতৰ চন্দ্ৰ জয় ঃ জোনবাইৰ দেশত চন্দ্ৰযান-৩

নেশ্যনেল ডেস্ক, অসমীয়া বৰ্তমানঃ আজি প্ৰতিজন ভাৰতীয়ৰ বাবে গৌৰৱৰ দিন। ভাৰতৰ বহু প্ৰত্যাশিত চন্দ্ৰ অভিযান 'চন্দ্ৰযান-৩' চন্দ্ৰৰ দক্ষিণ মেৰুত সফলতাৰে 'মসৃণ অৱতৰণ' কৰিছে। এই অভূতপূৰ্ব আৰু অতুলনীয় কৃতিত্বৰে ভাৰতে ইতিহাস সৃষ্টি কৰিছে। পৃথিৱীৰ উপগ্ৰহ চন্দ্ৰপৃষ্ঠৰ এই অংশত অৱতৰণ কৰা ভাৰত বিশ্বৰ প্ৰথমখন দেশ হিচাপে পৰিগণিত হৈছে কাৰণ এতিয়ালৈকে চন্দ্ৰলৈ যোৱা সকলো অভিযান চন্দ্ৰ বিষুৱৰেখাৰ উত্তৰ অংশত অৱতৰণ কৰিছে। কেৱল বিজ্ঞানীসকলৰ মাজতে নহয়, দেশৰ সাধাৰণ জনতাৰ মাজতো বিপুল উৎসাহ দেখা গৈছে, আৰু 'মসৃণ অৱতৰণ'ৰ প্ৰতি সচেতন প্ৰতিজন ভাৰতীয়ৰ মুখ আনন্দত জিলিকি উঠিছে। চন্দ্ৰযান-৩ৰ সফল কোমল অৱতৰণৰ লগে লগে ভাৰত মহাকাশ শক্তি হিচাপে আত্মপ্ৰকাশ কৰাৰ বিপৰীতে ইছৰোৰ উচ্চতা বিশ্বৰ অন্যান্য মহাকাশ সংস্থাতকৈও অধিক ওপৰলৈ গৈছে। দেশবাসীয়ে ইছৰোৰ বিজ্ঞানীসকলৰ শলাগ লৈছে। ছ'চিয়েল মিডিয়াত অভিনন্দন বাৰ্তাৰ সোঁত। সমগ্ৰ দেশতে উদযাপনৰ পৰিৱেশ। পৰিকল্পনা অনুসৰি কিছু সময়ৰ পিছত লেণ্ডাৰ বিক্ৰমৰ পৰা ৰভাৰ প্ৰজ্ঞান ব্যৱহাৰ কৰি চন্দ্ৰ পৃষ্ঠত অৱতৰণ কৰিব। ৰভাৰখনত চকা আৰু নেভিগেচন কেমেৰা আছে। ই চন্দ্ৰৰ পৰিৱেশৰ ইন-চিটু বিশ্লেষণ কৰি লেণ্ডাৰ বিক্ৰমৰ সৈতে তথ্য আদান প্ৰদান কৰিব। মাটিত থকা বিজ্ঞানীসকলৰ সৈতে পোনপটীয়াকৈ যোগাযোগ কৰিব লেণ্ডাৰ বিক্ৰমে। এইদৰে চন্দ্ৰৰ বিষয়ে অমূল্য তথ্য পৃথিৱীত আমাৰ ওচৰলৈ আহিব। অন্ধ্ৰ প্ৰদেশৰ শ্ৰীহৰিকোটাৰ পৰা এল ভি এম-৩এম-৪ বাহনৰ দ্বাৰা চন্দ্ৰযান-৩ক সফলতাৰে কক্ষপথত স্থাপন কৰা হয়। আনপিনে ইছৰোৰ আনপিনে চন্দ্ৰযান-৩ ৰ সফলতাৰ পিছত প্ৰধানমন্ত্ৰী মোদীয়ে কয়, "যেতিয়া আমি আমাৰ চকুৰ সন্মুখত ইতিহাস ৰচনা হোৱা দেখিবলৈ পাওঁ তেতিয়া জীৱন ধন্য হৈ পৰে। ভাৰতে চন্দ্ৰৰ দক্ষিণ মেৰুত উপনীত হৈছে, য'ত আজিলৈকে পৃথিৱীৰ (ত্ৰয়োদশ পৃষ্ঠালৈ)

# মধ্যযুগত মণিপুৰ

## কুকিৰ বিৰুদ্ধে ইতিহাস বিকৃত কৰাৰ অভিযোগ নগাৰ



ইম্ফল ঃ যোৱা ২১ আগষ্টত ২০ টা নগা জনজাতিৰ এটা শীৰ্ষ সংস্থাই মণিপুৰৰ ইতিহাস বিকৃত কৰাৰ অভিযোগত কুকি-জো সম্প্ৰদায়ক তীব্ৰ সমালোচনা কৰি খিলঞ্জীয়াক লৈ বিতৰ্কৰ সৃষ্টি কৰিছে। ইউনাইটেড নগা কাউন্সিলে কয় যে কুকি-জো লোকসকলৰ মণিপুৰত একেবাৰেই মাটি নাই আৰু তেওঁলোকৰ সম্প্ৰদায়ৰ নাম প্ৰথম শুনা গৈছিল যেতিয়া ১৮৩০ চনৰ পৰা ১৮৪০ চনৰ ভিতৰত ব্ৰিটিছে নগা পাহাৰত তেওঁলোকক সংস্থাপন কৰিছিল। ব্ৰিটিছৰ আগমনে মণিপুৰত বহু অবাঞ্চিত পৰিৱৰ্তন আনিছিল আৰু ঔপনিৱেশিক শাসনৰ পৰা “আমি উত্তৰাধিকাৰী সূত্ৰে পোৱা এটা সমস্যা” হৈছে “কুকি জনগোষ্ঠীৰ ৰোপণৰ বিষয়” বুলি ইউএনচিয়ে কয়।

যোৱা ২১ আগষ্টত ২০ টা নগা জনজাতিৰ এটা শীৰ্ষ সংস্থাই মণিপুৰৰ ইতিহাস বিকৃত কৰাৰ অভিযোগত কুকি-জো সম্প্ৰদায়ক তীব্ৰ সমালোচনা কৰি খিলঞ্জীয়াক লৈ বিতৰ্কৰ সৃষ্টি কৰিছিল।

ইউনাইটেড নগা কাউন্সিলে (ইউএনচি) কয় যে কুকি-জো লোকসকলৰ মণিপুৰত একেবাৰেই মাটি নাই আৰু তেওঁলোকৰ সম্প্ৰদায়ৰ নাম প্ৰথম শুনা গৈছিল যেতিয়া ১৮৩০ চনৰ পৰা ১৮৪০ চনৰ ভিতৰত ব্ৰিটিছে নগা পাহাৰত তেওঁলোকক “ৰোপণ” কৰিছিল।

ব্ৰিটিছৰ আগমনে মণিপুৰত বহু অবাঞ্চিত পৰিৱৰ্তন আনিছিল আৰু ঔপনিৱেশিক শাসনৰ পৰা “আমি উত্তৰাধিকাৰী সূত্ৰে পোৱা এটা সমস্যা” হৈছে “কুকি জনগোষ্ঠীৰ ৰোপণৰ বিষয়” বুলি ইউএনচিয়ে কয়।

নগা সংস্থাটোৱে কয় যে ব্ৰিটিছে কুকিসকলক “ভাড়াতীয়া জনজাতি” হিচাপে উপযোগী বুলি বিবেচনা কৰিছিল আৰু তেওঁলোকৰ “কোনো ভূমি আৰু ভূ-প্ৰকৃতিৰ প্ৰতি সম্পূৰ্ণ মোহৰ অভাৱ” ব্যৱহাৰ কৰি মণিপুৰৰ খিলঞ্জীয়া জনগোষ্ঠীসমূহক চেপি ধৰিছিল।

৩ মে’ৰ পৰা কুকিসকলৰ সৈতে জাতিগত সংঘৰ্ষত জড়িত সংখ্যাগৰিষ্ঠ মেইটেই আৰু নগাসকলে নিজকে খিলঞ্জীয়া আৰু কুকি-জো গোটৰ অন্তৰ্গত সম্প্ৰদায়সমূহক ম্যানমাৰৰ পৰা বহুলাংশে “অবৈধ অনুপ্ৰৱেশকাৰী” বুলি গণ্য কৰে।

“ইউএনচিয়ে এই অভিলেখটো পোন কৰি দিব বিচাৰিছে যে শেহতীয়াকৈ ১৯১৭-১৯১৯ চনৰ কুকি বিদ্ৰোহৰ ইতিহাসক এংলো-কুকি যুদ্ধ হিচাপে বিকৃত কৰি নগা পূৰ্বপুৰুষৰ গৃহভূমিৰ ভিতৰত নিজৰ কল্পিত কুকি গৃহভূমিক বৈধতা প্ৰদানৰ বাবে কুকিসকলে কৰা স্পষ্ট প্ৰচেষ্টাটো অন্যতম ক্লাছিক তেওঁলোকৰ অভ্যাসগত মিছাৰ উদাহৰণ।’ জেমছ হাউৱে জাৰি কৰা এক বিবৃতিত এইদৰে কয় ইউএনচিয়ে।

ইয়াত কোৱা হৈছে যে কুকি বিদ্ৰোহটো বৰ্তমানৰ মণিপুৰৰ উখৰুল, চাণ্ডেল আৰু তামেংলং জিলাত খিলঞ্জীয়া নগাৰ মহিলা আৰু শিশুক হত্যা, ঘৰ জ্বলোৱা, লুণ্ঠন, আৰু দাসত্বৰ “বন্য” কাণ্ড।

‘এনেদৰে ভাৰতৰ ইতিহাসত এংলো-কুকি যুদ্ধৰ কোনো অভিলেখ নথকাৰ বাবে ই কেতিয়াও যুদ্ধ নাছিল বৰঞ্চ ঔপনিৱেশিক শক্তিৰ সৈতে কেৱল বিদ্ৰোহহে আছিল।

ইয়াৰ উপৰিও কোৱা হৈছে যে কুকি-জো সম্প্ৰদায়ে জাৰি কৰা প্ৰতিটো বিবৃতি আৰু স্মাৰকপত্ৰত সন্নিৱিষ্ট “উপকাঠিত মিছা, অস্পষ্ট ইতিহাস আৰু ৰচনা কৰা তথ্য” নগাসকলক আচৰিত কৰি তুলিছে, যিটো নগা ইতিহাসক বিকৃত কৰি নগাক অপমান কৰাৰ সমান।

সেনাপতি আৰু চাণ্ডেল জিলাৰ পৰা খোদিত দুখন নতুন জিলা (কাংপকপি আৰু টেংগন’পাল) অন্তৰ্ভুক্ত কৰি পৃথক প্ৰশাসনৰ বাবে কুকি-জো সম্প্ৰদায়ৰ দাবীৰ বিৰোধিতা কৰে ইউএনচিয়ে। ইয়াত কোৱা হৈছে যে তদানীন্তন কংগ্ৰেছ চৰকাৰে নিজৰ তুষ্টিকৰণ নীতিৰ অংশ হিচাপে এই জিলা দুখন সৃষ্টি কৰিছিল। ‘কেন্দ্ৰীয় চৰকাৰ, ইজৰাইলৰ প্ৰধানমন্ত্ৰী, ইউৰোপীয় সংসদ, ইউএনঅ’ আদিৰ ওচৰত কুকি-জো জনসাধাৰণৰ প্ৰতিনিধিত্ব মিছা ভুখণ্ডৰ ভেটি আৰু সেই কৰ্তৃপক্ষক বোকা খোৱাৰ প্ৰয়াস কাৰণ মণিপুৰৰ প্ৰেক্ষাপটত কুকি নামটো প্ৰথমবাৰৰ বাবে কোনোবা সময়ত শুনা গৈছিল ১৮৩০-১৮৪০ চনৰ ভিতৰত আৰু সেয়েহে ইজৰাইলৰ প্ৰধানমন্ত্ৰীলৈ উল্লেখ কৰা স্মাৰকপত্ৰৰ চতুৰ্থ পেৰাত উল্লেখ কৰা ‘কুকি পাহাৰ’সমূহ অস্তিত্বহীন আৰু ইউটোপিয়ান ৰচনা,” ইউএনচিয়ে কয়।

ইয়াত কোৱা হৈছে যে কুকি-জো অঞ্চলত মুখ্য সচিব আৰু আৰক্ষী সঞ্চালক প্ৰধান পদ সৃষ্টিৰ দাবীত ১০ জন কুকি বিধায়কে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীক দাখিল কৰা স্মাৰক পত্ৰখন “বিভিন্ন সুৰত” পৃথক প্ৰশাসনৰ দাবীৰ বাহিৰে আন একো নহয়।

ইউএনচিয়ে দাবী কৰে যে মণিপুৰ এতিয়া ম্যানমাৰ আৰু বাংলাদেশৰ পৰা অহা অবৈধ অনুপ্ৰৱেশকাৰীয়ে বুৰাই পেলাইছে আৰু গাঁওসমূহ সম্প্ৰসাৰিত হৈছে আৰু দ্ৰুত গতিত নতুন গাঁও নিৰ্মাণ কৰা হৈছে।

“ম্যানমাৰৰ পৰা অনুপ্ৰৱেশ কৰা কুকিসকলৰ বসতি স্থাপনৰ সুবিধাৰ বাবে মৰেহ চহৰ আৰু ইয়াৰ আশে-পাশে থকা অঞ্চলৰ ওচৰত ভয়ংকৰ হাৰত অবৈধ শিবিৰৰ স্তম্ভ নিৰ্মাণ কৰা হৈছে। ভাৰত চৰকাৰ আৰু মণিপুৰ চৰকাৰে যদি অবৈধ অনুপ্ৰৱেশকাৰীৰ সোঁত বন্ধ নকৰে তেন্তে খিলঞ্জীয়া জনসংখ্যা সংখ্যালঘুলৈ হ্ৰাস পোৱা দিনটো বেছি দিন নাথাকিব।’

## মেঘালয় চৰকাৰৰ সংৰক্ষণ নীতিৰ বিশেষজ্ঞ পেনেল ঘোষণা

শ্বিলং ঃ মুখ্য সচিব ড’নাল্ড পি ৱাহলাঙৰ নেতৃত্বত গঠিত অনুসন্ধান পেনেলে মেঘালয় ৰাজ্যিক সংৰক্ষণ নীতি, ১৯৭২ পৰ্যালোচনাৰ বাবে বিশেষজ্ঞ সমিতিৰ অধ্যক্ষ আৰু সদস্যসকলৰ নামৰ তালিকা প্ৰকাশ কৰিছে। এজন বিষয়াই কয়, তালিকাভুক্ত কৰা নামসমূহ কেবিনেটৰ সন্মুখত ৰখা হ’ব, যিয়ে বিশেষজ্ঞ সমিতি গঠনৰ বাবে নাম চূড়ান্ত বা অনুমোদন দিব। তিনিজনীয়া কমিটীৰ নেতৃত্বত থাকিব মেঘালয়ৰ মুখ্য সচিব ডি পি ৱাহলাঙে। মেঘালয় চৰকাৰেও এই সমিতিখন পাঁচজনীয়া সমিতি হ’ব লাগে আৰু বিভিন্ন ক্ষেত্ৰৰ বিশেষজ্ঞ থাকিব লাগে বুলি পৰামৰ্শ দিছে। এই পেনেলত ৰাজ্যৰ লগতে বাহিৰৰ পৰাও সদস্য থাকিব। চৰকাৰৰ মতে, এই পেনেলত সাংবিধানিক আইন, অৰ্থনীতি, সমাজবিজ্ঞান, জনগাঁথনি অধ্যয়ন আৰু আনুষংগিক ক্ষেত্ৰৰ বিশেষজ্ঞসকল থাকিব।



## বৰ্ণিবাৰী প্ৰাথমিক বিদ্যালয়ৰ সন্মুখত কৃত্ৰিম বান

# আদৰ্শ গাঁৱৰ ৰাজপথত একাঁঠু পানী



**সুৰজিৎ পাঠক,মুকালমুৱা ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ অন্তৰ্গত বৰ্ণিবাৰী আদৰ্শ গাঁৱৰ ৰাজপথৰ কদৰ্যময় ৰূপে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু পথচাৰীক দুৰ্ভোগ ভোগাইছে। বিগত চাৰিমাহে আদৰ্শ গাঁওখনৰ মূলপথৰ ওপৰত একাঁঠু পৰ্যন্ত বোকা-পানীৰে ভৰি থকাত যাতায়ত সেৱাত দুৰ্ভোগ ভুগিছে অঞ্চলটোৰ ৰাইজে। বৰক্ষেত্ৰী উন্নয়ন খণ্ডৰ অন্তৰ্গত ৫৫ নং বৰ্ণিবাৰী-নম্পিপাৰা গাঁও পঞ্চায়তৰ বৰ্ণিবাৰী গাঁৱক চৰকাৰে আদৰ্শ গাঁও হিচাপে স্বীকৃতি প্ৰদান কৰিছে যদিও গাঁওখনৰ মূল ঘাইপথৰ পয়ালগা অৱস্থাই বাৰুকৈ জুলাকলা খুৱাইছে পথচাৰীক। আদৰ্শ গাঁওখনৰ ভিতৰত প্ৰৱেশ কৰা মূল পথটিৰ ওপৰত অৰ্থাৎ ১৬৩ নং বৰ্ণিবাৰী প্ৰাথমিক বিদ্যালয়ৰ সন্মুখত সৃষ্টি হোৱা বোকা-পানীয়ে নৰক যন্ত্ৰণা সোধাইছে পথচাৰীসহ বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীক। বৰষুণ আহিলেই কৃত্ৰিম বানৰ উদ্ভৱ হোৱা ঘাইপথটোৰ ওপৰৰ পৰা পানী নিস্কাষণৰ ব্যৱস্থা নোহোৱাহেঁতুকে ৰাইজে দুৰ্ভোগ ভুগি আহিছে। ১৬৩ নং বৰ্ণিবাৰী প্ৰাথমিক বিদ্যালয়ৰ সন্মুখ ভাগৰ কদৰ্যময় ৰূপৰ ফলত বিদ্যালয়ৰ ২০ মিটাৰ দূৰৈত থকা আদৰ্শ গাঁৱৰ বৃহৎ তোৰণখনেও আজি যেন লাঞ্চিত অনুভৱ কৰিছে। বৰ্ণিবাৰী চ'ক বজাৰৰ মূল পথৰ ওপৰত সৃষ্টি হোৱা বাকা-পানীয়ে আদৰ্শ গাঁওখনৰ অন্যতম সমস্যা হিচাপে চিহ্নিত হোৱাৰ পিছতো ৫৫ নং গাঁও পঞ্চায়ত কৰ্তৃপক্ষই পথৰ ওপৰৰ পানী নিস্কাষণৰ ব্যৱস্থা গ্ৰহণ কৰা নাই। স্থানীয় ব্যৱসায়ী আৰু অঞ্চলটোৰ ৰাইজে পঞ্চায়ত প্ৰতিনিধি কিম্বা পঞ্চায়তৰ সচিবগৰাকীক পানী নিস্কাষণৰ বিষয়ে বাৰম্বাৰ অনুৰোধ জনায় অহাৰ পিছতো ৰাইজৰ সমস্যাক লৈ পিঠি দিয়াৰ অভিযোগ উঠিছে। আদৰ্শ গাঁওখনত প্ৰৱেশ কৰা মূল পথটিৰ ওপৰত একাঁঠু বোকাপানীৰে উপচি থকাত স্থানীয় ব্যৱসায়ী সকলেও ব্যৱসায়ত যথেষ্ট লোকচানৰ সন্মুখীন হৈ আহিছে। আজি স্থানীয় ব্যৱসায়ীসকলে কিছু সকাহ পোৱাৰ উদ্দেশ্যৰে পথচোৱালৈ ওলাই আহি পানী নিস্কাষণৰ বাবে নলা খান্দি পথৰ পানী ওলাই যোৱাৰ ব্যৱস্থা কৰে। উল্লেখযোগ্য যে অঞ্চলটোত এজাক বৰষুণ আহিলেই মূল পথচোৱাৰ ওপৰত জমা হোৱা পানীৰ ফলত বিশ !পচিশ দিন ধৰি অঞ্চলটোৰ ৰাইজে দুৰ্ভোগ ভুগিবলগীয়া হয়। অঞ্চলটোৰ ৰাইজৰ দীৰ্ঘদিনীয়া এই সমস্যা সন্দৰ্ভত নলবাৰী জিলা আয়ুক্ত বৰ্ণালী ডেকাক ব্যৱস্থা কৰিবলৈ আহ্বান জনায়

# ৰাজ্যত ক্ষুদ্ৰ চাহ খেতিয়কৰ সংকট

**শৈলেন গগৈ ,তিনিচুকীয়া ঃ** মূল্যবৃদ্ধিৰ ফলত উৎপাদন ব্যয়তকৈ কম মূল্যত ক্ষুদ্ৰ চাহ খেতিয়কসকলে কেঁচাপাত বিক্ৰী কৰিব লগা হোৱাত খেতিয়কসকল হতাশ হৈ পৰিছে। সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ তিনিচুকীয়া জিলাৰ সাধাৰণ সম্পাদক অজিত গগৈয়ে ক্ষোভেৰে কয় যে ক্ষুদ্ৰ চাহ খেতিয়কসকল এক গোট নোহোৱা বাবেই উচিত মূল্যৰ পৰা বঞ্চিত হৈ অহা বুলি উল্লেখ কৰে। মুলত চুবুৰীয়া ৰাজ্যৰ অৰুণাচলত উৎপাদিত কেঁচা চাহপাতৰ মান নিম্নগামী হোৱা বাবেই তিনিচুকীয়া জিলাৰ ক্ষুদ্ৰ চাহ খেতিয়ক সকলে উচিত মূল্যৰ পৰা বঞ্চিত হোৱাৰ অভিযোগ উৎথাপন কৰে সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাই। সন্থাই অৰুণাচলৰ চাহৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিব বাবে অসম চৰকাৰক দাবী জনাইছে। অন্যথা সন্থাই ৰাজপথত আন্দোলন কৰা লগতে নিৰ্বাচনত ইয়াৰ প্ৰত্যোত্তৰ দিবলৈ সাজু বুলি বক্তব্যত জিলা সম্পাদক গগৈয়ে সদৰি কৰে। স্মৰ্তব্য যে তিনিচুকীয়া জিলাখনৰ নিবনুৱা সমস্যা দূৰ কৰা, কৰ্মহীন শ্ৰমিকক ভাত-কাপোৰৰ যোগান ধৰি জিলাখনৰ আৰ্থ-সামাজিক বুনিয়াদ শক্তিশালী কৰা ক্ষুদ্ৰ চাহ শিল্পক বণিক গোষ্ঠীৰ হাতোৰাৰ পৰা উদ্ধাৰ কৰিবলৈ জিলাখনৰ অৰ্ধ লক্ষাধিক ক্ষুদ্ৰ চাহ খেতিয়কে জিলা প্ৰশাসন আৰু ৰাজ্য চৰকাৰৰ পৰা এক আশাব্যঞ্জক সঁহাৰিৰ বাবে বাট চাই ৰৈছে।



# সহায়ৰ হাত আগবঢ়াইছে ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আৰু অপৰাধ নিয়ন্ত্ৰণ ব্যুৰ'ৱে

**তিনিচুকীয়াঃ** অসমৰ কাৰাগাৰসমূহত এনে বহুলোক আছে যিসকলে গোচৰৰ বিপৰীতে জামিন লাভ কৰাৰ পাছতে। আইনৰ কিছুমান নিয়ম সম্পূৰ্ণ কৰিব নোৱাৰাৰ পৰিপ্ৰেক্ষিতত কাৰাগৰতে দিন অতিবাহিত কৰিব লগা হয়। জামিন লাভৰ অন্ততো কাৰাবন্দী হৈ থকা এনে লোক কি কাৰণত চাৰিবেৰৰ মাজত আবদ্ধ হৈ থাকিব লগা হৈছে সেই বিষয়ে বিতং তথ্য সংগ্ৰহ কৰি তেনে লোকৰ প্ৰতি সহায়ৰ হাত আগবঢ়োৱাৰ ব্যৱস্থা গ্ৰহণ কৰিছে ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আৰু অপৰাধ নিয়ন্ত্ৰণ ব্যুৰ', অসম নামৰ সংস্থাটোৱো সংস্থাৰ অধ্যক্ষৰ গৃহ জিলাৰ পৰাই আৰম্ভ কৰা হৈছে ন্যায় লাভত সহায় কৰাৰ এই পদক্ষেপ। তিনিচুকীয়াৰ জিলা আইন সেৱা প্ৰাধিকৰণৰ সহযোগত আদালতৰ পৰা জামিনৰ নিৰ্দেশ পোৱাৰ পাছতে। মুক্তি নিশ্চিত কৰাত অসুবিধাৰ সন্মুখীন হোৱা কয়দীসকলক সাহায্য প্ৰদান কৰি ইতিমধ্যে বহুকেইজন জামিন লাভ কৰা লোকক নিজৰ ঘৰলৈ যোৱাৰ পথ সুগম কৰিছে সংস্থাটোৱো সংস্থাৰ এই উদাৰ পদক্ষেপ ন্যায় নিশ্চিত কৰাৰ দিশত আৰু ভাৰতৰ ৰাষ্ট্ৰপতিৰ সপোন পূৰণৰ দিশত এক প্ৰচেষ্টা বুলি উল্লেখ কৰিছে ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আৰু অপৰাধ নিয়ন্ত্ৰণ ব্যুৰ'ৰ ৰাজ্যিক অধ্যক্ষ নিশান্ত থৰ্ডো সংস্থাৰ ৰাজ্যিক সংবাদ বিষয়া মৃণ্ময় কুমাৰ নাথে কাকতলৈ প্ৰেৰণ কৰা এক বিবৃতিত প্ৰকাশ যে ভাৰতীয় ন্যায়পালিক। ব্যৱস্থাই 'দোষী প্ৰমাণ নোহোৱালৈকে নিৰ্দোষী'ৰ মৌলিক নীতি অনুসৰণ কৰে। অপৰাধৰ অভিযোগত অভিযুক্ত ব্যক্তিসকলক বিচাৰ চলি থকাৰ সময়ত কাৰাবাসৰ পৰা মুক্তি নিশ্চিত কৰিবলৈ জামিনৰ ব্যৱস্থা প্ৰদান কৰা হয়। কিন্তু জামিন লাভ কৰিবৰ বাবে ধনৰ অভাৱ বা ভূমিৰ নথিপত্ৰৰ প্ৰয়োজনীয়তা পূৰ্ণ কৰাত বাধাৰ বাবে তেনে লোকেও কাৰাগাৰতে দিন পাৰ (ত্ৰয়োদশ পৃষ্ঠালৈ)

## সমাজকৰ্মী পৰেশ চন্দ্ৰ দাসৰ স্মাৰক গ্ৰন্থ 'স্থিতপ্ৰজ্ঞ' উন্মোচন

# স্মাৰক গ্ৰন্থই একো একোটি যুগৰ বুৰঞ্জী সংৰক্ষণ কৰি ৰাখেঃ শংকৰ শইকীয়া



**অসমীয়া বৰ্তমান, গুৱালকুছি, ২৩ চেপ্তেম্বৰ ঃ** " সমাজৰ প্ৰতি সেৱা আগবঢ়োৱা ব্যক্তিসকলৰ স্মাৰক গ্ৰন্থই উক্ত ব্যক্তিগৰাকী জীৱনৰ লগতে সমাজৰ একো একোটি যুগৰ বুৰঞ্জীও সংৰক্ষণ কৰি ৰাখে। স্মাৰক গ্ৰন্থ 'স্থিতপ্ৰজ্ঞ' এই দিশত সফল হৈছে আৰু স্মাৰক গ্ৰন্থ প্ৰকাশৰ নতুন ধাৰা এটিৰও সৃষ্টি কৰিছে। 'কামৰূপ জিলাৰ বংশৰ গাঁৱৰ সমাজকৰ্মী পৰেশ চন্দ্ৰ দাসৰ প্ৰথম মৃত্যু বাৰ্ষিকী উপলক্ষে আজি অনুষ্ঠিত হোৱা স্মৃতি চাৰণ সভা আৰু গ্ৰন্থ উন্মোচনী সভাত উন্মোচক হিচাপে উপস্থিত থাকি এনেদৰে মন্তব্য কৰে বিশিষ্ট কবি-সাহিত্যিক, সমালোচক শংকৰ শইকীয়াই। বংশৰ বেলতলৰ শ্ৰীগোপাল আৰ্থ সামাজিক উন্নয়ন ছোৱাইটিৰ প্ৰাংগনত উত্তৰ কামৰূপ জিলা অনুসূচিত জাতি পৰিষদ সভাপতি গোলোক চন্দ্ৰ দাসৰ সঞ্চালনাত অনুষ্ঠিত হোৱা স্মৃতিচাৰণ সভা আৰু স্মাৰক গ্ৰন্থ 'স্থিতপ্ৰজ্ঞ' উন্মোচনী সভাত নিমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে অসমীয়া প্ৰতিদিনৰ জ্যেষ্ঠ সাংবাদিক কনক বৈশ্য। বৈশ্যই প্ৰয়াত দাসৰ কৰ্মৰাজী ৰোমন্থন কৰি তেখেত এগৰাকী 'গৰীবৰবন্ধু' আছিল বুলি মন্তব্য কৰে। বংশৰ অঞ্চলৰ সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক, ক্ৰীড়া আদি প্ৰায় সকলো দিশতে খোজ ৰাখি যোৱা পৰেশ চন্দ্ৰ দাস সম্পৰ্কে ভৃঙ্গেশ্বৰ উচ্চমাধ্যমিক বিদ্যালয়, বংশৰৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক ভগৱান বৈশ্য, শিক্ষক নিত্যানন্দ নাথ, শিক্ষক ইন্দ্ৰ কান্ত বৈশ্য, মনাহকুছিৰ বিশিষ্ট নাগৰিক ধনেশ্বৰ দাস, বংশৰ অঞ্চলৰ বিশিষ্ট নাগৰিক দেৱেন্দ্ৰ নাথ কাকতি আদি বিভিন্ন জনে বক্তব্য আগবঢ়াই। প্ৰায় ৭০ গৰাকী নবীন-প্ৰবীন লেখকৰ লিখনিৰে সমৃদ্ধ হোৱা 'স্থিতপ্ৰজ্ঞ'ত সমাজকৰ্মীগৰাকীৰ জীৱন বিশ্লেষণৰ লগতে বৃহত্তৰ বংশৰ অঞ্চলৰ চাৰিদিশকৰ আধুনীক বুৰঞ্জী সংগৃহীত হৈছে। সাজকৰ্মী পৰেশ চন্দ্ৰ দাস স্মৃতি ৰক্ষা সমিতিৰ হৈ ডাঃ শংকৰ জ্যোতি দাসে প্ৰকাশ আৰু হৰ্ষবৰ্দ্ধন কাশ্যপে সম্পাদনা কৰা 'স্থিতপ্ৰজ্ঞ' উন্মোচনী সভাৰ সঞ্চালক গোলোক চন্দ্ৰ দাসে সঞ্চালকৰ মন্তব্যত গ্ৰন্থখনৰ প্ৰকাশে সমাজকৰ্মী গৰাকীক পুনৰ জীৱন দান কৰাৰ লগতে গ্ৰন্থখনৰ নতুন ধাৰাই সাহিত্যৰ পথাৰলৈ নতুন বাৰ্তা কঢ়িয়াই অনা বুলি উল্লেখ কৰে। প্ৰায় দুই শতাধিক নাগৰিক উপস্থিত থকা সভাখনৰ আঁতধৰে সম্পাদক হৰ্ষবৰ্দ্ধন কাশ্যপে।

# সম্পাদকীয়

অসমীয়া বৰ্তমান, ২৫ আগষ্ট, ২০২৩

## ছেমি ফাইনেল

লোকসভা নিৰ্বাচনৰ পূৰ্বে অনুষ্ঠিত হ'বলগীয়া বিধানসভা নিৰ্বাচন সন্দৰ্ভত সকলো দলে নিৰ্বাচনী ডংকা বজাইছে। আনকি বিজেপিয়ে মধ্যপ্ৰদেশ আৰু ছত্তীশগড়ৰ ৬০জন প্ৰাৰ্থীৰ প্ৰথমখন তালিকাও প্ৰকাশ কৰিছে। এই বিধানসভা নিৰ্বাচনক লোকসভা নিৰ্বাচনৰ ছেমি ফাইনেল হিচাপে বিবেচনা কৰা হৈছে। লোকসভা নিৰ্বাচনৰ পূৰ্বে অনুষ্ঠিত হ'বলগীয়া বিধানসভা নিৰ্বাচন সন্দৰ্ভত সকলো দলে নিৰ্বাচনী বাগল বজাইছে। আনকি বিজেপিয়ে মধ্যপ্ৰদেশ আৰু ছত্তীশগড়ৰ ৬০জন প্ৰাৰ্থীৰ প্ৰথমখন তালিকাও প্ৰকাশ কৰিছে। এই বিধানসভা নিৰ্বাচনক লোকসভা নিৰ্বাচনৰ ছেমি ফাইনেল বুলি বিবেচনা কৰা হৈছে। অৱশ্যে নিৰ্বাচনৰ বহু আগতেই প্ৰাৰ্থীৰ নাম ঘোষণা কৰাৰ বহু সুবিধা আছে। এফালে এই প্ৰাৰ্থীসকলে নিজৰ ক্ষেত্ৰখনত কাম কৰিবলৈ সময় পায়, আনফালে দলীয় নেতৃত্বইও সময়মতে পৰিস্থিতিৰ সৈতে মোকাবিলা কৰাৰ সুযোগ পায়, বা সম্ভাব্য লোকচানৰ পৰা হাত সাৰিব পাৰে, যদিহে অসন্তুষ্টি বা বিৰুদ্ধে বিদ্ৰোহৰ দৰে পৰিস্থিতিৰ সৃষ্টি হয় অফিচিয়েল প্ৰাৰ্থী। হ্ৰাস কৰিব পাৰে কিন্তু ইয়াৰ ফ্লিপ চাইডটো হ'ল যে সিদ্ধান্তটোত অসন্তুষ্ট উপাদানবোৰেও নিজৰ প্ৰতিশোধমূলক পদক্ষেপৰ সিদ্ধান্ত ল'বলৈ সময় পায়। বিৰোধী দলসমূহেও প্ৰতিদ্বন্দ্বী দলৰ প্ৰাৰ্থীক চাই আৰু বিশেষ অঞ্চলটোত সৃষ্টি হোৱা জাতি আৰু অন্যান্য সমীকৰণৰ কথা মনত ৰাখি নিজৰ প্ৰাৰ্থী নিৰ্ণয় কৰাৰ এই সুযোগ পায়। সম্ভৱতঃ এইবোৰ কাৰণতে বিজেপিয়ে প্ৰথম তালিকাত সেই আসনবোৰহে ৰাখিছিল য'ত তেওঁলোকৰ স্থিতি দুৰ্বল বুলি গণ্য কৰা হয়। এই সকলোবোৰ আসন এনেকুৱাই য'ত যোৱা বিধানসভা নিৰ্বাচনত দলটো পৰাজিত হৈছিল। যিমানদূৰ ৰাজস্থানৰ কথা, দুয়োখন গুৰুত্বপূৰ্ণ সমিতি গঠন হোৱাৰ কিছু সময়ৰ পাছতেই এইবোৰত প্ৰাক্তন মুখ্যমন্ত্ৰী বসুন্ধৰা ৰাজেক স্থান দিয়া হোৱা নাছিল বুলি আলোচনা আৰম্ভ হ'ল। আলোচনাৰ কাৰণ হ'ল দলীয় নেতৃত্বৰ সৈতে তেওঁৰ সম্পৰ্ক বৰ ভাল বুলি গণ্য কৰা নহয়। কিন্তু নিৰ্বাচনৰ বাবে এতিয়াও সময় আছে আৰু প্ৰতিটো দলতে এনেধৰণৰ আলোচনা আৰু প্ৰতি-আলোচনা উত্থাপন আৰু শান্ত হৈ থাকিব। নিৰ্বাচন আয়োগৰ ঘোষণাৰ পূৰ্বেও গ্ৰীষ্মকালীন বিধানসভা নিৰ্বাচন আৰম্ভ হোৱাটো প্ৰয়োজন আৰু এতিয়া এনে নতুন বাজি দুয়োটা দলৰ পৰাই দেখা পোৱা যাব।

### যাঠিৰোৰ্দ্ধৰ পুৰুষ-নাৰীৰ জীৱনৰ আলেখলেখ

# বাৰ্ধক্য ঃ জীৱনক ভালপোৱা সময়

**নিৰ্মল কুমাৰ ৰায়**

হোমেন বৰগোহাঞি ছাৰে কৈছিল যে ষাঠিত ভৰি দিয়াৰ লগে লগেহে এজন পুৰুষে পৰিপক্ক যৌৱনত ভৰি দিয়ে। অৱশ্যে অন্যান্য কিছুমানৰ মতে এই বয়সটো হৈছে অভিজ্ঞ যৌৱনৰ আৰম্ভণি। ৰহস্যময় জীৱনৰ তিনিভাগৰ দুভাগ পাৰ হৈ আহি এই বয়স পোৱাৰ লগে লগে মানুহে চালি-জাৰি চাব পাৰে নিজক তথা জীৱনক।

ইতিমধ্যে জীৱনত পাই অহা সকলো তিতা-কেঁহা লগা বাস্তৱকে সামৰি জীৱনক 'জীৱন' বুলি আন্তৰিকভাৱে গ্ৰহণ কৰাৰ বয়স। নিজক নিৰ্মোহভাৱে বিশ্লেষণ কৰাৰ, নিজক চিনি পোৱাৰ বয়স। যাঠিৰোৰ্ধৰ পুৰুষ-নাৰী নিৰ্বিশেষে জীৱনৰ দিনলিপিৰ খতিয়ান লৈ এই বয়সতে আত্মৱিষ্কাৰ কৰে। জীৱনে আমাক কি দিলে, আমি জীৱনক কি দিলোঁ, এনে মানসিক চিন্তাই আমাক ভাৰাক্ৰান্ত কৰে জীৱনৰ এই সময়ছোৱাই। এই বয়স প্ৰাপ্তিৰ সময়তেই বহুতে নিজক প্ৰতিষ্ঠিত কৰাৰ পথ এই বয়সটোতেই চিনাক্ত কৰি লয়। কেৱল সুখৰ পিছত দৌৰি হাবাথুৰি খোৱাৰ এই বয়স যে জীৱনৰ মাপকাঠিৰ অনন্য মাধ্যম হ'ব পাৰে, আমি বাৰু কেইজনে সেইটো নুভৱ কৰোঁ?

আমাৰ সমাজত এই বয়সটোৰ সংসাৰী পুৰুষ-নাৰীৰ সংসাৰবোৰত তেওঁলোক কিমান সুখী? প্ৰকৃততে সুখী নে? নে সুখী বুলি দেখুওৱাৰ অভিনয়, সেই কথা এই বয়সত ভৰি দিয়াৰ লগে লগেই নিখুঁত হৈ উঠে। অৰ্থাৎ স্পষ্ট হৈ উঠে। যৌৱনৰ তাড়নাত সৃষ্ট সাংসাৰিক জীৱনৰ প্ৰতি মোহভংগ হয় এই বয়স প্ৰাপ্তিৰ লগে লগেই। এনেবোৰ সমস্যা বাৰু পৃথিৱীৰ জাতি-বৰ্ণ-নিৰ্বিশেষে সকলো পুৰুষ-নাৰীৰে নহয়নে? এইবোৰৰ অধ্যয়ন, বৈজ্ঞানিক বিশ্লেষণ অথবা মানসিক বিচাৰ-বিশ্লেষণ কৰাৰ প্ৰয়োজনীয়তা বিদ্যমান।

যাঠিৰ দুৱাৰডলি গচকি এনেকুৱা বহু ভাব বা সমস্যাৰ আমি মুখামুখি হৈছোঁ, গমি চাইছোঁ, বুজিবলৈ চেষ্টা কৰিছোঁ তথা জীৱনৰ সংস্পৰ্শলৈ অহা বহু মানুহৰ সমস্যাৰাজিক নিজৰ ভাব-সমস্যাৰ লগত ৰিজাই বিশ্লেষণ কৰিবলৈ প্ৰয়াস কৰিছোঁ।

জন্মৰ ডেৰ বছৰমানৰ পিছত, মুখত মাত ফুটাৰে পৰা পাঁচ বছৰমান বয়সলৈকে মানুহৰ জীৱনৰ কথা আনেহে কয়। সেই সময়ছোৱাত আমি কি কৰিছিলোঁ, সেই কথা এতিয়া আমি নিজে ক'ব নোৱাৰোঁ। আনৰ পৰা জানিহে আমি আমাৰ শৈশৱটো ঘূৰাই পাওঁ। ঘূৰি যাওঁ আমি মাতৃৰ সেই সুকোমল কোলালৈ; য'ত পৃথিৱীৰ কোনো সমস্যাই ভীৰ কৰিব নোৱাৰে। শৈশৱ হৈছে দেখা-নেদেখাৰ বয়স, ধুঁৱলি-কুঁৱলিৰ সোঁৱৰণি। কৈশোৰ হৈছে কৌতুহল মিশ্ৰিত অনুভৱেৰে জীৱনক গ্ৰহণ কৰাৰ বয়স; আৰু যৌৱন হৈছে পাখিলাহি পখিলাৰ কোমল স্পৰ্শৰ দৰে মধুৰ অথচ ক্ষণস্থায়ী বয়স। যৌৱন কালটোৱে জীৱনক এফালে যেনেকৈ মধুমত কৰিব পাৰে, তেনেকৈ তিক্ততাময়ো কৰিব পাৰে। অৱশ্যে আৱেগৰ ভৰত যুক্তিৰ ওজন কমা, এই বয়সছোৱাৰ প্ৰভাৱ থাকে মানুহৰ সমস্ত জীৱনজুৰি।

প্ৰৌঢ়ৰ বা বাৰ্দ্ধক্য অহাৰ আগেয়ে বাৰ্দ্ধক্যক আদৰিবলৈ ৰৈ থকা অতি গুৰুত্বপূৰ্ণ এই বয়সটো যৌৱনৰ পিছত কেতিয়া আহে মানুহে ততকে ধৰিব নোৱাৰে। যৌৱনৰ ৰঙেৰে ৰঙীন হৈ বিয়া-বাৰু কৰাই, উপাৰ্জনক্ষম হৈ ঘৰ-সংসাৰ চলাই জীৱন যাত্ৰাত আগবাঢ়ি গৈ থকাৰ সময়তেই অকস্মাতে যেন আহি পৰে এই বয়সটো। এফালে মধুময় যৌৱনৰ পৰশেৰে আকুল জীৱনৰ জয়যাত্ৰা আৰু আনফালে সমস্যা-জৰ্জৰ সংসাৰৰ বাস্তৱ জীৱনৰ গতিধাৰা— এই দুয়োটাৰ মাজত সামঞ্জস্য ৰাখি চলিব পৰা পুৰুষ-নাৰীবোৰেই সফলতাৰে জীৱনক উপভোগ কৰিবলৈ সক্ষম হ'ব পাৰে অতি সুন্দৰকৈ; আৰু যিসকলে এনে কৰিবলৈ অক্ষম হয়, তেওঁলোকৰ বাবে জীৱন হৈ পৰে দুৰ্বিসহ। বাস্তৱ আৰু কল্পনাৰ সামঞ্জস্য ৰাকিব নোৱাৰা বহুতো পুৰুষ-নাৰীয়ে এই বয়সটোতে তীব্ৰ হতাশাত ভোগে।

সকলোতকৈ ডাঙৰ কথাটো হ'ল— এই বয়স প্ৰাপ্তিৰ সময়ত সংসাৰী পুৰুষ-নাৰীৰ পৰিপূৰ্ণ সংসাৰত সন্তান-সন্ততি ডাঙৰ হৈ অহাৰ ফলত মাক-দেউতাকসকল লাহে লাহে প্ৰায় নিঃসংগ হৈ পৰে। ল'ৰা-ছোৱালীবোৰ সৰু থকাত পিতৃ-মাতৃসকল সিহঁতৰ লালন-পালনত ব্যস্ত থাকবি লগা অৱস্থা এই বয়সত নোহোৱা হৈ অহাৰ লগেলগে তেওঁলোকে মানসিকভাৱে অকলশৰীয়া অনুভৱ কৰিবলৈ আৰম্ভ কৰে।

যৌৱনাৱস্থাত বিয়া-বাৰু কৰোৱাৰ পিছত স্বামী-স্ত্ৰীৰ যিটো মানসিক পৰিতৃপ্তি, সন্তান জন্ম হোৱাৰ পিছত সেই পৰিতৃপ্তিৰ পৰিসীমা বহল হৈ ল'ৰা-ছোৱালীক সামৰি লয়। ল'ৰা-চোৱালী মাক-দেউতাকৰ ছত্ৰচ্ছায়াৰ পৰা ওলাই যোৱাৰ সময়ছোৱাই হ'ল— এই সময়। পঢ়া-শুনা কৰিবলৈ ঘৰখনৰ পৰা বাহিৰলৈ যোৱাৰ এইখিনি সময়ে মাক-দেউকবোৰৰ অন্তৰলৈ কিচু পৰিমানে অৱসাদ আনি দিয়ে; যাৰ ফলত তেঁলোকে আকৌ নতুনকৈ নিজা দৃষ্টি-ভংগীৰে জীনক বিশ্লেষণ কৰিবলৈ আহৰি পায়। সন্তান-সন্ততিৰ দায়িত্বৰ বাবে কিছু পৰিমানে শিথিল হোৱা পতি-পত্নীৰ সম্পৰ্ক— পুনৰ পূৰ্বৰ সম্পৰ্কৰ দৰে সঁজালহৈ উঠাৰ ক্ষেত্ৰত যদি শিথিল হৈ পৰে, তেতিয়াই পতি-পত্নীৰ জীৱন ভাৰাক্ৰান্ত হৈ পৰে। সেয়াও সাধাৰণতে ঘটে এই বিষয়টোতেই।

যাঠিৰ দেওনা অতিক্ৰম কৰি, দেখাত অতিকে সুখ-স্বাচ্ছন্দ্যত থকা যেন লগা দম্পতীক পৃথকে পৃথকে যদি সোধা যায়— তেওঁলোক জীৱনত সম্পূৰ্ণভাৱে সুখী হ'লনে? বেছি ভাগ দম্পতিয়েই ক'ব নিজৰ সাংসাৰিক অশান্তিৰ কথা তথা মানসিক বা দৈহিক অতৃপ্তিৰ কথা, ইজনে-সিজনক সন্দেহ কৰাৰ কথা, ইজনে-সিজনক বুজি নোপোৱাৰ কথা, ইজনে-সিজনৰ প্ৰতি থকা বিতৃষ্ণাৰ কথা। যিসকল ইয়াৰ ব্যতিক্ৰম, তেওঁলোকৰ সংখ্যা আঙুলিৰ মূৰত গণিব পাৰি।

এক মানসিক অনুভৱ হ'ল— সুখ। ই শাৰীৰক সম্বন্ধতেই সীমাৱদ্ধ নহয়। মানুহে ইচ্ছা কৰিলে নিজেই 'সুখ' বিচাৰি আনিব পাৰে— নিজস্ব ক্ষমতাৰে, নিজৰ কৰণীয় কামখিনিৰ মাধ্যমেৰে। যাঠিৰ তলৰ সময়খিনিত অৰ্থাৎ মধ্য বয়সত অৱশ্যে সুখানুভূতিৰ সংজ্ঞা হৈ পৰে অলপ বেলেগ ধৰণৰ। পুৰুষ-নাৰী উভয়ে উক্ত বয়সত হৈ উঠে আত্মসচেতন, আত্ম-অহংকাৰী, সেয়ে সেই মধ্য বয়সত আনে তেওঁলোকক গুৰুত্ব দিয়ক, সেইটোৱেই তেওঁলোকে বিচাৰে। সেই বয়সত মাক-দেউতাকে ল'ৰা-ছোৱালীৰ পৰা গুৰুত্ব বিচাৰে, স্বামীয়ে গুৰুত্ব বিচাৰে পত্নীৰ পৰা; কিন্তু পত্নীয়ে কাৰ ওচৰত এই বয়সত গুৰুত্ব বিচাৰিব? স্বামীৰ পৰা (ত্ৰয়োদশ পৃষ্ঠালৈ)

# সম্পাদকলৈ চিঠি

## অসমীয়া বৰ্তমানলৈ শুভেচ্ছাৰে...

■ ডঃ যতীন বৰুৱা



মোৰ একালৰ সমাজ সচেতন ছাত্ৰ তথা তেতিয়াৰ বঙাইগাঁও অঞ্চলৰ সতীৰ্থ সাংবাদিক প্ৰবীণ ঠাকুৰীয়াৰ সম্পাদনাত 'অসমীয়া বৰ্তমান' শীৰ্ষক সাপ্তাহিক কাকত এখন গুৱাহাটীৰ পৰা প্ৰকাশ হোৱাত আনন্দিত হৈছোঁ। প্ৰবীণ ঠাকুৰীয়া এগৰাকী স্পষ্টবাদী, নিৰ্ভীক, সাহসী আৰু আপোচবিহীন সাংবাদিক আৰু লেখক হিচাপে নব্বৈৰ দশকতে অসমৰ সংবাদ জগতত পৰিচিত হৈছিল। তেওঁ নব্বৈৰ দশকত অজিত কুমাৰ ভূঞা সম্পাদিত দৈনিক কাকত 'আজি' আৰু 'নতুন সময়' ত বঙাইগাঁও অঞ্চলৰ বাতৰি পৰিৱেশন যথেষ্ট জনপ্ৰিয় হৈ পৰিছিল। ময়ো তেতিয়া গুৱাহাটীৰ পৰা ওলোৱা কেইবাখনো কাকতত সাংবাদিকতা কৰিছিলোঁ। প্ৰবীণ ঠাকুৰীয়াই নিষ্ঠা আৰু একাগ্ৰতাৰে বাতৰি সংগ্ৰহ কৰি তাক পঢ়ুৱৈৰ মনোগ্ৰাহীকৈ পৰিৱেশন কৰিছিল। সেয়ে মই দৃঢ়তাৰে ক'ব পাৰো যে প্ৰবীণ ঠাকুৰীয়াৰ দ্বাৰা সম্পাদিতব্য 'অসমীয়া বৰ্তমান' কাকতখনি নিঃ সন্দেহে এখনি জাকতজিলিকা সাপ্তাহিক হৈ পঢ়ুৱৈৰ মনত এক ব্যতিক্ৰমী সাঁচ বহুৱাবলৈ সক্ষম হ'ব।

## অসমীয়া বৰ্তমান কাকত জনসাধাৰণৰ মুক্ত কণ্ঠ হওক

■ ৰত্ন কুমাৰ দাস

সাম্প্ৰতিক সময়ত বৈদ্যুতিন মাধ্যমকো সামাজিক মাধ্যমে ভেঙুচালি কৰাৰ ভৰপক সময়তে ৰাজ্য খনত "অসমীয়া বৰ্তমান" নামৰ কাকত প্ৰকাশ কৰা কাৰ্য নিশ্চয় প্ৰশংসনীয়। কাকতখনে অসমৰ জনসাধাৰণৰ মুক্ত কণ্ঠ হওক। এই ছেগতে কাকত খনলৈ আন্তৰিক শুভেচ্ছা আৰু সকলো পক্ষকে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। (প্ৰাক্তন সম্পাদক, শুৱালকুছি সাংবাদিক সন্থা )

## শুভেচ্ছা

■ ৰতন কলিতা

বহুত শুভেচ্ছা আৰু অভিনন্দন জনালোঁ, এটা ভাল পদক্ষেপ গ্ৰহণ কৰিছে। আপোনাৰ সাংবাদিকতাৰ ওপৰত মোৰ বিশ্বাস আছে। আপোনাৰ দীৰ্ঘদিনীয়া অভিজ্ঞতাই এই মহান কৰ্ম সফল কৰিব , , "অসমীয়া বৰ্তমান" কিছু ব্যতিক্ৰম ৰূপেৰে ৰাইজৰ কণ্ঠ হ'ব বুলি আশা কৰিলো। আমাৰ সহযোগ, শুভকামনা আছে, , , থাকিব। দুগুণ সৎসাহেৰে আগবাঢ়ক। অসমীয়া বৰ্তমানৰ দীৰ্ঘায়ু কামনা কৰিলো। ( প্ৰেৰকৰ ঠিকনা-ধাৰাপুৰ)

**মহাপুৰুষ জনাই কোনো দিনেই আন ধৰ্মক ঘিণা কৰিবলৈ শিকোৱা নাছিল। উচ্চ নীচ সকলোকে সমদৃষ্টি প্ৰদৰ্শন কৰা গুৰুজনাই 'ব্ৰাহ্মণৰ চাণ্ডালৰ নিবিচাৰি কুল, দাতাত চোৰত যেন দৃষ্টি এক তুল ' দৃষ্টিৰে সকলোকে আচৰণ কৰাৰহে শিক্ষা দিছিল। 'সমস্ত ভূতকে দেখিবেক আত্মসম। উপায় মধ্যত ইটো আতি মুখ্যতম। । -এই বাণীৰ জৰিয়তে তেওঁ মানৱতাৰ জয়গান গাইছিল। শংকৰদেৱৰ সামাজিক বিপ্লৱত অস্পৃশ্যতা নিৰ্মূলৰ আবেদন আছিল দৃঢ়। কিন্তু গুৰুজনাৰ এই আদৰ্শ পিছলৈ তেওঁৰ এক শৰণ ধৰ্মৰ অনুগামী সকলৰ মাজত বিকৃত হবলৈ ধৰে। একাংশ সত্ৰ আৰু সত্ৰাধিকাৰে আকৌ জাতিভেদ প্ৰথাৰ বীজ ৰোপণত ভাগ ল'বলৈ ল'লে। সত্ৰ ব্যৱস্থাত ব্ৰাহ্মণ্যবাদৰ শোষণ নীতি চলিবলৈ ল'লে। জন জাতীয় লোক ক্ৰমান্বয়ে সম অধিকাৰৰ পৰা বঞ্চিত হব লগা হ'ল। তথা কথিত এচামে আকৌ বৰপেটা সত্ৰত মহিলাৰ প্ৰৱেশ নিষেধ কৰি ৰাখিলে...**

# শংকৰদেৱৰ সমাজ দৰ্শন



**বিশ্লেষণ**

**পৰেশ বৈশ্য**

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আছিল মধ্যযুগৰ অসমৰ এগৰাকী সমাজ দাৰ্শনিক। তেওঁৰ সমাজ দৰ্শনৰ আধাৰ আছিল মানৱীয় প্ৰমূল্য। তেখেতে সমাজ পৰিশোধন কৰি সামাজিক উত্তৰণৰ সপোন দেখিছিল। শংকৰদেৱৰ সময়চোৱাত অসমীয়া সমাজখনত নানা ব্যভিচাৰ চলি আছিল। মানুহবোৰৰ সৰহভাগৰেই আৰ্থিক দীনতাত ভুগিছিল। সাধাৰণ মানুহৰ অনগ্ৰসৰতা বিৰুদ্ধে শংকৰদেৱে যুঁজ দিছিল। তেওঁ অধ্যয়ন কৰি পাইছিল যে প্ৰজাগণৰ সৰহভাগৰ মাজত এই আৰ্থিক দীনতাত প্ৰধান কাৰণ আছিল ব্যয় বহুল যাগ যজ্ঞ, পূজা পাতালৰ প্ৰচলন। পুৰোহিত শ্ৰেণীটো আছিল এই যাগ যজ্ঞ আৰু পূজা পাতালৰ পৃষ্ঠপোষক। শূদ্ৰ বা নিম্ন বৰ্গৰ মানুহখিনিৰ ওপৰত উচ্চ শ্ৰেণীৰ লোক সকলে দান দক্ষিণা নামত বা পূজাৰ নামত বোজা আৰ্থিক বোজা জাপি দিছিল। আনহাতে বৌদ্ধ ধৰ্মৰ অৱক্ষয়ৰ পিছত তান্ত্ৰিক মাৰ্গে শক্তিশালী ৰূপ লোৱাত ধৰ্মীয় ব্যভিচাৰ অধিক বৃদ্ধি পাইছিল। দুয়োটা পন্থাই ভোগবাদী দৰ্শন প্ৰচাৰ কৰিছিল। এচামে আকৌ বৈষ্ণৱৰ বেশত ভ্ৰষ্টাচাৰী তান্ত্ৰিক ধৰ্ম চলাইছিল। এই বিষয়ে মাধৱদেৱে লিখিছে,

" অন্ন যোনি কিছো নকৰে বিচাৰ  
জাতি কুল ভৈল ভ্ৰষ্ট।  
বৈষ্ণৱৰ বেশ ধৰিয়া ফুৰয়  
বেদ প্ৰথা কৰি নষ্ট। । "

সেই সময়ত দেৱদাসী প্ৰথা আৰু নৰবলি প্ৰথা আদি প্ৰচলন হৈছিল। শংকৰদেৱে যাগ যজ্ঞ, পূজা পাতালৰ বিৰুদ্ধে থিয় দিছিল। পূজা পাতাল সলনি খৰচহীন কৃষ্ণ ভক্তি কৰিবলৈ আহ্বান জনাইছিল। তেওঁ সকলো দেৱ দেৱী কৃষ্ণৰ অধীন বুলি প্ৰচাৰ চলাইছিল। মানুহক ধৰ্মীয় শোষণৰ পৰা মুক্তি দিবলৈ তেওঁ এক শৰণ নাম ধৰ্ম আৰম্ভ কৰিছিল। বেদৰ সাৰ সমূহ অসমীয়ালৈ অনুবাদ কৰি সেইসমূহৰ মূল কথাবোৰ বুজাৰ সুবিধা কৰি দিছিল।

আন এটা কথা। শংকৰদেৱে মুক্তিতকৈ ভকতি শ্ৰেষ্ঠ বুলি ঘোষণা কৰিছিল। তেওঁ পূজা উপাসনাৰ জৰিয়তে মুক্তি বিচৰা বা বৈকুণ্ঠগামী হোৱাৰ সপোন এৰি মানৱ সেৱাই প্ৰকৃত ধৰ্ম বুলি প্ৰচাৰ চলাইছিল। কৃষ্ণ ভক্তিৰ জৰিয়তে মানসিক শান্তি লোৱাটোহে উত্তম পথ বুলি কৈছিল। মূৰ্তি পূজাৰ বিপৰীতে সকলোকে মানৱকে ধৰি আন জীৱকুলক সেৱা কৰাৰ বাবে আহ্বান জনাইছিল। তেওঁ ভকতিৰ লগতে কৰ্ম সংস্কৃতিও আগবঢ়াই নিবলৈ আহ্বান জনাইছিল। কৰ্ম বা বাণিজ্য এৰি কেৱল আধ্যাত্মিকতাত মজি থাকিবলৈ তেওঁ কোৱা নাছিল। স্ব উৎপাদনৰ জৰিয়তে আত্মনিৰ্ভৰশীল হ'বলৈ গুৰুজনাই সকলোকে উৎসাহিত কৰিছিল। সকলোকে সৃষ্টিশীল কামত আত্মনিয়োগ কৰিবলৈ দিহা দিছিল। উৎপাদন বৃদ্ধিৰ বাবে প্ৰশিক্ষণ আৰু বৃত্তিমুখী শিক্ষাত তেওঁ গুৰুত্ব দিছিল। জ্যেষ্ঠ ভকতৰ হতুৱাই কনিষ্ঠ সকলক এনেবোৰ দিহা দিয়াইছিল। আনকি তেখেতে আৰ্থিক স্বাৱলম্বিতাৰ জৰিয়তে সেই সময়ৰ অসমত প্ৰচলিত দাসপ্ৰথাৰ বিলুপ্তিৰ হকে প্ৰয়াস কৰিছিল। আগতে অসমত দাসসকলক বজাৰত বিক্ৰী কৰা হৈছিল। আনকি মালিকক পৰিশোধ কৰিব লগীয়া ধন নিজে পৰিশোধ কৰি দাস বা বন্ধা সকলক মুকলি কৰি অনাৰো ব্যৱস্থা গুৰুজনাই কৰিছিল। তেওঁ থান বা সত্ৰ আদি এনেভাবে স্থাপন কৰিছিল যাতে সেইসমূহত সাম্যবাদ বৰ্তি থাকে। থান বা সত্ৰ বোৰ যাতে কাৰো ব্যক্তিগত সম্পত্তি হৈ নপৰে সেই দিশত গুৰুত্ব দিছিল।

সাম্যতা আৰু উদাৰতা আছিল তেখেতৰ সামাজিক জীৱনৰ অমোঘ বাণী। তেওঁৰ ধৰ্ম ই হিন্দু, মুছলমান, মিকিৰ, মিৰি, গাৰো, নগা আদি সকলোকে সামৰি লৈছিল। গাৰোৰ গোবিন্দ, নগাৰ নৰোত্তম, জয়ন্তীৰ মধাই, ভোটৰ দামোদৰ, কছাৰীৰ ৰাম, বনিয়াৰ হৰিদাস, মুছলমানৰ ছান্দোসাই আদি ভকতে তেখেতৰ সান্নিধ্য পাইছিল। আনহাতে সতীত্ব বা নেতৃত্ব যে কেৱল উচ্চবংশত জন্মা সকলৰ সম্পত্তি নহয়, তাক তেখেতৰ সেই সময়ত নিম্ন শ্ৰেণীৰ লোক বুলি খ্যাত সতী ৰাধিকাই টেম্বুৱনী বান্ধ নিৰ্মাণত দেখুওৱা আত্মবিশ্বাস আৰু সাহসৰ জৰিয়তে প্ৰতিপন্ন কৰি দেখুৱাইছিল।

সমাজৰ পৰা দুৰ্নীতিৰ শিপা উভালি পেলাবলৈ গুৰুজনাই আধ্যাত্মিকতাৰ জৰিয়তে চেষ্টা চলাইছিল। তেখেতে অসৎ উপায়েৰে ধন উপাৰ্জনৰ কুফলৰ বিষয়ে নিজৰ বিভিন্ন ৰচনাত সুন্দৰকৈ উল্লেখ কৰি জনসাধাৰণক দুৰ্নীতি ভ্ৰষ্টাচাৰৰ পৰা আঁতৰি থাকিবলৈ অনুপ্ৰাণিত কৰিছিল। তেনে

যতেক বায় ধন  
তেক মৃত্যুসে বাঢ়ে  
আপদ নাহি আত পৰ।  
আপোনাৰ মৃত্যু বুলি মানিবেক ধন  
নানা পীড়া মিলে আসি ইহাৰ কাৰণ।  
কৰ্ম কৰি সাধয় বিত্তাদি যত যত  
নুহিকে সুখৰ হেতু যানা স্বৰূপত  
ধনে পুৰুষক দুখ দেই নিৰন্তৰ  
আপোনাৰ মৃত্যু ধন জানা সাৰত্বৰ। ইত্যাদি।


সৎ উপায়েৰে ধন উপাৰ্জনৰ কৰি সমাজৰ হিতৰ বাবে ব্যয় কৰাটো তেওঁ বিচাৰিছিল। জাতিভেদ প্ৰথা সম্পূৰ্ণ নিৰ্মূলৰ বাবে তেওঁ নামঘৰ ব্যৱস্থাৰ প্ৰৱৰ্ত্তন কৰি সকলোকে একেশাৰী বহাৰ সুবিধা কৰি দিছিল। সকলোৱে একেলগে নাম কীৰ্তন কৰাৰ সুবিধা দিছিল। উচ্চনীচ বুলি কোনো ভেদাভেদ ৰখা নাছিল। নামঘৰত গাৱৰ সমূহীয়া সম্পদ সকলোৰে উন্নয়নৰ হকে ব্যৱহাৰৰ ব্যৱস্থা কৰা হৈছিল। আপদে বিপদে ইজনে সিজনক সহায়ৰ হাত আগবঢ়োৱাৰ ব্যৱস্থা কৰিছিল। সঁচা কথা ক'বলৈ গলে সেই সময়ত এক শৰণ নাম ধৰ্মৰ লগত জড়িত সকলোৱে সুখেৰে দিন পাৰ কৰিছিল। তেওঁৰ সমাজ দৰ্শনত নামঘৰ আছিল সামাজিক- সাংস্কৃতিক জীৱনৰ প্ৰাণকেন্দ্ৰ। সামূহিক উদগতি আছিল নামঘৰৰ মূল লক্ষ্য। ইয়ে জাতীয় সংহতি আৰু কলা- সংস্কৃতিৰ বিকাশত অৰিহণা যোগাইছিল।

মহাপুৰুষ জনাই কোনো দিনেই আন ধৰ্মক ঘিণা কৰিবলৈ শিকোৱা নাছিল। উচ্চ নীচ সকলোকে সমদৃষ্টি প্ৰদৰ্শন কৰা গুৰুজনাই 'ব্ৰাহ্মণৰ চাণ্ডালৰ নিবিচাৰি কুল, দাতাত চোৰত যেন দৃষ্টি এক তুল ' দৃষ্টিৰে সকলোকে আচৰণ কৰাৰহে শিক্ষা দিছিল। 'সমস্ত ভূতকে দেখিবেক আত্মসম। উপায় মধ্যত ইটো আতি মুখ্যতম। । -এই বাণীৰ জৰিয়তে তেওঁ মানৱতাৰ জয়গান গাইছিল। শংকৰদেৱৰ সামাজিক বিপ্লৱত অস্পৃশ্যতা নিৰ্মূলৰ আবেদন আছিল দৃঢ়। কিন্তু গুৰুজনাৰ এই আদৰ্শ পিছলৈ তেওঁৰ এক শৰণ ধৰ্মৰ অনুগামী সকলৰ মাজত বিকৃত হবলৈ ধৰে। একাংশ সত্ৰ আৰু সত্ৰাধিকাৰে আকৌ জাতিভেদ প্ৰথাৰ বীজ ৰোপণত ভাগ ল'বলৈ ল'লে। সত্ৰ ব্যৱস্থাত ব্ৰাহ্মণ্যবাদৰ শোষণ নীতি চলিবলৈ ল'লে। জন জাতীয় লোক ক্ৰমান্বয়ে সম অধিকাৰৰ পৰা বঞ্চিত হব লগা হ'ল। তথা কথিত এচামে আকৌ বৰপেটা সত্ৰত মহিলাৰ প্ৰৱেশ নিষেধ কৰি ৰাখিলে। যিটো শংকৰ বা মাধৱৰ নীতি নাছিল। শংকৰদেৱ আছিল অসমৰ প্ৰথমগৰাকী আধুনিক মনৰ মানুহ।

মধ্য যুগত শংকৰদেৱে অসমত বৈষ্ণৱ দৰ্শন প্ৰচাৰ কৰিছিল। কিন্তু এই দৰ্শন আগতেও প্ৰচলন আছিল। শংকৰদেৱে প্ৰাচীন বৈষ্ণৱ ধৰ্মক নতুনত্ব দিয়ে। প্ৰাচীন বৈষ্ণৱ দৰ্শন আছিল বিষ্ণুপ্ৰধান, শংকৰদেৱৰ বৈষ্ণৱ দৰ্শন কৃষ্ণপ্ৰধান। তেওঁৰ মতে কৃষ্ণই স্বয়ং ভগৱান। আনহাতে সৰ্বভাৰতীয় বৈষ্ণৱ দৰ্শনতকৈ শংকৰদেৱৰ বৈষ্ণৱ দৰ্শন পৃথক। ৰামানুজ প্ৰৱৰ্তিত বৈষ্ণৱ ধৰ্মৰ আধাৰগ্ৰন্থ ' বিষ্ণু পুৰাণ 'কিন্ত শংকৰদেৱৰ বৈষ্ণৱ দৰ্শনৰ আধাৰ গ্ৰন্থ হল ' ভাগৱত পুৰাণ '। শংকৰ দৰ্শনত ভাগৱতৰ লগত গীতাৰ এক শৰণ তত্ত্বৰ সমন্বয় ঘটোৱা হৈছে। শংকৰী দৰ্শনত থাপনাত মূৰ্তিৰ পৰিৱৰ্তে শাস্ত্ৰক প্ৰতিষ্ঠা কৰা হৈছে। আনহাতে এই দৰ্শনত দীক্ষাৰ সলনি শৰণ প্ৰথা মানি চলা হয়।

সামাজিক ন্যায় প্ৰতিষ্ঠা কৰাটো তেওঁৰ দৰ্শনৰ মূল লক্ষ্য আছিল। সৎ কামৰ ধাৰা পাৰিবাৰিক জীৱনৰ পৰা সমাজলৈ অনাত তেওঁ গুৰুত্ব আৰোপ কৰিছিল। ব্যক্তিগত আৰু সামাজিক নৈতিকতাৰ উত্তৰণৰ জৰিয়তে সমাজখনক নৈতিকভাৱে বলিষ্ঠ কৰিব বিচাৰিছিল। নি: স্বাৰ্থ প্ৰেমৰ জৰিয়তে নৈতিকতাৰ ভেটি সবল কৰাত গুৰুত্ব দিছিল। তেওঁৰ মতে নিষ্কাম কৰ্ম কৰাটোৱেই হৈছে ভগৱানৰ প্ৰতি উচিত প্ৰাৰ্থনা।

শংকৰদেৱ পলায়নবাদত বিশ্বাসী নাছিল। বৌদ্ধিক জ্ঞান আৰু ইন্দ্ৰিয়জ জ্ঞানৰ একত্ৰীকৰণৰ জৰিয়তে নিজক আলোকিত কৰিব পাৰিলে জীৱনৰ পৰা দুখ আৰু অশান্তিয়ে মেলানি



মাগে বুলি তেওঁ বিশ্বাস কৰিছিল। মানৱৰ অপায় অমংগলক তেওঁ ঈশ্বৰৰ লগত যুক্ত নকৰি জ্ঞানৰ জৰিয়তে তাক জয় কৰাৰ পোষকতা কৰিছিল। তেওঁ ব্যক্তিগত অপায় অমংগলৰ দৰে সামাজিক অপায় অমংগলৰো উৎস অজ্ঞানতা বুলি বিশ্বাস কৰিছিল। নৈতিক ভাৱে অধ: পতিত জনক শাস্তিৰ জৰিয়তে সংশোধন কৰাৰ বিপৰীতে আত্মিক উত্তৰণৰ জৰিয়তে সংশোধন কৰিব বিচাৰিছিল। সদায় তেওঁ আত্মাক আলোকিত কৰি দুখ বা অশুভক দূৰ কৰাৰ পোষকতা কৰিছিল।

শংকৰদেৱ আছিল ইতিবাচক চিন্তা কৰা লোক। তেওঁ মানুহৰ ইচ্ছা শক্তিক শ্ৰদ্ধা কৰিছিল। ইচ্ছা শক্তিৰে প্ৰবৃত্তিক ৰোধ কৰি চিত্ত শুদ্ধ কৰিব পাৰি বুলি বিশ্বাস কৰিছিল। আনকি মানুহৰ চিত্ত শুদ্ধ কৰিবৰ বাবে নাম -সংস্কৃতিৰ লগত সংগীত, নাট, চাৰু কলা, বাদ্য আৰু সাহিত্যৰ সৃষ্টি কৰিছিল। অৰ্থাৎ সুকুমাৰ কলা মিশ্ৰিত আধ্যাত্মিকতাৰ জৰিয়তে তেওঁ সামাজিক ৰোগ নিৰাময়ৰ চিন্তা কৰিছিল। মানুহৰ মাজত সংহতি আৰু সমতা স্থাপনত গুৰুত্ব দিছিল। শংকৰ দৰ্শনে ব্যক্তি স্বতন্ত্ৰতাক নস্যাৎ কৰা নাই।

শংকৰদেৱৰ শিক্ষা দৰ্শনৰ মূল কথা আছিল গুৰু প্ৰাধান্য। শাৰীৰিক শিক্ষাৰ লগতে শিক্ষাৰ জৰিয়তে মানুহৰ অন্তৰ্জগত আলোকিত হোৱাটো তেওঁ বিচাৰিছিল। তেওঁৰ সমাজ দৰ্শনে শিক্ষা, নীতি, পৰিয়াল, ৰাজ্য আদি সকলো ক্ষেত্ৰকে আলোকপাত কৰিছিল। তেওঁৰ দৰ্শনত ইহজগতৰ সমাজ বাস্তৱতাই গুৰুত্ব পাইছিল। বৈৰাগ্যৰ স্থান আছিল তেনেই গৌণ। তেওঁৰ মতে ধৰ্মৰ আশ্ৰয় নোলোৱাকৈ সমাজ সংস্কাৰ সম্ভৱ নহয়। তেওঁৰ ধৰ্ম নিৰপেক্ষ নীতি আছিল সমাজকেন্দ্ৰিক। তাত সমাজৰ ঐক্য, মৈত্ৰী আৰু মুক্তিৰ আবেদন সংপৃক্ত হৈ আছিল।

সামাজিক পৰিৱৰ্তনৰ হকে শংকৰদেৱে মধ্যম পন্থা অৱলম্বন কৰিছিল। আকস্মিকভাৱে সামাজিক কু-সংস্কাৰসমূহ আঁতৰোৱাৰ পৰিৱৰ্তে ধীৰে ধীৰে সহানুভূতি আৰু প্ৰেমেৰে সামাজিক অসূয়া নিৰ্মূল কৰিব বিচাৰিছিল।

শংকৰদেৱৰ দৰ্শনৰ এটা বিশেষ তাৎপৰ্য হ'ল তেখেতে তৰ্কতকৈ যুক্তিনিষ্ঠ বিশ্বাসত গুৰুত্ব আৰোপ কৰিছিল। শংকৰ দৰ্শনে তৰ্কক তৰ্কেৰে খণ্ডন নিবিচাৰে। ফলত এই দৰ্শনে যুক্তিবাদক স্তিমিত কৰে। তেওঁ নিজস্বতা আৰু আত্মবিশ্বাসক অধিক দাম দিব বিচাৰিছিল। তেওঁ নিজে কৰা সৎ আচৰণ আনকো মানিবলৈ আগ্ৰহী কৰিছিল। আজি গুৰুজনা আমাৰ মাজত নাই যদিও তেখেতৰ সমাজ দৰ্শনে আজিও অসমীয়া সমাজখনক সামাজিক- সাংস্কৃতিক ভাৱে বলিষ্ঠ কৰি ৰাখিছে।




বিশেষ নিবন্ধ

# অসমৰ সামাজিক জীৱনত সংবাদ-পত্ৰৰ ভূমিকা

■ বিমল কুমাৰ বৰ্মন

এখন বাতৰি কাকতৰ জন্মলগ্নই কঢ়িয়াই আনে— এটা জাতিৰ, এখন সমাজৰ সৰ্বসাধাৰণ মানুহখিনিৰ অভাৱ-অভিযোগ, বিভিন্ন সমস্যাৰ বতৰা আৰু আশা-আকাংক্ষা তথা প্ৰাপ্তি-অপ্ৰাপ্তিৰ খা-খবৰ। প্ৰকৃততে ক'বলৈ গ'লে বৰ্তমান যুগত বাতৰি কাকত হ'ল— জনগণৰ ভাব প্ৰকাশৰ সবল মাধ্যম। তদুপৰি মানুহৰ ন্যায্য অদিকাৰ প্ৰাপ্তিৰ ক্ষেত্ৰত বাতৰি কাকতৰ ভূমিকা এখন গণতান্ত্ৰিক চৰকাৰৰ দৰেই অত্যন্ত গুৰুত্বপূৰ্ণ। কেৱল সেয়ে নহয়, এখন সুস্থ সবল আৰু নিৰপেক্ষ বাতৰি কাকতে সামাজিক মূল্যবোধ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত জনগণৰ প্ৰকৃত পথটো চিনাক্ত কৰি দিয়াৰ বিষয়টো সক্ৰিয় ভূমিকা পালন কৰিবলৈ সক্ষম হয়।

বৰ্তমানৰ সমাজ জীৱনৰ ভয়াৱহ ছবিখনলৈ লক্ষ্য ৰাখি অসমীয়া সংবাদ-পত্ৰৰ ভূমিকা কিমান গুৰুত্বপূৰ্ণ, সেই কথা কোনো সচেতন নাগৰিকে সোঁৱৰাই হয়তো দিব নালাগে। আমাৰ সংবাদ-পত্ৰসমূহে অসমৰ জনগণৰ বৃহৎ স্বাৰ্থৰ হকে কি ভূমিকা ইতিমধ্যে পালন কৰি আহিছে, সেয়া বিচাৰ বিশ্লেষণ কৰাটো নিতান্তই প্ৰয়োজনীয় বুলি আমি অনুভৱ কৰিছোঁ।

স্বৰাজোত্তৰ কালছোৱাত ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক, শৈক্ষিক দিশত উদ্ভৱ হোৱা বিভিন্ন জটিল সমস্যাই অসমৰ সামগ্ৰিক অৱস্থাটোকে অস্তিৰ আৰু অশান্ত কৰি তুলিছিল। কিন্তু সাম্প্ৰতি সময়ত সামাজিক মূল্যবোধৰ অৱক্ষয়েহে অসমৰ সামাজিক জীৱন প্ৰৱাহলৈ কঢ়িয়াই আনিছে— এটা অন্ধকাৰ ভৱিষ্যৎ। মানৱতাহীন পৰিস্থিতিৰ মাজত অসমৰ জনগণে সুস্থভাৱে জীয়াই থকাৰ অধিকাৰখিনিও এতিয়া হেৰুৱাই পেলাবলগীয়া হৈছে। অৰ্থনৈতিক দুৰৱস্থা, নিবনুৱা সমস্যা, বানপানীৰ সমস্যা, কৃষি-বাণিজ্য-উদ্যোগ আদিৰ সম্প্ৰসাৰণত বেছি অসমী.য়া যুৱক-যুৱতীৰ অনীহা, অলাসতে ধন ঘটাৰ মানসিকতা, ড্ৰাগছ আদি মাদকদ্ৰব্যৰ প্ৰতি নৱ প্ৰজন্মৰ অধিক আসক্তি, ধৰ্ষণ-লুণ্ঠন, মনোবৃত্তি, ঠাই বিশেষে হোৱা সাম্প্ৰদায়িক সংঘাত আদিয়ে জুৰুলা কৰি বেলোৱা অসমবাসীৰ বাবে এতিয়া আটাইতকৈ প্ৰয়োজন হৈছে— গণচেতনাৰ উন্মেষ ঘটাই ৰাজনৈতিক, সামাজিক আৰু সাংস্কৃতিক দিশত যোগ্যজনৰ হাতত নেতৃত্ব প্ৰদান কৰাটো। যিহেতু স্বৰাজোত্তৰ কালছোৱাত অসমৰ ৰাজনৈতিক আৰু সামাজিক জীৱনক পংকিলতাৰ বুকুলৈ ঠেলি দিয়াৰ মূলতে দায়ী আছিল এচাম দুৰ্নীতিগ্ৰস্ত লোকৰ হাতত নেতৃত্বৰ ক্ষমতা অৰ্পণ কৰাটো। ৰাজনৈতিকভাৱে সচেতন নোহোৱা আৰু অৰ্থনৈতিকভাৱে দুৰ্বল শ্ৰেণীটোৱে বাৰে বাৰে একেটা ভুলকে কৰি আহিছে আৰু দুৰ্নীতিগ্ৰস্ত নেতাৰ হাতৰ পুতলা হৈ ইমান দিনে নাচি আহিছে অসমৰ খিলঞ্জীয়া অধিবাসীসকল। আনহাতে চতুৰ আৰু ভণ্ড নেতাসকলে অসমৰ সৰ্বসাধাৰণ লোক সকলক মাজে-সময়ে গোষ্ঠীগত সংঘাতৰ মাজলৈ ঠেলি দি ব্যক্তি স্বাৰ্থৰ বাবে বিভিন্ন কেশল অৱলম্বন কৰি আহিছে।

আমি ক'ব খোজো যে যিদিনা খনলৈকে অসমৰ সৰ্বসাধাৰণ মানুহখিনি ৰাজনৈতিকভাৱে সচেতন হ'ব নোৱাৰিব, আৰু গণতান্ত্ৰিক অধিকাৰৰ কথা উপলব্ধি কৰিব নোৱাৰিব, সেইদিনাখনলৈকে অসমৰ অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক আৰু শৈক্ষিক জীৱনৰ সমস্যাবোৰ সমস্যা হৈয়েই থাকিব, সমাধানৰ পথ প্ৰশস্ত নহ'ব।

সেই কাৰণেই বাতৰি কাকতৰ ভূমিকা জনসাধাৰণৰ বৃহৎ স্বাৰ্থৰ অনুকূলে হোৱাটো একান্ত বাঞ্ছনীয়। বাতৰি কাকতে সুযোগ্য নাগৰিকৰ ভূমিকা পালনৰ অৰ্থে গণতান্ত্ৰিক চেতনাৰে জনসাধাৰণক উদ্বুদ্ধ কৰি তোলাৰ ক্ষেত্ৰত নিৰপেক্ষ আৰু সত্যৰ ওপৰত প্ৰতিষ্ঠিত বাতৰি পৰিৱেশন কৰাটো যুক্তিসংগত। কিন্তু অসমৰ সংবাদ-পত্ৰ সমূহৰ ভালে কেইখন পুঁজিপতিৰ কবলৰ পৰা মুক্ত নহয়। দুখনমান কাকতে কেৱল চৰকাৰৰ তোষামোদ কৰিয়েই বা-বাতৰি অথবা বিভিন্ন লেখনি প্ৰকাশ কৰি থকাও আমাৰ দৃষ্টিগোচৰ হৈছে। এনে বাতৰি কাকতে সৰ্বসাধাৰণৰ সমুখত সমাজৰ সঁচা ছবিখন দাঙি ধৰাত বিফল হৈছে।

অসমৰ সামাজিক জীৱনলৈ লক্ষ্য ৰাখিহে আমাৰ বাতৰি কাকত বিলাকে সৰ্বসাধাৰণ ৰাইজৰ মাজত ৰাজনৈতিক চেতনা আৰু জাতীয়তাবোধৰ চেতনা গঢ়ি তুলিবলৈ যত্নপৰ হোৱা উচিত। কেৱল চৰকাৰৰ বা শাসকশ্ৰেণীৰ স্বাৰ্থৰক্ষাৰ খাতিৰতে একোখন বাতৰি কাকতৰ বাতৰিসমূহ পৰিৱেশিত হোৱাটো নিতান্তই দৃষ্টিকটু। সৰ্বসাধাৰণৰ বৃহৎ স্বাৰ্থৰ অনুকূলে সকলো শ্ৰেণীৰ ৰাইজৰ মতবাদক গুৰুত্ব দি প্ৰতিখন বাতৰি কাকতে গণচেতনা গঢ়ি তোলা উচিত। সেইদৰে সংবাদসেৱী সকলে সততা আৰু নিষ্ঠাৰে বাতৰি কাকতত বাতৰি পৰিৱেশন কৰি সৰ্বসাধাৰণ ৰাইজক গণতান্ত্ৰিক অধিকাৰ প্ৰাপ্তিৰ বাট প্ৰশস্ত কৰা উচিত।

আমি আশা ৰাখিছোঁ, সমগ্ৰ অসমবাসীৰ অভাৱ-অভিযোগ আৰু জীৱনযাত্ৰাৰ বিভিন্ন সমস্যাৰাজিক গুৰুত্ব দি 'অসমীয়া বৰ্তমান' এই সাপ্তাহিক কাকতখন জনগণৰ কল্যাণৰ বাৰ্তাবাহক হওক। এই কাকতখনৰ সুস্থ-সবল ভূমিকাত অসমৰ সৰ্বসাধাৰণে অগ্ৰসৰ হওক— এখন নতুন সমাজ প্ৰতিষ্ঠাৰ দিশত।(লেখকৰ ফোন ঃ ৯১০১১-২৮৪৪০)


# শিখৰ-পাণ মছলা বন্ধ কৰক

□ কমলেশ কাঞ্চন

বৰ্তমান অসমৰ সমাজ ব্যৱস্থাত শিখৰ-পাণ মছলা খোৱা দৃশ্য এক সাধাৰণ কথা হৈ পৰিছে। জ্যেষ্ঠ- কনিষ্ঠৰ কথা লক্ষ্য নকৰি শিখৰৰ পেকেট খুলি মুখত লোৱাটো এতিয়া তেনেই সহজলভ্য দৃশ্য হৈছে। যুব প্ৰজন্মৰ মাজত শিখৰ খোৱা প্ৰৱণতা ইমানেই বাঢ়ি গৈছে যে এতিয়া সকলোকে চিন্তিত কৰি তুলিছে। এই দৃশ্য অকল পাণ দোকানতেই সীমিত হৈ থকা নাই। আমাৰ অসমৰ গাঁৱে-ভূঞে, চহৰে-নগৰে বিয়পি গৈছে। বৰ্তমান অত্যধিক মাদক দ্ৰব্য যেনে- চাধা, চিগাৰেট, পাণ মছলা, গুটখা আদিৰ প্ৰচলনেই সমাজলৈ এক ভয়াৱহ বাৰ্তা কঢ়িয়াই আনিছে। বহু সময়ত দেখা যায় যে মাদক দ্ৰব্য খোৱাজন বা সেৱন কৰাজনে স্থান বা কালৰ বিচাৰ নাৰাখে। বিশেষকৈ কাহিলীপুৱাতেই যোৱা যাত্ৰীবাহী বাছ কেইখনত এনেকুৱা দৃশ্য সহজলভ্য। বাছৰ বাবে ৰৈ থকা প্ৰায়বোৰ যাত্ৰীৰে এখন হাতত এটা মোনা আৰু আনখন হাতত এটা চিগাৰেট। একেই দৃশ্য শিখৰ খোৱা যাত্ৰীৰ ক্ষেত্ৰটো প্ৰযোজ্য হয়। যাত্ৰী সকলে বাছখন ওচৰলৈ আহিলে জ্বলোৱা চিগাৰেট হাতত লৈয়ে বাছত উঠে আৰু অন্য কিছুমান যাত্ৰীৰ কথা শুনিবৰ ভয়ত দুৱাৰ মুখত হেণ্ডিমেনৰ সৈতে থিয় হৈ থাকে কিন্তু চিগাৰেটৰ ধোঁৱাই বাছখনৰ পৰিৱেশ প্ৰদূষিত কৰে। এইবোৰ কথালৈ তেওঁলোকৰ ভ্ৰূক্ষেপ নাই। আপুনি নীতি শিক্ষা দি'বলৈ গ'লে আপোনাৰ লগত তেওঁলোকে যুক্তি কৰিবলৈ উদ্যত হয়। আনকি বাছৰ কণ্ডাক্টৰ আৰু হেণ্ডিমেনবো (সকলো নহয়) সিহঁতৰ প্ৰতি সমৰ্থন থাকে। শিখৰ খুৱাবোৰো ব্যতিক্ৰম নহয়। গাড়ীত উঠিও আহিব আৰু শিখৰৰ পেকেতটো আধা খোলা কৰি মুখত সুমুৱাই আনিব। বাছখনৰ ভিতৰত যে কেনেকুৱা এক দুৰ্গন্ধময় পৰিৱেশৰ সৃষ্টি হয় সেই কথালৈ তেওঁলোকৰ ভ্ৰূক্ষেপ নাই। শিখৰ চোবাই থাকিব আৰু খিৰিকী মেলি বাহিৰলৈ পিক পেলাব, দুৰ্গন্ধৰ লগতে কি এক অস্বস্থিকৰ পৰিৱেশ সৃষ্টি হয় সেয়া ভুক্তভোগীয়েহে বুজি পায়।

অসমৰ অভাৰ ব্ৰীজ, ৰাস্তা-ঘাট বা অসমীয়া সংস্কৃতি প্ৰতিফলন কৰা ছৱিবোৰত পিক পেলাই লেতেৰা কৰাৰ ক্ষেত্ৰত এইবোৰ জীৱশ্ৰেষ্ঠৰে অৰিহনা বেছি। তেওঁলোকৰ দৃষ্টিত ধুমপান বৰ্জিত এলেকা বুলি লিখা কথাষাৰি তেনেই অৰ্থহীন। বৰ্তমান অসমত সৰু সৰু ল'ৰা-ছোৱালীৰ পৰা কিশোৰ-কিশোৰী সকলোলৈকে মাদক দ্ৰব্য সেৱন কৰা কাৰ্যটো সাধাৰণ ঘটনালৈ পৰিণত হৈছে। সমাজৰ বাবে এই ভয়াৱহ ব্যাধিটো ৰোধ কৰাৰ ক্ষেত্ৰত কোনো সচেতন লোক বা অনুষ্ঠান-প্ৰতিষ্ঠানক বিশেষ ভূমিকা পালন কৰা দেখা নাই। অৱশ্যে দুই-এটা ব্যক্তি বা প্ৰতিষ্ঠানে মাদক দ্ৰব্যৰ বিষয়ে আলোচনা নকৰাকৈ থকা নাই যদিও সংবাদ মাধ্যমে তেওঁলোকৰ কথাবোৰ ৰাইজৰ মাজলৈ লৈ যোৱাৰ ক্ষেত্ৰত বিশেষ ভূমিকা ৰূপায়ণ কৰা পৰিলক্ষিত হোৱা নাই। বিষয়টো ইমানেই গম্ভীৰ পৰ্যায় পাইছে যে এতিয়া উচ্চ প্ৰাথমিকৰ ছাত্ৰৰ হাতটো পাণ মছলাৰ পেকেট থাকে। যেতিয়াই বিদ্যালয়ৰ খেল পথাৰ চাফা কৰা হয় তেতিয়াই উৰহী গছৰ উৰ ওলাই পৰে। শিক্ষক-শিক্ষয়িত্ৰীৰ অজ্ঞাতে বহু ছাত্ৰই গাঁৱৰ পাণ দোকানত পোৱা পাণ মছলা জাতীয় বস্তু সেৱন কৰে। বিদ্যালয়ৰ ১০০ মিটাৰত থকা কোনো পাণ দোকানতে গুটখা জাতীয় সামগ্ৰী নাৰাখে কিন্তু গাঁৱ সমূহৰ অন্য দোকানত দেখিবলৈ পোৱা যায়। সেয়েহে এইক্ষেত্ৰত চৰকাৰ কঠোৰ হোৱাৰ প্ৰয়োজন।

বৰ্তমান উত্তৰ-পূৰ্বাঞ্চলত হেনোঁ কৰ্কট ৰোগ বৃদ্ধি হ'বলৈ ধৰিছে। প্ৰায়ে কাকতে-পত্ৰই পায়ে থাকোঁ। গতিকে এই বিষয়টো আমাৰ বাবে নিশ্চয়কৈ এক চিন্তাৰ কাৰণ। বহু সময়ত চৰকাৰৰ ফালৰ পৰাও টি.ভি. বা অন্য প্ৰচাৰ মাধ্যমত এই ৰোগৰ ভয়াৱহতাৰ বিষয়ে প্ৰচাৰ কৰি থকা দেখা যায় যদিও মানুহবোৰে আশা কৰা ধৰণে সজাগ হোৱা নাই। মাননিয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটৰ চৰকাৰখনে প্ৰথম অৱস্থাত ড্ৰাগছ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত যি ব্যৱস্থা গ্ৰহণ কৰিছিল ঠিক তেনেকৈ অন্য মাদক দ্ৰব্য ৰোধৰ ক্ষেত্ৰটো কঠোৰ সিদ্ধান্ত ল'ব বুলি অসমৰ ৰাইজে আশাৰে বাট চাই আছে। লগতে যাত্ৰীবাহী বাছত শিখৰ-চিগাৰেট খোৱা কেইটাৰ ওপৰত কঠোৰ শাস্তিমূলক ব্যৱস্থা লওক। কাৰণ যাত্ৰীবাহী বাছখনত শিশুৰ পৰা বহু বয়োজ্যেষ্ঠ ব্যক্তি থাকে। কণ-কণ শিশুৰ ভৱিষ্যৎ ৰক্ষাৰ কাৰণে মুখ্যমন্ত্ৰীয়ে ব্যৱস্থা লওক। গাঁও সমূহত থকা দোকানবোৰত ১৮ বছৰৰ তলৰ শিশুক দোকানীয়ে মাদক দ্ৰব্য বিক্ৰী কৰিলে দোকানীক কঠোৰ শাস্তি প্ৰদান কৰক। কাৰণ আজিৰ শিশু অনাগত দিনৰ দেশৰ ভৱিষ্যৎ। গতিকে মাননিয় মুখ্যমন্ত্ৰীয়ে বিষয়টো গুৰুত্ব সহকাৰে ল'ব বুলি অসমীয়া ৰাইজে আশাৰে ৰৈ আছে।(মোবাইল নং: - ৮০১১২৭১১৫৭)



# থাৰ্কোৰ ৰেংমা আউলিং

মুন ৰাজবংশী

আবেলিৰ সময়। বেলিটোৱে তেতিয়া পাতত বহিব লৈছিলহে, এনেতে সম্মুখত থকা ওখ পাহাৰখনৰ পৰা ঠিক সিমান ওখও নহয় বুলিব পাৰি, চৌপাশে আৱৰি থকা ওখ ওখ শাল আৰু চেগুন গছৰ মাজেৰে একাঁ বেঁকা সৰু বাটটোৰে তললৈ তাই নামি আহিছিল। দহ বাৰ বছৰীয়া বয়সৰ হ'ব তাই। মুখৰ উজ্জ্বল বৰণত নামি অহা ঠাইখিনি তাইৰ ৰূপৰ উজ্জ্বলতাত পোহৰাই উঠিছিল। তাইৰ দুয়োখন হাততে দুখন ডাঙৰ প্লাষ্টিকৰ বেগ ( মোনা )। মোনা দুখনৰ ভিতৰত কচুফুল, কেইটামান কলডিল, কিছু পৰিমাণে বাৰীৰ ঢেকীয়াশাক, চাৰি পাচমুঠি কচুৰ লতি, বকফুল আৰু বিভিন্ন কেঁচা শাক পাচলিৰে তাই আহল বহল পৰিসৰৰ ডাঙৰ পথটোৰ একাষে এটা ডাঙৰ দীঘল প্লাষ্টিকখন ধুনীয়াকৈ মাটিত শুৱাই দি তাৰ ওপৰত ধুনীয়া ধুনীয়া শাক পাচলিবোৰ চিজিল কৰি লগাই আছে। তাইৰ লগতে এজন এজনকৈ কেইবাজনেও তাত নানা ধৰণৰ শাক পাচলি লৈ বহি ল'লে। দুই এজনে এখন এখনকৈ শাক পাচলি বোৰৰ দাম দৰ কৰি গৈ আছে, তাৰ ভিতৰত কিছু মানে আকৌ দুই এটা বস্তু লৈছেও।

তেনেতে এজন বৃদ্ধলোক হাতত এখন মোনা লৈ নিজৰ ঘৰলৈ কিছু ভাল শাক পাচলি লৈ যাওঁ বুলিয়েই থিয় হ'ল সেই ধুনীয়া দহ বাৰ বছৰীয়া ছোৱালী জনীৰ সম্মুখত, বৃদ্ধলোকজনে ছোৱালী জনীয়ে চিজিল কৰি লগাই থোৱা বনৰীয়া শাক পাচলি বোৰলৈ ঘূৰি ঘূৰি চাই তাইক সুধিলে;ঐ, ছোৱালী এইবোৰ কেনেকৈ দিছ... ?

লওক, এয়া মুঠি বাৰ টকা, এয়া বিশ টকা, এইটো নিয়ক, এইটো পোন্ধৰ টকাত তিনিটা পাব,কি ? দামটো অলপ বেছি যেন লাগিছেও তোৰ ওচৰত ? লোকজনে তাইৰ চকুলৈ চাই ক'লে,

নাই নাই, বেছি হোৱা নাই, আমি ঘৰৰ পাচলি আনিছো। বজাৰৰ পৰা আমি বস্তু লৈ বিক্ৰি নকৰোঁ; সেইবোৰ খালে শৰীৰটো খুব বেয়া হয়।

সেই দহ বাৰ বছৰীয়া ছোৱালী জনীৰ মুখত এটা এটা সুন্দৰ বাক্য শুনি বৃদ্ধলোকজনে দাম দৰ নকৰি তাইৰপৰা প্ৰতিটো বস্তু অলপ অলপকৈ উঠাই লৈ মোনাখনত ভৰাই ল'লে। তাৰ পাছত আৰু এজন গ্ৰাহক আহি এইবাৰ তাইৰ পৰা সকলোখিনি পাচলিয়ে উঠাই লৈ কিমান টকা হ'ল বুলি তাইক হিচাপ কৰিব ক'লে, তাই প্ৰতিটো বস্তুৰ দাম আঙুলিৰ মুৰত ধৰি ধৰি গণিবলৈ আৰম্ভ কৰিলে। ছোৱালী জনীৰ গণনা কৰা দৃশ্যটো দেখি গ্ৰাহকজনে তাইৰ চকুলৈ চাই থাকিল। তাইৰ সৰু অথচ ধুনীয়া মৰম লগা চকুযুৰি, গোলাপৰ কোমল পাহি যেন ওঁঠদুটিৰে লাহি কোমল আঙুলিৰ পাৰবোৰ। সোঁহাতৰ আঙুলিটোৰে বাওঁহাতৰ আঙুলিৰ মুৰত ধৰি গণনা কৰি থাকোঁতেই গ্ৰাহক জনে তাইক ক'লে; হ'ল নে তোমাৰ হিচাপ কৰা ?

ৰ'ব হিচাপ কৰি আছোঁ।

হ'ব দিয়া ময়ে হিচাপ কৰি দিওঁ। কোৱাচোন ক'ত কি দাম লগাইছা ?

এইটোত বিশ টকা, এয়া পোন্ধৰ টকা, সেইটো দহ টকা, এইটো বাৰ টকা উম, এতিয়া গোটেইখিনি মিলালে তোমাৰ টকা হ'ল সৰ্বমুঠ ১৫৫ টকা। তাই অলপ আচৰিত হ'ল, ইমান বোৰ পাচলিত মাত্ৰ ১৫৫ টকা... ? তাই গ্ৰাহক জনৰ মুখৰ ফালে চাই ক'লে, কিবা ভুল হৈছে নেকি চাওকচোন ভালকৈ এবাৰ, নাই হোৱাতো, গ্ৰাহক জনে ক'লে, নহয়, নহয়, কিবা ভুল হৈছে হিচাপ কৰোঁতে আমাৰ; তাইৰ নম্ৰ ভাৱনাত গ্ৰাহক জনে মোনাখনৰ পৰা গোটেইখিনি বস্তু উলিয়াই লৈ এইবাৰ এপদ এপদকৈ ভালকৈ হিচাপ কৰি ভৰাই থাকিল মোনাখনত। গোটেইখিনি বস্তু শেষত হিচাপ কৰি পালে ২২৫ টকা। এইবাৰ তাইৰ চকুযুৰি উজ্জ্বল হৈ উঠিল। ওঁঠত এটি আশাৰ মিঠা হাঁহিৰে ৰঙীণ কৰি তুলিলে নিজকে, ঠাইডোখৰ লগতে গ্ৰাহক জনকো। গোটেইখিনি টকা একলগত ভাঁজ কৰি হাতৰ মুঠিত খুব জোৰকৈ টিপা মাৰি ধৰি মোনা দুখন লৈ দেও দেও দি দি নাচা বনৰ হৰিনীজনীৰ দৰে তাইয়ো জঁপিয়াই নাচি বাগি ঘৰলৈ গ'ল। অচিনাকি মৰম লগা ছোৱালী জনীক দেখি গ্ৰাহক জনে তাইৰ নামটোকে সুধিব পাহৰি থাকিলে, ইমান সময়ে তাইৰ লগত কথা হোৱাৰ পাছতো নামটো নো কি জানিবলৈ বৰ ইচ্ছা হ'ল মনত, সেয়ে গ্ৰাহক জনে কিছু দূৰ আগুৱাই গৈ আনখন দোকানৰ দোকানীজনক ছোৱালী জনীৰ নামটো নো কি সুধিলত তাইৰ নাম ৰেংমা আউলিং বুলি ক'লে। ৰেংমা আউলিং ? এক আচৰিত আৰু অদ্ভুত নাম এটা কাণত পৰাৰ লগে লগে গ্ৰাহকজন আচৰিত হৈ উঠিল,

তেওঁ আচৰিত হৈ পুনৰ দোকানী জনলৈ চোৱাত দোকানী জনে ক'লে, প্ৰথমে অলপ আচৰিত যেন লাগেই দিয়ক, আচলতে তাইৰ নামটো আমাৰ পূৰ্বপুৰুষৰ লগত সংযোগ আছে বুজিছে। ৰেংমা হৈছে আমাৰ এই অঞ্চলৰ এগৰাকী মুক্তি যুঁজাৰুৰ নাম আৰু আউলিং হৈছে এটা জনগোষ্ঠীৰ নাম। মুক্তি যুঁজাৰু ৰেংমাৰ মৃত্যুৰ দিনাই এই ছোৱালী জনীৰ মাকক জন্ম দিয়াৰ পাছতেই তাইৰ আইতাক ঢুকাই থাকিল। তাৰ পাছত আকৌ এবাৰ এই ঠাইত এটা বহুত ডাঙৰ জাতি জনগোষ্ঠীক লৈ গন্দোগোল লাগিছিল সেই সময়ত এই ছোৱালীজনী মাকৰ গৰ্ভতে আছিল, সেই সময়ত আমাৰ ইয়াত এই পাহাৰখন সম্পূৰ্ণ খালি হৈ পৰিল। ইয়াৰ লোকসকল কলৈ গ'ল কোনেও নাজানিলে, এটা খবৰো নাপালে। লাহে লাহে বিপদ মুক্ত হ'ল, কিন্তু ছোৱালী জনীৰ মাক ইয়াৰ পৰা কলৈকো নগৈছিল, তেওঁ কৈছিল; যদি মৃত্যু মোৰ কপালত লিখা আছে, তেনেহ'লে আন ঠাইলৈ গ'লেও মৃত্যু বৰণ কৰিবই লাগিব। গতিকে আন ঠাইত মৃত্যু বৰণ কৰাতকৈ নিজ ঠাইতে মৃত্যু বৰণ কৰি জীৱন সাৰ্থক কৰাই উত্তম পথ। আজিৰ এইজনী ৰেংমা আউলিং তেতিয়া মাকৰ গৰ্ভৰ পৰা এই পৃথিৱীলৈ আহিবৰ বাবে পেটত ছটফটাই আছিল; কিছু দিন পাৰ হোৱাৰ পাছত তাই এইখন পৃথিৱীত ভৰি দিলে। জন্মৰ এমাহ পূৰ্ণ নহওতে তাইৰ মাকজনীও এই পৃথিৱীৰ পৰা তাইক অকলে এৰি থৈ সিপুৰীলৈ বিদায় মাগিলে। বাপেকে কঠোৰ পৰিশ্ৰম কৰি তাইক ডাঙৰ দীঘল কৰাত অশেষ কষ্ট ত্যাগ কৰিলে। ৰেংমা আউলিং লাহে লাহে তাই ডাঙৰ হৈ এজনী ৰমণী গাভৰু হৈ উঠিল। তাৰ বহু পাছত পাহাৰখনলৈ এজন দুজনকৈ মানুহ আহি ইয়াত ঘৰ সাজি থাকিবলৈ ল'লে। এটাৰ পাছত দুটা, দুটাৰ পাছত তিনিটা এনেকৈয়ে এদিন এই পাহাৰখন সম্পূৰ্ণ হৈ উঠিল। ৰেংমাই পৰিস্থিতিৰ লগত যুদ্ধ কৰি গ'ল, সময়ে হাঁহিব ধৰিলে, নিয়তিয়ে ৰেংমাক পৰিহাস কৰিব আৰম্ভ কৰিলে, তাই কিন্তু এই সকলোৰ লগতো যুদ্ধ চলাই গৈ থাকিল। তাই হাৰ নামানি আগবাঢ়ি গৈ থাকি এদিন ভয়ংকৰ পৰিবেশ পৰিস্থিতিৰ সম্মুখীন হ'ব লগীয়া হোৱাত অসহায় হৈ ভাগৰি পৰিছিল।

তেতিয়া সময়টোৱে এনেকুৱা আছিল যে সিহঁতে থকা থাৰ্কো পাহাৰখনত যিমানবোৰ শাল চেগুন গছ আছে সেইবোৰ চৰকাৰে সংৰক্ষিত কৰি ৰাখিবলৈ তাত এখন ডাঙৰকৈ ছাইনবোৰ্ড লগালে। তেওঁলোকে এইটোও এনাউন্সমেণ্ট কৰিলে যে এই পাহাৰখনত যিমানবোৰ ঘৰ দুৱাৰ আছে, তেওঁলোকে যেন অতি শীঘ্ৰেই ইয়াৰ পৰা অন্য ঠাইলৈ স্থানান্তৰ হয়। যদি কোনো কাৰণত তেওঁলোকে ঠাই এৰি নিদিয়ে তেন্তে ইয়াৰ বাবে বিহিত ব্যৱস্থা হাতত লোৱা হ'ব বুলি জাননী জাৰি কৰি থৈ যায়। লগে লগে পাহাৰখনৰ লোকে ঘৰবোৰ খালি কৰি দিবলৈ আৰম্ভ কৰি দিলে। তেনেতে ৰেংমাই সকলোকে বাধা দি ক'লে, ইয়াৰ পৰা কোনেও কলৈকো নাযাব; এই ঠাই আমাৰ, এই গছ গছনি চৰকাৰে পুতি থৈ যোৱা নাছিল বা ইয়াত এই গছ নিজেই ফুটি ওলোৱা নাছিল, এই গাছ গছনি আমি ৰোৱা, এই বাগান আমি নিজেই সজাই তুলিছোঁ। নিজৰ সময় কষ্ট ত্যাগ কৰি আজি আমাৰ পাহাৰখনক সেউজীয়া কৰি তুলিছোঁ, ইয়াত চৰকাৰে জাননী জাৰি কৰিলেই নচলিব। মই আকৌ কৈছোঁ, ইয়াৰ পৰা কোনেও এখোজ পিছুৱাই নাযাব; এতিয়া সময় আমাৰ হাতত। লাগিলে ইয়াৰ বিৰোধিতা আমি কৰিব পাৰোঁ। ৰেংমা আউলিংৰ কথা শুনি সকলোৱে তবধ মানিলে। সময় বাগৰি গ'ল, কিছু দিনৰ পাছত আকৌ ফৰেষ্টৰ মানুহ আহিলে, দেখা পালে এতিয়াও ইয়াৰ লোকসকল যোৱাই নাই; সেয়েহে ফৰেষ্টৰ মানুহে পুনৰ এনাউন্সমেণ্ট কৰাত লগে লগে সেই ঠাইত উপস্থিত হ'ল ৰেংমা আউলিং, আৰু তেওঁ সকলো কথা বিবৃত দিয়াত তেওঁলোকে প্ৰথমে মানি লবলৈ টান পাইছিল যদিও তথ্য দেখুওৱাত মান্তি হ'ল। তেওঁলোকে অহা বাটে ঘূৰি গ'ল, এইবাৰ ৰেংমা আউলিংৰ জয় নিশ্চিত হোৱা দেখি সকলোৱে বিজয়ৰ উৎসৱ পালন কৰিলে। (মোঃ ৮১৩৩৯৩১৮১৩)

# বেশ্যা

উৎপল দাস

ইতিমধ্যে পৃথিৱীলৈ সন্ধিয়াখন নামি আহিছিল আৰু লাহে লাহে এন্ধাৰবোৰ ঘন হৈ পৰিছিল। সৰু চহৰখনৰ কেউটা দিশ বৈদ্যুতিক পোহৰেৰে উজলি উঠিছিল......।

সময় তেতিয়া ভালেখিনিয়েই হৈছিল। ন-পুৰণি সকলো কাপ্তমাৰ আহিছিল আৰু প্ৰত্যেকেই একোটা নিৰ্দিষ্ট সময়ত বিশেষ ঘৰটোৰ পৰা ওলাই গৈছিল। কিছুমান মদৰ নিচাত মাতাল আৰু কিছুমান তেনেই স্বাভাৱিক অৱস্থাত খুব সাৱধানে আহিছিল আৰু খুব সাৱধানে বিশেষ ঘৰটোৰ পৰা আঁতৰি গৈছিল। সেইদিনাখন কাপ্তমাৰবোৰলৈ চাই তাইৰ মুখত কিবা এক অৰ্থব্যঞ্জক হাঁহি বিৰিঙি উঠিছিল। কিয়নো, আজি ইমান দিনেই তাইৰ মনৰ ভিতৰভাগত দোলা দি থকা প্ৰশ্নৰ উত্তৰটো তাই সেইদিনাহে সঠিকভাৱে পাবলৈ সক্ষম হৈছিল।

সমাজত বদনামী অকল সিহঁতেহে হৈছিল। চৰিত্ৰহীনা, গণিকা, দেহোপজীৱিনী, বেশ্যা আদি কিমান যে বদনাম সিহঁতৰ মানুহবোৰৰ মুখত। সমাজত মানুহবোৰে ঘৃণাৰ চকুৰে অকল সিহঁতকহে চাইছিল, থুৱাইছিল। কিন্তু প্ৰকৃততে বেশ্যা অকল সিহঁতবোৰেই নাছিল, সিহঁতক বেশ্যা সজোৱা, দেহ বিক্ৰী কৰিবলৈ উদগনি জনোৱা মাতাল আৰু স্বাভাৱিক অৱস্থাৰ কাপ্তমাৰসকলো একো একোজন বেশ্যা হিচাপেই সেইদিনা চিহ্নিত হৈছিল। এইখন সমাজৰেই একো একোজন বেশ্যা হিচাপেই তাইৰ চকুত ধৰা পৰিছিল। সিহঁতৰ মাজত পাৰ্থক্য মাথোঁ এটাই আছিল। কাপ্তমাৰসকলে টকাৰ বিনিময়ত সিহঁতৰ দেহবোৰ ক্ৰয় কৰিছিল আৰু ইচ্ছানুসাৰে সিহঁতক তৃপ্তিৰে উপভোগ কৰিছিল। আৰু সিহঁত, এইজটিল সমাজখনত একমাত্ৰ পেটৰ তাড়নাত, জীৱন আৰু জীৱিকাৰ তাড়নাত ইচ্ছাৰ বিৰুদ্ধে গৈয়ো কাপ্তমাৰ সকলৰ হাতত নিজক সমৰ্পণ কৰিবলৈ বাধ্য হৈ পৰিছিল। কিন্তু তৎসত্বেও এই সমাজখনত অকল সিহঁতবোৰেই মানুহবোৰৰ বেয়া বদনামবোৰ মূৰ পাতি ল'বলৈ বাধ্য হৈ পৰিছিল। সমাজখনত ঘৃণাৰ পাত্ৰী হৈয়ো সিহঁতবোৰ নিৰ্বিবাদে জী আহিছিল।

" আহ লিলি। "

হাতত খামোচ মাৰি তাইক লিলি সম্বোধন কৰা বুঢ়া কাপ্তমাৰজনলৈ এবাৰলৈয়ো চোৱা নাছিল তাই। চোৱাৰ প্ৰয়োজনো বোধ কৰা নাছিল তাই। মাত্ৰ যন্ত্ৰৰ দৰে বুঢ়া কাপ্তমাৰজনৰ পিছে পিছে খোজ দিবলৈ বাধ্য হৈ পৰিছিল তাই......।

কামাতুৰ হৃষ্ট-পুষ্ট বুঢ়া কাপ্তমাৰজনৰ বৰ্ব্বৰতাত শেষলৈ অতিষ্ঠ হৈ পৰিছিল তাই। উশাহবোৰ প্ৰায় বন্ধ হওঁ হওঁ লাগিছিল তাইৰ। নিগৰিবলৈ ধৰা চকুপানীবোৰ কেনেৱাকৈহে লুকুৱাবলৈ সক্ষম হৈছিল তাই। কিন্তু তাৰ পিছতো বুঢ়া কাপ্তমাৰজনক বাধা দিবলৈ সাহসকণ কৰা নাছিল তাই। কিয়নো উপায়হীন আছিল তাই। আন সকলো পথ ৰুদ্ধ হৈ পৰিছিল তাইৰ। দুৰাৰোগ্যতাত ভুগা স্বামীৰ ব্যয় বহুল চিকিৎসাৰ লগতে তাইৰ সৰু পোনাটোৰ মৰমসনা হাঁহিটো জীয়াই ৰখাৰ দায়িত্বও সম্পূৰ্ণৰূপে অকল তাইৰ ওপৰতেই ন্যস্ত হৈ পৰিছিল। আৰু সেয়ে সেইখিনি সময়ত শিৰৰ সেন্দূৰকণ আৰু পোণাটোৰ মৰমসনা হাঁহিটো তাইৰ বাবে নিজৰ চৰিত্ৰতকৈয়ো মূল্যৱান হিচাপে বিবেচিত হৈছিল।

এটা সময়ত বুঢ়া কাপ্তমাৰজন এশ টকীয়া বান্দিলটো তাইৰ পিনে দলিয়াই পৰম সন্তোষেৰে আঁতৰি গৈছিল। আনপিনে তাই সন্তোষিত হোৱা বুঢ়া কাপ্তমাৰজনলৈ এক ঘৃণাৰ চকুৰে চাই পঠাইছিল আৰু দুয়োখন হাতেৰে এশ টকীয়া বান্দিলটো বুকুৰ মাজত সাৱটি ঠাইতে বহু সময়লৈ নিশ্চুপ হৈ বহি ৰৈছিল........।

" বেশ্যা, "

শব্দটো হঠাতে তাইৰ মুখেৰে উচ্চাৰিত হৈছিল আৰু পিছ মুহূৰ্ততে তাই হুকহুকাই কান্দি উঠিছিল। (ফোন - ৯৩৯৫৭১০৪২৪)

## গুৱাহাটী প্ৰেছ ক্লাবত বিশেষ অনুষ্ঠান

# আনুষ্ঠানিকভাৱে উন্মোচন ‘অসমীয়া বৰ্তমান’




*‘অসমীয়া বৰ্তমান’ উন্মোচনৰ বিশেষ মুহূৰ্তত ডঃ দয়ানন্দ পাঠক, ডঃ যতীন বৰুৱা, ডঃ বাবু ৰাভা হাকাচাম, বংকিম বৰুৱা, পৰেশ বৈশ্য*


















গুৱাহাটী প্ৰেছ ক্লাব
অসমীয়া বৰ্তমান
GAUHATI PRESS CLUB


GAUHATI PRESS CLUB




অসমীয়া বৰ্তমান


গুৱাহাটী প্ৰেছ ক্লাব




অসমীয়া বৰ্তমান
GAUHATI PRESS
GAUHATI PRESS CLUB


গুৱাহাটী প্ৰেছ ক্লাব
অসমীয়া বৰ্তমান



# মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ মন্তব্য

# সঠিক দিশেৰে আগবাঢ়িছে আলফা-চৰকাৰৰ শান্তি আলোচনা

**বৰ্তমান সংবাদ ঃ** অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আলোচনাপন্থী আলফাৰ সৈতে আলোচনা সঠিক দিশত আগবাঢ়িছে বুলি উল্লেখ কৰে। ডঃ শৰ্মাই কয় যে এই আলোচনাসমূহে গঠনমূলক দিশে গতি কৰিছে, অঞ্চলটোত অৱশেষত সমাধান আৰু শান্তিৰ আশাৰ পোষকতা কৰিছে। আলোচনাপন্থী আলফাৰ সৈতে চলি থকা আলোচনা সঠিক দিশত চলি আছে বুলি আশা প্ৰকাশ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে খিলঞ্জীয়াৰ পৰিচয় সুৰক্ষাৰ বাবে সংগঠনটোৰ এটা দাবী পূৰণ হৈছে সীমা নিৰ্ধাৰণৰ অনুশীলনৰ পিছত বিধানসভা আৰু সংসদীয় সমষ্টিৰ সীমা নিৰ্ধাৰণ কৰা, " এক আনুষ্ঠানিক বিবৃতিত কোৱা হৈছে। পৰেশ বৰুৱা নেতৃত্বাধীন আলফা স্বাধীনক আলোচনাৰ মেজলৈ অনাৰ সম্ভাৱনা সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে যে চৰকাৰেআগবঢ়োৱা প্ৰস্তাৱটো তেঁওলোকে গ্ৰহণ কৰিব। শৰ্মাই আৰু কয় যে ৰাজ্য চৰকাৰৰ ১ কোটি টকাৰ অমৃত বৃক্ষ আন্দোলনে ৰাইজৰ ভাল সঁহাৰি লাভ কৰিছে আৰু চৰকাৰে অধিক সংখ্যক লোকক জড়িত কৰাৰ সিদ্ধান্ত লৈছে যাতে এদিনতে নিৰ্ধাৰিত লক্ষ্য অতিক্ৰম কৰিব পাৰে। মঙলবাৰে সন্ধিয়া অসম হাউছৰ কনফাৰেন্স হলত ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে উপায়ুক্তসকলক নিৰ্দেশ দিয়ে মুখ্যমন্ত্ৰীয়ে যাতে অধিক সংখ্যক লোকে এই বৃহৎ অভিযানত জড়িত হয়, " বিবৃতিটোত আৰু কোৱা হৈছে। বিবৃতিটোত আৰু কোৱা হৈছে যে এই উদ্দেশ্যে সৃষ্টি কৰা এপটোত ৪৬ লাখতকৈ অধিক আবেদন লাভ কৰা হৈছে আৰু লগতে কয় যে, "মুখ্যমন্ত্ৰীয়ে কয় যে তেওঁ কামনা কৰে যে মানুহে ৰাজ্যখনত সেউজীয়া আৱৰণ বৃদ্ধি কৰিবলৈ দুটাতকৈ অধিক গছপুলি ৰোপণ কৰক"। ইয়াৰ উপৰিও কাইলৈ চন্দ্ৰযান ৩ চন্দ্ৰত অৱতৰণ কৰাৰ মুহূৰ্তত বিদ্যালয় আৰু প্ৰতিষ্ঠানত কাৰ্যসূচী অনুষ্ঠিত কৰিবলৈও উপায়ুক্তসকলক নিৰ্দেশ দিয়ে শৰ্মাই। তেওঁ তেওঁলোকক এই ঐতিহাসিক মুহূৰ্তটো প্ৰদৰ্শনৰ বাবে বিশাল পৰ্দা আৰু টিভি চেট স্থাপনৰ জৰিয়তে ব্যৱস্থা কৰিবলৈ কয় আৰু সফল চন্দ্ৰ অভিযানৰ পিছত ৰচনা প্ৰতিযোগিতাও অনুষ্ঠিত কৰিবলৈ কয়। পিছত সংবাদ মাধ্যমক অৱগত কৰি মুখ্যমন্ত্ৰীয়ে কয় যে শুকুৰবাৰে গুৱাহাটীত ১০০ সংখ্যক কেবিনেট বৈঠক অনুষ্ঠিত হ'ব আৰু তাৰ পিছত চৰকাৰে গ্ৰহণ কৰা সকলো সিদ্ধান্ত আৰু চৰকাৰে লোৱা কাৰ্যকৰীতাৰ ক্ষেত্ৰত ৰিপ'ৰ্ট কাৰ্ড লৈ আহিব চিন্তিত হৈ পৰিছে।



# এনপিছক লৈ ৰাজ্যজুৰি চৰকাৰী কৰ্মচাৰীৰ প্ৰতিবাদ

**অসমীয়া বৰ্তমান ঃ** নতুন পেঞ্চন নীতি বাতিল কৰি পুৰণি পেঞ্চন নীতি পুনৰ প্ৰৱৰ্তনৰ দাবীত মঙলবাৰে বঙাইগাঁও কলেজৰ শিক্ষক সকলে কৰ্মবিৰতিৰে প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখ যে সদৌ অসম চৰকাৰী এন পি এছ কৰ্মচাৰী সন্থাৰ আহবান মৰ্মে অসম কলেজ শিক্ষক সন্থাইও সমগ্ৰ ৰাজ্যতে দুদিনীয়া কৈ কৰ্মবিৰতিৰে আন্দোলন ঘোষণা কৰিছিল। তাৰে অংশ হিচাপে মঙলবাৰে অসম কলেজ শিক্ষক সন্থাৰ অন্তৰ্ভুক্ত বঙাইগাঁও কলেজ শিক্ষক গোটেও কৰ্মবিৰতিৰে প্ৰতিবাদ সাব্যস্ত কৰে। বঙাইগাঁও মহাবিদ্যালয়ৰ শিক্ষক সকলে পুৰণা পেঞ্চন নীতি বাহাল ৰখাৰ লগতে শিক্ষক সকলৰ কেইবাটাও দাবী পূৰণৰ বাবে চৰকাৰক আহবান জনায়। শিক্ষক কৰ্মচাৰী সকলে নতুন এন পি এছ কেতিয়াও মানি লোৱা নহ'ব বুলি স্পষ্ট কৰি ইয়াক বাতিল কৰিবলৈ চৰকাৰক আহবান জনায়।

### যোগীঘোপাত পুৰণি পেঞ্চন নীতি বাহাল ৰখাৰ দাবীত এন পি এছ কৰ্মচাৰীৰ কৰ্মবিৰতি পালন

অসমৰ চৰকাৰী কৰ্মচাৰী সকলৰ ভৱিষ্যত সুৰক্ষাৰ স্বাৰ্থত পুৰণি পেঞ্চন ব্যৱস্থা পুন: প্ৰবৰ্তনৰ দাবীত অসমৰ এন পি এছ কৰ্মচৰী সকলে দুদিনীয়া কাৰ্যসূচীৰে আজিৰে পৰা কৰ্মবিৰতি পালন কৰে। সদৌ অসম চৰকাৰী এন পি এচ কৰ্মচাৰী সংস্থাৰ আহ্বান মৰ্মে বঙাইগাঁও জিলা সমিতিৰ উদ্যোগত জিলাৰ বিভিন্ন প্ৰান্তৰ লগতে আজি পুৱা ১০ বজাত ঔদুবী হাই স্কুল আৰু মহাত্মা গান্ধী মহাবিদ্যালয়ৰ কৰ্মচৰী, শিক্ষক- শিক্ষয়িত্ৰী সকলে বিদ্যালয়ৰ আৰু মহাবিদ্যালয়ৰ চৌহদত নতুন পেঞ্চন নীতি বাতিল কৰি পুৰণি পেঞ্চন ব্যৱস্থা পুনৰ প্ৰৱৰ্তনৰ দাবীত সৰ্বাত্মক কৰ্ম বিৰতি পালন কৰে। ঔডুবী হাইস্কুলৰ শিক্ষক কৰ্মচাৰী সকলে পুৰণি পেঞ্চন নীতি বাহাল ৰাখক, স্কুলখনৰ টিউটৰৰ দৰমহা বৃদ্ধি কৰক, স্কুল প্ৰাদেশীকৰণ কৰক আদি শ্লোগান দি বিদ্যালয়খনৰ চৌহদত কৰ্মবিৰতি পালন কৰে। এক দেশ এক নীতি পুৰণি পেঞ্চন আমাৰ দাবী এই শ্লোগান আগত ৰাখি বিদ্যালয় খনৰ লগতে মহাত্মাৰ গান্ধী মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়ত্ৰী আৰু কৰ্মচাৰী সকলেও মহাবিদ্যালয়ৰ চৌহদত হাতে হাতে বেনাৰ পোষ্টাৰ লৈ কৰ্মবিৰতি কাৰ্যসুচী ৰূপায়ন কৰে। এন.পি.এছ বৰ্জন কৰক, অ পি এছ পুনৰ প্ৰৱৰ্তনৰ কৰক, আমৰ ভৱিষ্যত নিশ্চিত কৰক আদি শ্লোগান দি প্ৰতিবাদ সাব্যস্ত কৰে। ৰাতিপুৱা দহ বজাৰ পৰা আৰম্ভ কৰা কৰ্মবিৰতিৰ সময় খিনিত ছাত্ৰ-ছাত্ৰীক কোনো ধৰণৰ শিক্ষাদান দিয়াৰ পৰা বিৰত থকা পৰিলক্ষিত হয়। তেওঁলোকৰ দাবী পুৰণ নহলে অনাগত দিনত গণ আন্দোলন গঢ়ি তোলাৰ হুংকাৰ দিয়ে।

### হাজোত এন পি এছ শিক্ষক- কৰ্মচাৰীৰ কৰ্ম বিৰতি কাৰ্যসূচী ৰূপায়ণ

পুৰণি পেঞ্চন নীতি বাহাল ৰখাৰ দাবীত সমগ্ৰ হাজো অঞ্চলৰ এন পি এছ শিক্ষক-কৰ্মচাৰী সকলেও কলা বেজ পৰিধান কৰি বেনাৰ-প্লেকাৰ্ড প্ৰদৰ্শন কৰি কৰ্ম বিৰতি কাৰ্যসূচী ৰূপায়ণ কৰে। এক দেশ এক নীতি পুৰণি পেঞ্চন আমাৰ দাবী - শীৰ্ষক শ্লোগানেৰে একাংশ এন পি এছ শিক্ষক- কৰ্মচাৰীয়ে পৰিবেশ উত্তাল কৰি তোলে। এই এন পি এছ শিক্ষক- কৰ্মচাৰী সকলৰ দাবী পুৰণ নহলে অনাগত দিনত তীব্ৰ গণ আন্দোলন গঢ়ি তুলিব বুলিও ভাবুকি প্ৰদান কৰে।

### নতুন পেঞ্চন ব্যৱস্থা বাতিলৰ দাবীত আজাৰাতো কৰ্মচাৰীৰ কৰ্মবিৰতি

ৰাজ্যৰ বিভিন্ন ঠাইৰ লগতে আজাৰাতো আজি নতুন পেঞ্চন ব্যৱস্থা বাতিল কৰি পুৰণি পেঞ্চন ব্যৱস্থা বাহাল ৰখাৰ দাবীত আজাৰা ৰাজহ চক্ৰ কাৰ্যালয়ৰ সকলো কৰ্মচাৰীয়ে কৰ্মবিৰতি পালন কৰে। আজাৰা ৰাজহ চক্ৰ কাৰ্যালয়ৰ কৰ্মচাৰী সকলে কাৰ্যালয়ত উপস্থিত হৈ নিজ নিজ কৰ্মৰ পৰা বিৰত থাকে। একেদৰে আজাৰা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অধীনত কৰ্মৰত তথা নতুন পেঞ্চন নীতিৰ আওতাত পৰা সমূহ কৰ্মচাৰীয়ে আজি কৰ্মবিৰতি পালন কৰি পুৰণি পেঞ্চন নীতি বাহাল ৰাখিবলৈ চৰকাৰক দাবী জনায়। এই কৰ্মবিৰতি কাৰ্যসূচী অহা ২৩ আগষ্টলৈ বাহাল থাকিব বুলি কৰ্মচাৰী সকলে সদৰী কৰিছে

### ধুবুৰী ত সদৌ অসম চৰকাৰী এন পি এছ কৰ্মচাৰী সংস্থা ৰ উদ্দোগত দু দিবসীয় কৰ্ম বিৰতি পালন প্ৰধানমন্ত্ৰী লৈ স্মাৰকপত্ৰ প্ৰেৰন

সমগ্ৰ ৰাজ্যৰ লগতে ধুবুৰী ত আজি সদৌ অসম চৰকাৰী এন পি এছ কৰ্মচাৰী সংস্থা আজি কৰ্ম বিৰতি কাৰ্যসূচী পালন কৰে। অসমৰ চৰকাৰী এন পি এছ কৰ্মচাৰী সমাজৰ অবসৰকালীন সুৰক্ষা ৰ স্বাৰ্থত পুৰণি পেঞ্চন ব্যাবস্থা বহাল ৰখাৰ দাবীত আজি কৰ্ম বিৰতি পালন কৰে। পিচত সন্থাৰ পৰা জিলা আয়ুক্ত ৰ জৰিয়তে দেশৰ প্ৰধান মন্ত্ৰী লৈ এখন স্মাৰকপত্ৰ প্ৰেৰন কৰে। আনহাতে আজি ধুবুৰী গাৰ্লছ কলেজত ধুবুৰী ছোৱালী মহাবিদ্যালয় শিক্ষক কৰ্মচাৰী সন্থাৰ পৰা পুৰণি পেঞ্চন ব্যাবস্থা বহাল ৰখাৰ দাবীত কৰ্ম বিৰতি পালন কৰে।

### লখিমপুৰত এন পি এছ কৰ্মচাৰী সংস্থাৰ প্ৰতিবাদ

ৰাজ্যৰ ভিন্ন প্ৰান্তৰ দৰে লখিমপুৰতো আজি সদৌ অসম চৰকাৰী এন পি এছ কৰ্মচাৰী সংস্থাৰ লখিমপুৰ জিলা সমিতিয়ে কৰ্মবিৰতিৰে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। পুৰণি পেঞ্চন ব্যৱস্থা পুনৰ প্ৰতিষ্ঠা আৰু এন পি এছৰ অধীনত অৱসৰপ্ৰাপ্ত চৰকাৰী কৰ্মচাৰী সকলৰ অৱসৰকালীন সুবিধা প্ৰদানৰ দাবীত আজি এনেদৰে সংস্থাই কৰ্মবিৰতি পালন কৰে। জিলা সমিতিৰ সভাপতি ভাস্কৰ দলে, সম্পাদক প্ৰদীপ বৰুৱাৰ স্বাক্ষৰিত বিবৃত্তিত কয় যে ৰাষ্ট্ৰীয় পেঞ্চন আঁচনি (এন পি এছ) বাতিল কৰি পুৰণি পেঞ্চন ব্যৱস্থা প্ৰৱৰ্তন কৰা, অৱসৰকালীন এন পি এছৰ অধীনৰ কৰ্মচাৰীসকলক অৱসৰকালীনৰ সকলো সুবিধা প্ৰদান কৰা আৰু এন পি এছৰ আওতাত পৰা কৰ্মচাৰী সকলক চৰকাৰে ঘোষণা কৰা অনুসৰি ন্যুনতম ১০ (দহ) লাখ টকা ডি চি আৰ জি প্ৰদানৰ ব্যৱস্থা কৰাৰ দাবী জনাই আজি সংস্থাই লখিমপুৰৰ জিলা আয়ুক্তৰ জৰিয়তে ৰাজ্যৰ মুখ্যমন্ত্ৰীলৈ এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰে। তদুপলক্ষে আজি লখিমপুৰত এন পি এছৰ অধীনস্থ কৰ্মচাৰীসকলে কৰ্মবিৰতি পালন কৰে।

### তামুলপুৰত এন পি এছ কৰ্মচাৰীৰ কৰ্মবিৰতি - ৰাজপথত সমদলত নামিল এন পি এছ ৰ অধীনস্থ শিক্ষক কৰ্মচাৰী

সমগ্ৰ ৰাজ্যজুৰি নতুন পেঞ্চন নীতি বাতিল কৰি পুৰণি পেঞ্চন নীতি বাহাল ৰখাৰ দাবীত চৰকাৰী কৰ্মচাৰী সকলে আজিৰ পৰা দুদিনীয়া কৰ্মবিৰতি কাৰ্য্যসূচী পালন কৰে। তামুলপুৰ জিলাতো তামুলপুৰ জিলা চৰকাৰী এন পি এছ কৰ্মচাৰী সন্থাৰ উদ্যোগত বিভিন্ন চৰকাৰী কাৰ্যালয়ৰ লগতে শিক্ষানুষ্ঠান সমূহতো চৰকাৰী এন পি এছ কৰ্মচাৰীসকলে আজিৰ দিনটোত কৰ্ম বিৰতি পালন কৰিছে। প্ৰতিকূল বতৰকো নেওচি শ শ চৰকাৰী এন পি এছ কৰ্মচাৰীয়ে তামুলপুৰ হৰি মন্দিৰৰ সন্মুখৰ পৰা এক সমদল কৰি তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ যায়। কৰ্মচাৰী সকলে আমাক এন পি এছ নালাগে, আমাক ও পি এছ লাগিবই, নো ও পি এছ নো ৰেষ্ট আদি শ্লোগানেৰে পৰিবেশ উত্তাল কৰি তোলে। কৰ্মচাৰী সকলে তামোলপুৰ মহকুমাধিপতিৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰী আৰু ভাৰতৰ প্ৰধানমন্ত্ৰীলৈ এন পি এছ বাতিল কৰি ও পি এছ বাহাল ৰখাৰ দাবীত স্মাৰক পত্ৰ প্ৰেৰণ কৰে। আজিৰ কাৰ্যসূচীত তামুলপুৰ জিলা চৰকাৰী এন (ত্ৰয়োদশ পৃষ্ঠালৈ)

### ছয়খন জিলা তিনি শতাধিক অবৈধ কাঠফলা মিল চলি থকাৰ অভিযোগ

# নামনি অসমত চলি থকা কাঠৰ চোৰাং ব্যৱসায় বন্ধ কৰাৰ বাবে মুখ্যমন্ত্ৰীৰ হস্তক্ষেপ বিচাৰি ইকৰা ৰ পত্ৰ প্ৰেৰণ

**বঙাইগাঁও ঃ** নামনি অসমৰ কোকৰাঝাৰ, চিৰাং, ধুবুৰী, বঙাইগাঁও, বৰপেটা আৰু গোৱালপাৰা জিলাত চলি থকা কাঠৰ চোৰাং ব্যৱসায় বন্ধ কৰাৰ বাবে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক হস্তক্ষেপ কৰি ইয়াৰ লগত জড়িত দুৰ্নীতিগ্ৰস্ত বিষয়াসকলৰ বিৰুদ্ধে কঠোৰ শাস্তিমূলক ব্যৱস্থা গ্ৰহণৰ বাবে আবেদন জনাই আন্তঃৰাষ্ট্ৰীয় কোচ ৰাজবংশী সংস্থা (ইকৰা) ই মুখ্যমন্ত্ৰীলৈ এখন অভিযোগ পত্ৰ প্ৰেৰণ কৰিছে। মুখ্যমন্ত্ৰীলৈ মেইল তথা ডাকযোগে ইতিমধ্যে প্ৰেৰণ কৰা অভিযোগ পত্ৰখনত ইকৰাৰ সভাপতি ভদ্ৰেশ্বৰ বৰ্মন আৰু সম্পাদক চিত্তৰঞ্জন চৌধুৰীয়ে উল্লেখ কৰা মতে নামনি অসমৰ কোকৰাঝাৰ, চিৰাং, ধুবুৰী, বঙাইগাঁও, বৰপেটা আৰু গোৱালপাৰা জিলাত তিনি শতাধিক অবৈধ কাঠফলা মিল চলি আছে। ইয়াৰ উপৰিও চৰকাৰীভাৱে অনুমতি দিয়া ১০'' বিট কটা প্ৰায় ৮০টা মান কাঠফলা মিল চলি আছে। এই কাঠফলা মিলসমূহলৈ বিটিএডিৰ পৰা বহু মূল্যবান কাঠৰ কুণ্ডা উক্ত মিলসমূহলৈ সৰবৰাহ হৈ থাকে আৰু বিটিএডিৰ পৰা অহা এই অবৈধ কাঠসমূহৰ দ্বাৰা মিলবোৰ চলি আছে। বিটিএডিৰ পৰা অহা অবৈধ কাঠ সৰবৰাহত নামনি অসমৰ প্ৰতিজন জিলা বন সংমণ্ডল বিষয়াৰ পৰা আৰম্ভ কৰি আঞ্চলিক বন বিষয়ালৈ মাহিলি বৃহৎ পৰিমাণৰ ধনৰ লেন-দেন হয় বুলি গুৰুতৰ অভিযোগ উত্থাপন হৈ আহিছে আৰু ইয়াৰ ফলত অভিযোগ দিলেও বিষয়াসকলেও কোনো গুৰুত্ব নিদিয়ে বুলিও উল্লেখ কৰে। অভিযোগ পত্ৰখনত লগতে উল্লেখ কৰা মতে যি সময়ত চৰকাৰে গছপুলি ৰোপণৰ বাবে হাজাৰ হাজাৰ কোটি টকা খৰচ কৰিছে, গোলকীয় উষ্ণতা বৃদ্ধিয়ে বিশ্ববাসীৰ লগতে দেশবাসীক চিন্তিত কৰি তুলিছে, পৰিবেশ মন্ত্ৰণালয়ে গছ কটাৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰিছে, মহামান্য উচ্চতম ন্যায়ালয়েও কাঠফলা মিল খোলাৰ অনুমতিত বাধা আৰোপ কৰিছে, দেশৰ প্ৰধানমন্ত্ৰীৰ পৰা ৰাষ্ট্ৰপতিলৈকে গছপুলি ৰোপণ কৰাৰ বাবে প্ৰতিজন জনসাধাৰণক আহ্বান জনোৱাৰ লগতে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই অহা ১৭ চেপ্তেম্বৰত ৰ কোটি গছ ৰোপণ কৰি বিশ্ব ৰেকৰ্ড গঢ়াৰ পৰিকল্পনা গ্ৰহণ কৰাৰ উপৰিও জনসাধাৰণক প্ৰতিডাল গছপুলি ৰোপণৰ নামত ২০০-৩০০ টকাকৈ দিয়া হ'ব বুলি চৰকাৰে ঘোষণা কৰিছে, তেনে সময়তে নামনি অসমৰ বন বিষয়াসকলে বনদস্যুৰ ৰূপ ধাৰণ কৰি নিজৰ ব্যক্তিগত মুনাফাৰ বাবে নিষেধাজ্ঞা থকা সত্বেও দোকান খোলাৰ অনুমতি দিয়াৰ লগতে কাঠফলা মিলৰ অনুমতি দিয়া বুলিও গুৰুতৰ অভিযোগ উত্থাপন কৰিছে ইকৰাই। গতিকে মুখ্যমন্ত্ৰীক বিষয়টোৰ ওপৰত হস্তক্ষেপ কৰি দুৰ্নীতিগ্ৰস্ত বিষয়াসকলৰ বিৰুদ্ধে কঠোৰৰ পৰা কঠোৰতম শাস্তিৰ ব্যৱস্থা গ্ৰহণৰ বাবে অভিযোগ পত্ৰযোগে আবেদন জনাইছে আন্তঃ ৰাষ্ট্ৰীয় কোচ ৰাজবংশী সংস্থাৰ নেতৃত্বই।



# গোৱালপাৰা বিদ্যুৎ বিভাগৰ ব্যৰ্থতা

**গোৱালপাৰা ঃ** এফালে প্ৰচণ্ড গৰম আৰু আনফালে গোৱালপাৰা বিদ্যুৎ বিভাগৰ লুকা-ভাকু। গোৱালপাৰা বিদ্যুৎ বিভাগৰ সেৱাৰ ক্ষেত্ৰত অতিষ্ঠ হৈ পৰিছে সৰ্বসাধাৰণ ৰাইজ। দিনটোৰ ভিতৰত কেইবাবাৰো বিদ্যুৎ সেৱা কৰ্তন কৰে। আনপিনে বিদ্যুৎ মাচুল ক্ষেত্ৰত সস্ত্ৰম বিদ্যুৎ বিভাগ। বিদ্যুৎ মাচুলৰ বাবে এ পি ডি চি এলে যি স্মাৰ্ট মিটাৰৰ ব্যৱস্থা কৰিছে এই স্মাৰ্ট মিটাৰে ৰাইজক শোষণ কৰি আছে একপ্ৰকাৰৰ। ৰিছাৰ্জ শেষ হলে যিকোনো মুহূৰ্তত বিদ্যুৎ সেৱা কৰ্তন কৰি দিয়ে। বৰ্তমান অসমীয়া ভাদ' ৰ মাহৰ প্ৰচণ্ড গৰমে দহিছে জনসাধাৰণক তাৰ মাজতে গোৱালপাৰা বিদ্যুৎ সেৱাই জ্বলা-কলা খুৱাইছে চহৰবাসীক। ক্ষন্তেক সময় পিছে পিছে বিভিন্ন অজুহাত দেখুৱাই কৰ্তন কৰে বিদ্যুৎ সেৱা। যাৰ ফলত ৰাইজ বিপাঙত পৰিব লগা হৈছে। উল্লেখ্য যে এ পি ডি চি এলে নিৰ্ধাৰণ কৰা গৃহ ব্যৱহাৰকাৰী আৰু কমাৰচিয়েল ব্যৱহাৰকাৰীৰ সেৱাৰ প্ৰতি ইউনিটৰ বাবদ নিৰ্দিষ্ট মাচুল আদায় লোৱাৰ উপৰিও স্থিৰ মাচুলৰ বাবদ ৭০ টকা, বিদ্যুৎ সেৱা দিয়াৰ বাবদ ৫৬ টকা আৰু এফ'পি'পি'পি'এ' মাচুলৰ বাবদ ৫২ টকা আদায় লৈ আছে যদিও নিয়মীয়া বিদ্যুৎ সেৱাৰ ক্ষেত্ৰত সম্পুৰ্ণৰূপে ব্যৰ্থ হোৱা পৰিলক্ষিত হৈছে। তাৰ পৰিপ্ৰেক্ষিতত এতিয়া ৰাইজে বিভিন্ন অভিযোগ উত্থাপিত কৰিছে যে: বিদ্যুৎ মাচুলৰ ক্ষেত্ৰত আমি উপভোক্তা সকলে নিয়মীয়াকৈ ৰিছাৰ্জ কৰি আছো কিন্তু তাৰ বিপৰিতে উপযুক্ত বিদ্যুৎ



সেৱাৰ পৰা বঞ্চিত হৈ আছো । ইমানবোৰ মাচুল আদায় লোৱাৰ পিছতো এ পি ডি চি এলে কেৱল আমাক শোষণ চলাই আছে স্মাৰ্ট মিটাৰ যোগে আৰু লগতে বিদ্যুৎ মাচুলো পুৰ্বৰ তুলনাত বহু পৰিমাণে বৃদ্ধি পাইছে, এই বুলি অভিযোগ উত্থাপন কৰিছে গোৱালপাৰাৰ সৰ্বসাধাৰণ ৰাইজে। গোৱালপাৰা এ পি ডি চি এল'ৰ এনে ব্যৰ্থ সেৱাৰ ক্ষেত্ৰত গোৱালপাৰা জিলা প্ৰশাসনে ৰাইজৰ হকে কি ব্যৱস্থা গ্ৰহণ কৰিব পৰৱৰ্তী সময়চোৱাত সেৱা লক্ষণীয় হ'ব।

# ৰঙিয়া আৰক্ষীৰ জালত সন্দেহজনক হেৰ'ইনসহ মুন আলী

**ৰঙিয়াঃ** অপৰাধৰ বিৰুদ্ধে সষ্টম হৈ আছে অসম আৰক্ষী। এই ক্ষেত্ৰত পিছ পৰি থকা নাই ৰঙিয়া আৰক্ষীও। ৰাজ্যৰ অন্য প্ৰান্তৰ সমান্তৰালকৈ ৰঙিয়া আৰক্ষীৰ জালত পৰিছে সঘনাই ইটোৰ পিছত সিটোকৈ অপৰাধৰ লগত জড়িত থকা ব্যক্তি। এক গোপন তথ্যৰ ভিত্তিত ৰঙিয়া আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ভাস্কৰ মল্ল পাটোৱাৰীৰ নেতৃত্বত চলোৱা এক অভিযানত আটক হয় সন্দেহজনক হেৰ'ইনসহ মুন আলী নামৰ এজন যুৱক। আটকাধীন যুৱকজন ৰঙিয়াৰ নিকটৱৰ্তী উদিয়ানা গাঁৱৰ জেঙাতোলা চুবুৰীয়া ২৮ বছৰীয়া মুন আলী বুলি জানিবলৈ দিয়ে আৰক্ষীয়ে। অভিযানকালত আৰক্ষীয়ে মুন আলীৰ বাসগৃহত তালাচী চলাই ৰ্ব্ব গ্ৰাম সন্দেহজনক হেৰ'ইনৰ লগতে অসংখ্য খালি কণ্টেইনাৰ জব্দ কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে, দিনে-নিশাই আৰক্ষীয়ে ধাৰাবাহিকভাৱে অভিযান চলাই থকাৰ পিছতো আৰক্ষীৰ চকুত ধূলি দি একাংশই চলাই গৈছে মাৰাত্মক ড্ৰাগছৰ ৰমৰমীয়া বেহা। ইয়াকেই লৈ এতিয়া এক চিন্তনীয় বিষয় হৈ পৰিছে সমাজত। সম্প্ৰতি সন্দেহজনক ড্ৰাগছসহ আটক হোৱা মুন আলীক সোধা-পোচা কৰি অব্যাহত ৰাখিছে তদন্ত।

# হাবি জংঘলেৰে ঢাকি পেলালে টিংৰাই পুথিভঁৰাল, নিৰ্মাণো সম্পূৰ্ণ নহ'ল

**ডিগবৈ ঃ** ডিগবৈৰ টিংৰাইৰ এটা পুথিভঁৰালে সচেতন ৰাইজৰ চকু কপালত তুলিছে। অঞ্চলৰ একমাত্ৰ ৰাজহুৱা পুথিভঁৰালটো এতিয়া অগাধ হাবি - বননিয়ে ঢাকি পেলালে। যোৱা কংগ্ৰেছ চৰকাৰৰ অন্তিমটো কাৰ্যকালত তেতিয়াৰ ডিব্ৰুগড়ৰ সাংসদ তথা কেন্দ্ৰীয় মন্ত্ৰী পৱন সিং ঘাটোৱাৰে আধাৰশিলা স্থাপন কৰা পুথিভঁৰালটো প্ৰায় ৯০ শতাংশ কৰি কাম কৰি পেলাই থোৱা হ'ল। ফলত আজিৰ তাৰিখত পুথিভঁৰালটো চাৰিওফালে হাবি বননি য়ে আগুৰি ধৰিলে। গভীৰ বনাঞ্চলৰ মাজত থকা এটা জয়াল ভুত ৰ ঘৰ যে দেখি এই পুথিভড়াল টো। ডিগবৈ আঞ্চলিক ছাত্ৰ সন্থাৰ উপদেষ্টা দুৰ্লভ চেতিয়া ই পৰিদৰ্শন কৰি জ্ঞানৰ পোহৰ বিলোৱাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা পুথিভঁৰাল টোৰ এনে অদ্ভুত অৱস্থা দেখি উদ্বেগ প্ৰকাশ কৰে। কিয় পুথিভঁৰালটো অৰ্ধনিৰ্মিত অৱস্থাত থাকি গ'ল তাৰ তদন্ত ৰ দাবী তুলে ছাত্ৰনেতা জনে। এই পুথিভঁৰালটো ৰ কাষতে কেইবাখনো শিক্ষানুষ্ঠান, নামঘৰ, ৰাজহুৱা প্ৰেক্ষাগৃহ, ষ্টেডিয়াম থকাত পুথিভঁৰাল টোও সক্ৰিয় হোৱাতো অতি জৰুৰী বুলি উল্লেখ কৰি আছু নেতা চেতিয়া ই শীঘ্ৰে ইয়াৰ যাৱতীয় নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰি ছাত্ৰ-ছাত্ৰী তথা গ্ৰন্থ প্ৰেমী ৰাইজলৈ মুকলি কৰিবলৈ চৰকাৰক দাবী জনাই ।



# অসমীয়া ভাষা-সংস্কৃতিলৈ গভীৰ সংকট

**অনিৰ্বান দাস**

অসমৰ নৱপ্ৰজন্মৰ মাজত বৰ্তমান পশ্চিমীয়া সংস্কৃতিয়ে প্ৰাধান্য লাভ কৰিছে। এই কথা ধ্ৰুৱসত্য। পশ্চিমীয়া সংস্কৃতিৰ ইতিবাচক দিশটোতকৈ নেতিবাচক দিশটোৱেহে অসমৰ নৱপ্ৰজন্মক আকৰ্ষিত কৰিছে। অসমত শেহতীয়াকৈ নৱপ্ৰজন্মৰ মাজত গঢ়ি উঠা অপৰাধ প্ৰৱণতা আৰু তাৰ ধৰণ-কৰণে আমাক এই কথা ভাৱিবলৈ বাধ্য কৰাইছে। কেৱল অন্যান্য সংস্কৃতিয়ে নহয়, পশ্চিমীয়া ভাষা সংস্কৃতিয়েও অসমৰ নৱপ্ৰজন্মক গ্ৰাস কৰিছে যেন আমাৰ বোধ হয়। অসমীয়া ভাষাৰ মাজত প্ৰায়েই ইংৰাজী শব্দ ব্যৱহাৰ কৰাতো যেন আজিৰ নৱপ্ৰজন্মৰ মাজত ফেশ্বন হৈ পৰিছে। অৱশ্যে ইংৰাজী ভাষাৰ ভাষাৰ মূল ইণ্ডো ইউৰোপীয় ভাষা। অৰ্থাৎ সংস্কৃত, লেটিন, হিন্দী, ইংৰাজী, জাৰ্মান, বঙালী, অসমীয়া আদি ভাষাসমূহ স্বগোত্ৰী ভাষা। অৰ্থাৎ ইহঁতৰ উৎস একেটাই। ব্ৰিটিছসকলৰ বিশেষ পৃষ্ঠপোষকতাত তথা ভাষা প্ৰীতিৰ বাবেই আজি ইংৰাজী ভাষা সমগ্ৰ বিশ্বৰেই এক উমৈহতীয়া ভাষা হিচাপে স্বীকৃতি লাভ কৰিছে। বহু বিখ্যাত সাহিত্যিকৰ সাহিত্য ভাণ্ডাৰেৰে খচিত এই ভাষা অত্যন্ত ধনী ভাষাও। এই কথা প্ৰতিজন ব্যক্তিয়েই স্বীকাৰ কৰিবই লাগিব। ছেলী, কীটছ, বাইৰন, ৱৰ্ডছৱৰ্থ, ছেক্সপীয়েৰ আদি বিশ্বৰ বৰেণ্য সাহিত্যিকসকলৰ বৰেণ্য সাহিত্য ভাণ্ডাৰেৰে চহকী এই আন্তঃৰাষ্ট্ৰীয় ইংৰাজী ভাষা। তুলনামূলকভাৱে চাবলৈ গ'লে ইণ্ডো-ইউৰোপীয় ভাষা গোষ্ঠীৰ প্ৰতিটো ভাষাই সাহিত্যিক মানদণ্ডৰ ফালৰ পৰা চাবলৈ গ'লে অত্যন্ত চহকী। কাৰণ সংস্কৃত ভাষাও হৈছে ইণ্ডো-ইউৰোপীয় ভাষাগোষ্ঠীৰেই ভাষা আৰু এই ভাষাৰ সাহিত্যৰ কথা বহলাই কোৱাৰ অনুমান প্ৰয়োজন নহ'ব। ঠিক তেনেকৈ গ্ৰীক ভাষাও হৈছে ইণ্ডো-ইউৰোপীয় ভাষাগোষ্ঠীৰেই এটা ভাষা আৰু ভীষণ সাহিত্য তথা সংস্কৃতিৱান এই জাতিটোৰ উন্নত মানদণ্ডৰ ভাষাৰ প্ৰমাণ দিয়ে ইলিয়াড, ওডিচি, ইনিড আদি বিশ্ব শ্ৰেষ্ঠ মহাকাব্যসমূহেই। লেটিন ভাষাও পৰিমৰা বিধৰ নহয়, প্ৰতিটো বস্তুৰ বৈজ্ঞানিক নাম এই লেটিন ভাষাৰ শব্দৰেই ৰখা হয়। ইয়েই প্ৰমাণ কৰে যে লেটিন ভাষাও এক চহকী ভাষা।

ইণ্ডো-ইউৰোপীয় ভাষা গোষ্ঠীৰ এটা ঠাল সিন্ধু উপত্যকাইদি ভাৰতত প্ৰৱেশ কৰিছিলহি আৰু সেই ঠালটোৱেই ভাষা হিচাপে লগত লৈ আহিছিল বৈদিক ভাষা। খ্ৰীষ্টপূৰ্ব পোন্ধৰশ শতিকাতেই এই ইণ্ডো-ইউৰোপীয় ভাষাগোষ্ঠীটোৱেই ভাৰতত প্ৰৱেশ কৰিছিলহি আৰু এই ভাষাগোষ্ঠীটোৰ প্ৰথম সাহিত্য সৃষ্টিৰ স্বাক্ষৰ প্ৰদান কৰে ঋক বেদে। ইয়াৰ পিছত খ্ৰীষ্টপূৰ্ব ৫০০ শতিকাক পানিনিয়ে এই বৈদিক ভাষাক সংস্কাৰভূত কৰি এক ব্যাকৰণ ৰচনা কৰে আৰু ব্যাকৰণৰ পৰিগণ্ডিলৈ অহাৰ বাবেই এই বৈদিক ভাষাই সংস্কাৰভূত হৈ নাম পায় সংস্কৃত। পানিনিয়ে ৰচনা কৰা সেই বিশেষ ব্যাকৰণখনৰ নাম আছিল অষ্টাধ্যায়ী। প্ৰণিধানযোগ্য যে এই ব্যাকৰণেই হৈছে পৃথিৱীৰ প্ৰথমখন ব্যাকৰণ। ইয়াৰ আগতে কোনো ভাষাতেই কোনো ব্যাকৰণ ৰচিত হোৱা নাছিল। কালাক্ৰমত এই সংস্কৃত ভাষাৰ পৰাই জন্ম হয় পালি আৰু প্ৰাকৃত ভাষাৰ। প্ৰাকৃত হৈছে কথিত ভাষা। এই প্ৰাকৃতৰ প্ৰধান ভাগ আছিল পাঁচটা— মহাৰাষ্ট্ৰী, শৌৰসেনী, অৰ্ধ মাগধী, মাধধী আৰু পৈশাচী। পৈশাচী ভাষাটো অলপ আচহুৱা আছিল। আচলতে এই ভাষা ইণ্ডো-ইউৰোপীয় ভাষাগোষ্ঠীৰ অন্য এটি ঠাল দৰদীয় ভাষাৰহে কথিত প্ৰাকৃত ৰূপ আছিল। ভাষাটো আচহুৱা বাবেই এই ভাষাক পিশাচস্য ভাষা যস্য পৈশাচী অৰ্থাৎ পিশাচৰ ভাষা যি সিয়েই পৈশাচী নামে নামাংকৃত কৰা হৈছিল। বৰ্তমানৰ কাশ্মীৰি ভাষা এই পৈশাচীৰেই বৰ্তমানৰ ৰূপ। বাকী চাৰিটা প্ৰাকৃতৰ ভিতৰত মাগধী প্ৰাকৃতৰ পৰাই আধুনিক অসমীয়া, বঙালী, উড়িয়া, ভোজপুৰী আদি ভাষাৰ জন্ম হ'ল। ঠিক তেনেকৈ মহাৰাষ্ট্ৰী ভাষাৰ পৰা জন্ম হ'ল— হিন্দী ভাষাৰ। এই সমুদায় ভাষা হৈছে প্ৰাচীন ইণ্ডো-ইউৰোপীয় ভাষাৰ নব্যতম সংস্কৰণ। বিভিন্ন উত্থান পতনৰ মাজেৰে আহি আহি আজি এই ভাষাসমূহে এক স্বকীয় ৰূপ লাভ কৰিছে।

প্ৰণিধানযোগ্য যে প্ৰাচীন ভাৰতত প্ৰথম লিখিত সাহিত্যৰ জন্ম হৈছিল বৈদিক ভাষাত আৰু ইয়াৰ পাছত সংস্কৃত ভাষাত। বৌদ্ধ ধৰ্মৰ জন্মৰ লগে লগে পালি ভাষাত সাহিত্যৰ সৃষ্টি হ'বলৈ আৰম্ভ কৰে। ইয়াৰ পিছৰছোৱা কেইবাজনো সংস্কৃত সাহিত্যিক যেনে- কালিদাস, ভৱভূতি আদিয়ে তেওঁলোকৰ সাহিত্যৰাজিত সংস্কৃতৰ লগতে প্ৰাকৃত ভাষাসমূহকো বিশেষ আগভাগ প্ৰদান কৰে। ৰজা আৰু ব্ৰাহ্মণৰ ক্ষেত্ৰত এই সাহিত্যিকসকলে সংস্কৃত ভাষাক ব্যৱহাৰ কৰিছিল আৰু ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰৰ ক্ষেত্ৰত প্ৰাকৃত ভাষাসমূহক ক্ৰম অনুযায়ী ব্যৱহাৰ কৰিছিল। ইংৰাজ ভাৰতলৈ অহাৰ আগমুহূৰ্তত ভাৰতত অন্য এক মিশ্ৰিত ভাষাই জন্ম লাভ কৰে আৰু এই ভাষা হৈছে উৰ্দু। হিন্দী, পাৰ্চি, আৰবী আদি পাঁচটাকৈ ভাষাৰ সংমিশ্ৰণৰ ফলতেই জন্ম হৈছিল উৰ্দু ভাষাৰ। উৰ্দু ভাষাৰো সাহিত্যৰাজি পৰিমৰা বিধৰ নহয়। ঠিক তেনেকৈ ভাৰতত থকা চীন-তিব্বতবৰ্মী ভাষাগোষ্ঠী, ছেমিয় হেমিয় বা অন্যান্য ভাষাগোষ্ঠীৰ ভাষাও বহুসংখ্যক আছে আৰু এই ভাষাগোষ্ঠীসমূহৰো বহুসংখ্যক লিখিত সাহিত্য বিৰাজমান। ভাৰতত সংস্কৃত আৰু প্ৰাকৃত ভাষাত সাহিত্যৰাজি সৃষ্টি হোৱাৰ পাছতেই ইয়াৰ পৰা জন্ম হোৱা অন্যান্য ভাষাসমূহৰ ক্ষেত্ৰত সাহিত্যৰাজিৰ ক্ষেত্ৰত আটাইতকৈ আগৰণুৱা ভাষা হিচাপে পৰিগণিত হৈছিল অসমীয়া ভাষা। কাৰণ অন্যান্য ভাষা যেনে- হিন্দী, বঙালী বা উড়িয়া ভাষাত সাহিত্যৰ সৃষ্টি হোৱাৰ কুৰুং কাৰং কৰাৰ কমেও পাঁচশ বছৰৰ আগতেই অসমীয়া ভাষাত সৃষ্টি হৈছিল লিখিত সাহিত্য। ইয়াৰ প্ৰমাণ বৌদ্ধধৰ্মী উপাসনা গীত-মাত চৰ্যা গীত-পদসমূহেই বহন কৰে। ইয়াৰ পিছত খ্ৰীষ্টীয় দশম শকিকাত বৰাহী ৰজা মহামাণিক্যৰ মুখ্য পৃষ্ঠপোষকতাত মাধৱ কন্দলীয়ে অসমীয়া ভাষাত ৰামায়ণ ৰচনা কৰিছিল। উল্লেখ্য যে সংস্কৃত ভাষাৰ পিছত ইণ্ডো-ইউৰোপীয় ভাষাগোষ্ঠীৰ ভিতৰত সংস্কৃত ভাষাৰ পিছত অসমীয়া ভাষাতেই ৰামায়ণ প্ৰথমবাৰৰ বাবে ৰচিত হৈছিল। ইয়াৰ পিছত অসমীয়া ভাষাৰ উন্নতিৰ জখলাৰ বিষয়ে প্ৰতিজন অসমপ্ৰেমীয়েই ভালদৰে জানে।

ইংৰাজৰ আগমনৰ পিছত কিছুসংখ্যক বঙালীৰ প্ৰৰোচনাত পৰি অসমীয়া ভাষাই নিজৰ অস্বিত্ব হেৰুওৱাৰ উপক্ৰমত পৰিছিল যদিও কেইজনমান অসমপ্ৰেমীৰ অসমীয়া ভাষাক পুনৰুদ্ধাৰ কৰাৰ ক্ষেত্ৰত দিয়া অৱদানৰ বিষয়ে প্ৰতিজন অসমীয়াই আজিও শ্ৰদ্ধাৰে সুঁৱৰে। কিন্তু ইংৰাজে অসম এৰি গ'ল, অকল অসমেই নহয় ভাৰতেই এৰি গ'ল। কিন্তু ইংৰাজী ভাষা নগ'ল। প্ৰতিজন অসমীয়াই অনুমান বৰ্তমান পাহৰি পেলাইছে নিজৰ মৰমৰ এই মাতৃভাষা অসমীয়াৰ পুনৰোদ্ধাৰৰ ক্ষেত্ৰত হোৱা বিপ্লৱৰ কথা। সেয়ে নিজৰ মাতৃভাষাক একাষৰীয়া কৰি প্ৰতিজন অসমীয়া হৈ পৰিছে এতিয়া বিদেশী ভাষাৰ প্ৰেমিক। সেয়ে আজি অসমীয়াৰ মুখত যেন হৈ পৰিছে নিজৰ ভাষাটোৱেই এলাগি। আখৈ ফুটাদি ফুটে প্ৰতিজন অসমীয়া শিশু, কিশোৰ, যুৱক তথা বৃদ্ধ চামৰ মুখত বিদেশী ইংৰাজী ভাষা। এনেহে লাগে যেন অসমীয়া ভাষাত কথা-বতৰা পাতিলে বা নিজৰ ভাব-বিনিময় কৰিলে তেওঁলোকক যেন কোনোবাই অস্পৃশ্য বুলি ঘিণ কৰিব। এনে এটা ধাৰণাই মনত লৈ নিজৰ এই বিশাল সাহিত্য তথা এক ডাঙৰ ইতিহাস সমৃদ্ধ ভাষাটোক এলাগি কৰিবলৈ কুণ্ঠাবোধ নকৰে আজিৰ এই নৱ অসমীয়া জনতাই।

এই কথাই এতিয়া অসমীয়া ভাষা তথা অসমীয়া সংস্কৃতিলৈ এক গভীৰ সংকট কঢ়িয়াই আনিছে। ৰাজ্যৰ অগ্ৰণী জাতীয় সংগঠন তথা অনুষ্ঠান, ভাষা সচেতন সকলেও এইক্ষেত্ৰত বৰ ভূমিকা ল'ব পৰা নাই। সেয়েহে সমগ্ৰ অসমবাসীৰে নিজ ভাষা তথা সংস্কৃতিক ৰক্ষা কৰাতো অন্যতম সময়ৰ আহ্বান বুলি বিবেচিত হৈছে।



## বাৰ্ধক্য ঃ জীৱনক ভালপোৱা সময়

(চতুৰ্থ পৃষ্ঠাৰ পৰা) নে ল'ৰা-ছোৱালীৰ পৰা??

সাংসাৰিক জীৱনত সকলো দিশতে সিংহভাগ দখল কৰা পুৰুষসকলে নাৰীৰ এই বয়সৰ মানসিকতাক কম শ্ৰদ্ধা কৰা পৰিলক্ষিত হয়, বিশেষকৈ বৌদ্ধিক দিশত; যাৰ ফলত নাৰী জেদী, আত্মাভিমানী আৰু কিছু কিছু ক্ষেত্ৰত বিশৃংখল হৈ পৰাও দেখা যায়। তাৰ পৰিৱৰ্তে তেওঁলোকৰ মানসিক প্ৰয়োজন পূৰণ কৰিব পৰা সমৰ্থৱান পুৰুষসকলৰ সংসাৰবোৰ হয়তো সুকী; আৰু বাকীসকলৰ সংসাৰবোৰ হয়তো দুৰ্বিসহ যন্ত্ৰণাময়।

ষাঠিৰ ডেওনা অতিক্ৰম কৰা বেছি ভাগ পুৰুষ-নাৰীৰ বাবে শাৰীৰিক আহাৰতকৈ মানসিক আহাৰৰ গুৰুত্ব বেছি। অনুভৱী মনৰ প্ৰতি এই বয়সত পুৰুষ-নাৰী শ্ৰদ্ধাশীল হ'লেই, এই সময়ছোৱাৰ সংসাৰ হ'ব পাৰে সুখময়, প্ৰেমময় আৰু মংগলময়। এনে হ'লেহে হোমেন বৰগোহাঞিৰ ছাৰে কোৱা— . কথাষাৰ যথাৰ্থতা সকলো পুৰুষ-নাৰীৰ ক্ষেত্ৰতে প্ৰত্যায়িত হ'ব। শাৰীৰিক আৰু মানসিকবাৱে অভিজ্ঞ পুৰুষ-নাৰী উভয়ে নিজৰ নিজৰ শাৰীৰিক অৱস্থাতকৈ মানসিক অৱস্থাক অন্তৰেৰে অনুভৱ কৰি আগবাঢ়ি যাব পাৰিলেহে, এই গুৰুত্বপূৰ্ম বয়সছোৱাত মানুহে জীৱনটোক সঁচা অৰ্থত শান্তিৰে উপভোগ কৰিব পাৰিব।

গতিকে ষাঠিৰ ডেওনা পাৰ হৈ বাৰ্দ্ধক্যৰ স্তৱক আদৰিব খোজা এনে এক সন্মানীয় বয়সক অভিজ্ঞতাৰে জুখি লৈ সাহসেৰে আদৰিবলৈ সকলো মানুহেই প্ৰস্তুত হোৱা উচিত। এই ক্ষেত্ৰত, জীৱন যাত্ৰাত আমি লগ পোৱা বিভিন্ন ব্যক্তিৰ আন্তৰিকতাপূৰ্ণ চেনেহ-প্ৰীতিকো আঁকোৱালি লৈ, এই বয়সছোৱাত উপলব্ধ পথত আগবাঢ়ি যাব পাৰিলেহে আমাৰ জীৱন ধন্য হ'ব। কাৰণ, জীৱন বৰ অনুপম। এই অনুপম জীৱন কোনেই দুনাই নেপায়। সেয়ে আত্মোপলব্ধ প্ৰেম আৰু প্ৰেৰণাৰে বাট বুলি জীৱনক আমি মংগলময় আৰু ধন্য কৰিবলৈ যত্ন কৰা উচিত।

(লেখকৰ ফোন ঃ ৭০৮৬৭-৯৬৭২২)

## ভাৰতৰ চন্দ্ৰ জয় ঃ জোনবাইৰ দেশত চন্দ্ৰযান-৩

(প্ৰথম পৃষ্ঠাৰ পৰা) কোনো দেশেই পোৱা নাই। " আজিৰ পৰা চন্দ্ৰৰ লগত জড়িত মিথ্যাবোৰ সলনি হ'ব। চন্দা মামা বহু দূৰত বুলি কোৱা হৈছিল। এতিয়া ল'ৰা-ছোৱালীয়ে ক'ব যে চন্দা মামা মাত্ৰ ভ্ৰমণত আছিল। আমি পৃথিৱীত এটা সংকল্প লৈছিলো আৰু লগতে চন্দ্ৰতো সেইটো বাস্তৱত পৰিণত কৰিছিলো। ভাৰত এতিয়া চন্দ্ৰত। ' আমাৰ বিজ্ঞানীসকলৰ কষ্টৰে আমি তাত উপস্থিত হৈছো। এসময়ত কোৱা হৈছিল যে চন্দা মামা বহুত দূৰত, এতিয়া এনেকুৱা এটা দিন আহিব যেতিয়া ল'ৰা-ছোৱালীয়েও ক'ব যে চন্দা মামা কেৱল ভ্ৰমণৰ। এই সন্দৰ্ভত প্ৰধানমন্ত্ৰী মোদীয়ে কয় ইছৰোৱে চন্দ্ৰৰ দক্ষিণ মেৰুত লেণ্ডাৰ 'বিক্ৰম' অৱতৰণ কৰি মহাকাশ খণ্ডত এক নতুন ইতিহাসৰ সৃষ্টি কৰে ৰ'ভাৰ 'প্ৰজ্ঞান'। ইষ্টৰ সন্ধিয়া প্ৰায় ৬.০৪ বজাত ই চন্দ্ৰপৃষ্ঠ স্পৰ্শ কৰে। ইয়াৰ লগে লগে ভাৰতে চন্দ্ৰৰ দক্ষিণ মেৰুত কোমল অৱতৰণ কৰা বিশ্বৰ ভিতৰতে প্ৰথম দেশ হিচাপে পৰিগণিত হয় চন্দ্ৰৰ পৃষ্ঠত অৱতৰণ কৰা।

## সহায়ৰ হাত আগবঢ়াইছে ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আৰু অপৰাধ নিয়ন্ত্ৰণ ব্যুৰ'ৰৈ

(তৃতীয় পৃষ্ঠাৰ পৰা) কৰিবলগা হোৱাটো দুৰ্ভাগ্যজনক কথা। ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আৰু অপৰাধ নিয়ন্ত্ৰণ ব্যুৰ' আৰু তিনিচুকীয়াৰ জিলা আইন সেৱা প্ৰাধিকৰণে এই ক্ষেত্ৰত প্ৰচেষ্টা হাতত লৈ এনে অসহায় লোকক নিজ গৃহ তথা সমাজৰ মাজত জীৱন নিৰ্বাহ কৰাৰ সুযোগ প্ৰদান কৰিছে। সংস্থাৰ ৰাজ্যিক পৃষ্ঠপোষক তিলক সন্দিকৈয়েও এই প্ৰক্ৰিয়াত বিশেষ ভূমিকা গ্ৰহণ কৰি বন্দীসকলৰ বাবে আশাৰ কিৰণ কঞ্জয়িই অনাত ব্ৰতী হৈ পৰিছে। সংস্থাটোৰ লগতে জিলা আইন সেৱা প্ৰাধিকৰণে ব্যক্তিগত গোচৰৰ মূল্যায়নৰ বাবে আইনী বিশেষজ্ঞ আৰু সমাজকৰ্মীক লৈ এটি কোষ গঠন কৰিছে। দলটোৱে জামিনৰ প্ৰয়োজনীয়তা পূৰণ নকৰাৰ আঁৰৰ কাৰণসমূহ বিশ্লেষণ কৰি কয়দীসকলক আইনী পৰামৰ্শ আগবঢ়ায়।

## এনপিছক লৈ ৰাজ্যজুৰি চৰকাৰী কৰ্মচাৰীৰ




(দশম পৃষ্ঠাৰ পৰা) পি এছ কৰ্মচাৰী সন্থাৰ সভাপতি কবিন্দ্ৰ চন্দ্ৰ বড়ো, সাধাৰণ সম্পাদক লৱধৰ কলিতা, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য ভক্তবাহাদুৰ চেত্ৰী প্ৰমুখ্যে বিভিন্ন শিক্ষানুষ্ঠান আৰু চৰকাৰী বিভাগ সমূহৰ কৰ্মৰত শিক্ষক কৰ্মচাৰীসকল আৰু তামুলপুৰ জিলা চৰকাৰী এন পি এছ কৰ্মচাৰী সন্থাৰ বিষয় বৰীয়া সকলে অংশগ্ৰহণ কৰে।

## ৰাজহ নগৰ হ'ল ৰাজ্যৰ ৪৭ গাঁও

**অসমীয়া বৰ্তমান ঃ**ৰাজ্যৰ ৪৭ খন গাঁও নগৰীকৰণ কৰা হৈছে। অৰ্থাৎ এই গাঁওসমূহে এতিয়াৰে পৰা চহৰৰ বাসিন্দাৰ দৰেই চৰকাৰক কৰ প্ৰদান কৰিব লাগিব। এই গাঁও সমূহৰ ভিতৰত মৰিগাঁও জিলাৰ লাহৰীঘাট, নেলী, শোণিতপুৰ জিলাৰ বালিপাৰা, বৰচলা, চিৰাজুলি, শিৱসাগৰ জিলাৰ গৌৰীসাগৰ, বিহুবৰ, নগাঁও জিলাৰ বেবেজীয়া, নিজ কঠীয়াতলি, কচুৱা, বিশ্বনাথ জিলাৰ বৰগাং, বঙাইগাঁও জিলাৰ যোগীঘোপা, বইটামাৰী, লখিমপুৰ জিলাৰ লালুক, হাৰমতী, বান্দৰদোৱা, গোলাঘাট জিলাৰ ঢেকিয়াল, কালগুৰি, কামৰূপ জিলাৰ বিজয়নগৰ, চাংসাৰি, বাইহাটা চাৰিআলি, বকো, ছয়গাঁও, কমলপুৰ, মিৰ্জা, নলবাৰী জিলাৰ ঘাঘমাৰা-ঘগ্ৰাপাৰ, মুকালমুৱা, বৰপেটা জিলাৰ মণ্ডিয়া-খণ্ড, কয়াকুছি-খণ্ড, বহৰি, কলগাছিয়া, চৰাইদেউ জিলাৰ সাপেখাতী-খণ্ড, লাকুৱা খণ্ড হাইলাকান্দি জিলাৰ বৰনগৰ-খণ্ড, আলগাপুৰ খণ্ড, হোজাই জিলাৰ নীলবাগান-খণ্ড, কৰিমগঞ্জ জিলাৰ পাথাৰকান্দি, মাজুলী জিলাৰ গড়মূৰ, যোৰহাট জিলাৰ বৰহোলা, লাহদৈগড়-খণ্ড, পুলিবৰ ধেমাজি জিলাৰ জোনাই-খণ্ড, গোগামুখ-খণ্ড, ধুবুৰী জিলাৰ আগমণি, ছাগলীয়া আৰু তামাৰহাট দক্ষিণ শালমৰা-মানকাচৰ জিলাৰ হাটশিঙিমাৰী। চৰকাৰৰ এই ঘোষণাক এতিয়া সংশ্লিষ্ট অঞ্চলৰ জনসাধাৰণে কেনেদৰে গ্ৰহণ কৰে সেয়া লক্ষণীয় হ'ব।

## ৩০ আগষ্টত মুকলি হ'ব মালিগাঁও উৰণীয়া

**অসমীয়া বৰ্তমান ঃ** মালিগাঁও চাৰিআলিৰ পৰা কামাখ্যা মন্দিৰ পথৰ জংচন আৰু পাণ্ডু অভিমুখে সংযোগ কৰা ২.৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ চাৰিলেনযুক্ত উৰণীয়া সেতুখন অহা ৩০ আগষ্টত উদ্বোধন কৰা হ'ব বুলি অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই জানিবলৈ দিয়ে। শৰ্মাই জনোৱা মতে, দলংখন নিৰ্মাণৰ বাবে মুঠ ৪২০ কোটি টকা ব্যয় কৰা হৈছে। মালিগাঁও চাৰিলালিৰ পৰা কামাখ্যা মন্দিৰ পথৰ ট্ৰাই-জংচন আৰু পাণ্ডুৰ দিশে সংযোগ কৰা ২.৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ চাৰিলেনযুক্ত উৰণীয়া সেতুখন উদ্বোধন কৰাৰ কথা ঘোষণা কৰি আনন্দিত হৈছো। ৪২০ কোটি টকা ব্যয় সাপেক্ষে (এল এ আৰু ইউটিলিটি শ্বিফটিংকে ধৰি) এই প্ৰকল্পটো ৩০ আগষ্টত (ৰাখী পূৰ্ণিমাৰ দিনা) উন্মোচন কৰা হ'ব। ইয়াৰ পূৰ্বে অসমৰ মুখ্যমন্ত্ৰীয়ে নিৰ্মাণস্থলী পৰিদৰ্শন কৰি অগ্ৰগতিৰ মূল্যায়ন আৰু সময়মতে সম্পূৰ্ণ হোৱাৰ নিশ্চয়তা প্ৰদান কৰিছিল। মালিগাঁও উৰণীয়া সেতু নিৰ্মাণৰ ক্ষেত্ৰত যান-বাহনৰ হুলস্থুল, দুৰ্ঘটনাকে ধৰি প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। কেইমাহমানৰ আগতে নিৰ্মাণৰত উৰণীয়া সেতুৰ তলৰ পৰা পাৰ হৈ যোৱাৰ সময়ত তেওঁলোকৰ বাহনখনৰ ওপৰত লোহাৰ শ্বাটাৰিং স্লেব পৰি দুজন লোক আহত হৈছিল।

## ব্ৰহ্মপুত্ৰৰ সুঁতি নৈৰ পাৰত সহস্ৰই উপভোগ কৰিলে দৃষ্টিনন্দন দৃশ্য

**অসমীয়া বৰ্তমান ঃ** দেশৰ ৭৭ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে বৰপেটা জিলাৰ চেঙা সমষ্টিৰ অন্তৰ্গত নিৰলাচৰত দুদিনীয়াকৈ আয়োজিত হয় পৰম্পৰাগত নাওখেল প্ৰতিযোগিতা। ছিৰাজ উদ্দিন মেমোৰিয়েল ক্লাৱৰ উদ্যোগত আয়োজিত প্ৰতিযোগিতাৰ প্ৰথম দিনা নামনি অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা ১০ খন নাও অংশ গ্ৰহণ কৰে। দ্বিতীয় দিনাও ৩ খন নাও প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি অধিক আকৰ্ষণীয় কৰি তোলে প্ৰতিযোগিতা। আটক ধুনীয়াকৈ সজাই পৰাই অনা নাও সমূহৰ দৃষ্টিনন্দন প্ৰতিযোগিতাপূৰ্ণ দৃশ্য উপভোগ কৰিবলৈ ব্ৰহ্মপুত্ৰৰ সুঁতি নদীৰ পাৰত সমবেত হয় হাজাৰ হাজাৰ দৰ্শক। দক্ষিণ বৰপেটাৰ চৰ-চাপৰি অঞ্চলৰ হাজাৰ হাজাৰ দৰ্শকৰ হাতচাপৰি আৰু হৰ্ষোল্লাসৰ মাজত প্ৰতিখন নাৱে তীব্ৰ প্ৰতিদ্বন্দ্বিতা আগবঢ়াই দৰ্শকক মনোৰঞ্জন দিয়ে। ব্ৰহ্মপুত্ৰৰ সুঁতি নদীত পৰম্পৰাগত নাওখেলৰ দৃষ্টিনন্দন দৃশ্য উপভোগ কৰি প্ৰতিযোগীক উৎসাহ দিবলৈ জাউৰিয়ে জাউৰিয়ে হাত চাপৰি দিয়া পৰিলক্ষিত হয়। পৰম্পৰাগত নাওখেলৰ পাৰভঙা উছাহত একপ্ৰকাৰ যেন আত্মহাৰা হৈ পৰে সকলোৱে। বিশ্বৰ অন্যতম পুৰণি পৰম্পৰাগত নাওখেল প্ৰতিযোগিতাৰ চখ আধুনিক সমাজ জীৱনত কিছুপৰিমাণে হ্ৰাস পালেও অসমৰ ধৰ্মীয় সংখ্যালঘু লোকৰ মাজত আজিও অপৰিৱৰ্তিত হৈয়েই আছে ইয়াৰ জনপ্ৰিয়তা। বাৰিষা কালত পানীৰে উপচি পৰা নদী-উপনদী সমূহত ধৰ্মীয় সংখ্যালঘু লোক সকলে সমূহীয়া ভাৱে পৰম্পৰাগত নাওখেল প্ৰতিযোগিতা অতিজৰে পৰা আয়োজন কৰি আহিছে। বিশেষকৈ নামনি অসমৰ ধৰ্মীয় সংখ্যালঘু লোকৰ মাজত আজিও অটুট আছে পৰম্পৰাগত নাওখেল প্ৰতিযোগিতাৰ পূৰ্বৰ মাদকতা। প্ৰতি বছৰে নাওখেল প্ৰতিযোগিতাৰ আয়োজন কৰি এই পৰম্পৰা আগলৈও ধৰি ৰখাৰ পৰিকল্পনা কৰিছে নিৰলাচৰ বাসীয়ে। সন্ধিয়ালৈকে প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰা নাও সমূহে তীব্ৰ প্ৰতিদ্বন্দ্বিতা আগবঢ়ায়। যদিও এন্ধাৰ হৈ অহাত 'ক' শাখাত আলী বাবা আৰু আল আমিন নাও দুখনক যৌথ বিজয়ীৰ খিতাপ প্ৰদান কৰা হয়। অন্যহাতে 'খ' শাখাত জনপ্ৰিয় এক্সপ্ৰেছক পৰাস্ত কৰি বিজয়ীৰ খিতাপ লাভ কৰে ৰাইজৰ ভালোবাসা নামৰ নাওখনে। প্ৰতিযোগিতাৰ অন্তত খেল পৰিচালনা সমিতিৰ সভাপতি জাকিৰ হুছেইনৰ সভাপতিত্বত অনুষ্ঠিত বঁটা বিতৰণি সভাত চেঙা সমষ্টিৰ বিধায়ক আশ্ৰাফুল হুছেইনে বঁটাৰ লগতে নগদ ধন প্ৰদান কৰে। বঁটা বিতৰণি সভাত যুৱ সমাজকৰ্মী তাইজুদ্দিন আহমেদ, বাহেজ উদ্দিন আহমেদৰ লগতে বহু গণ্যমান্য ব্যক্তি উপস্থিত থাকে।



# উজ্জীৱিত

**সঙ্গীতা ডেকা**

খহি পৰা টুকুৰাবোৰ এটা সময়ত
একত্ৰিত হৈছিলহি
এয়া চোন এখন নতুন ছবি হ'ল,
যদিও ৰঙবোৰ নাই তাত
উকা তাৰ বুকুখন
তথাপিও যে ভাল লগা,
কিয় বাৰু?
সেয়া যেন ন খোজেৰে গঢ়া

উৰলি যোৱা ছবিখনৰ সাঁথৰটো,
এতিয়া আশাসুধীয়া হাতৰ মুঠিত
ন অম্বৰলৈ আকৌ এবাৰ,
লাজুকী কইনাজনীৰ ন ন সুৰীয়া সুঁহুৰি...
প্ৰায়েই শুনো মই নিতাল প্ৰহৰত

অঁ, মুদি থকা চকুহাল আজি,
ধীৰে ধীৰে খোল খালে
সতেজ কুঁহি মেলা অহুংলে
এপাহি আশাৰ ফুল সৰিছে হি দুহাতত
সৌৰা চোৰা,
তৰাবোৰ চাগে সৰি পৰিব পুনৰাই ওঁঠৰ আকাশত

# মোৰ কলমেৰে নিগৰে

**শ্বহিদুল ইছলাম**

মোৰ কলমেৰে নিগৰে
মোৰ অন্তৰৰ শিহৰণি
তোমাক ভাল পাওঁ
তাকে উকা কাগজত
মোৰ কলমেৰে লিখোঁ বিবৰণি।

আধ্যাত্মিক ভাৱৰ প্ৰকাশ
তোমাৰ ৰূপ মাধুৰ্যৰ বৰ্ণনা
দুখীয়া নিছলাৰ অৱস্থাৰ বৰ্ণনা
মোৰ কলমেৰে
সদায় নিগৰে।

লিখোঁ ভাৱৰ বুৰবুৰণি
মনৰ য'ত আশা-ভৰসা খিনি
তুমিয়ে কৰিলা মোক নিৰাশা
জীৰ্ণ কুটিৰে বহি কৰোঁ ভাৱনা।

কবি, সাহিত্যিক আৰু সংগীতজ্ঞ
এইবোৰৰ ভিতৰত ময়ে
ময়ে কেৱল অজ্ঞ।

তোমাক যোৱা দেখিলোঁ
অন্তৰত বৰকৈ দুখ পালোঁ
তুমি মোৰ প্ৰিয়া
তোমাৰ বাবে কান্দে মোৰ হিয়া।

যিদিনা তুমি গ'লা মোক এৰি
খোৱা-বোৱা এৰিলোঁ সিদিনা ধৰি
মৰমৰ আই এই জগতত নাই,
তুমিতো জানাই
মোৰ যে একোৰেই নাই,



# এনিশা জোনাক

**নিজৰা বৰ্মন ডেকা**

জোনগলা জোনাকৰ এনিশা
আকাশৰ জোনটিৰ পোহৰত
ৰাগি লাগিছিল,
পোহৰ বোৰ মোৰ মুখত তোমাৰ হেঁপাহত
আশা বোৰো বাঢ়িছিল
তোমাৰ পৰশত।
বহুদিনেই হ'ল জোনাকৰ এনিশা
তোমাৰ সৈতে ভাৱৰ বিনিময় নকৰা
হয়তো হ'ব পাৰে বয়সৰ টনা আজৰা
নতুবা জোনটিয়ে
মেঘৰ আঁৰত লুকাই থকা
নহয়তো অজুহাত ক্ষন্তেক জিৰণি লোৱাৰ।
আজি পিছে জোনগলা জোনাকী নিশা
উজাগৰে থাকি তিতি যাম তোমাৰ ভাৱনাত
মোৰ স্বপ্নৰ পৃথিৱীত ব্যাকুল আৰু নিশাৰ নীৰৱতাক সাবটি।
ইমান জোনাকৰ বৰষুণ
যেন সপোনৰ ছিৰিয়েদি
অমানিশাৰ ডাৱৰ ঠেলি
নামিছে মোৰ দিঠকত আহি।
তথাপিও আজি চোন
মোৰ যে নাই টোপনি
সাৰে আছো মই আৰু
হয়টো সাৰে আছা তুমি।
আঙুলিৰ ফাঁকেৰে চালো জোনলৈ
জোনৰ বুকুত দেখিলো তোমাৰ প্ৰতিচ্ছবি
কিয় বাৰু মোলৈ পিঠি দি
উচুপিছ তুমি?
মই বাৰু কেনেকৈ যাম টোপনি ....
শেষ ৰাতি তোমাৰ উশাহৰ বতাহে
আহি মোক দিশহাৰা কৰেহি।
বুকুৰ সেউজীয়া পৃষ্ঠাত
লিখিছিলো
অপেক্ষা তোমালৈ বুলি,
এৰা, কোনোবা এদিন হয়তো আহিবা তুমি
জোনাকৰ এনিশা পোহৰৰ বৰষুণত তিতি
যেতিয়া গোটেই পৃথিৱী থাকিব শুই।

# যীশুক লগ পালোঁ আৰু মই আকাশ হ'লো

**হীৰা মণি তালুকদাৰ**

স্মৃতিৰ ছাঁত হুমুনিয়াই ভাতঘৰ সাজিছে
আত্মহননৰ উপলব্ধি
মৰিশালিৰ কঁপা কঁপা নীৰৱতাৰ বাটত শ্ল'গান হৈ আওৱাই
জীৱন মুৰ্দাবাদ, জীৱন মুৰ্দাবাদ,

মৃত্যুৰ সাঁচত বান্ধি থোৱা ঋতুয়ে
কি দৰে আঁকে উলংগ উদ্বাউল জঁকাটিৰ মাজত জীৱন ওঁঠত চিত্ৰকল্পৰ প্ৰাচুৰ্য্য?

ভাৱৰ অবিনাশী যাত্ৰা
মৃতকৰ শোক পাহৰিব নোৱাৰা ৰাতিবোৰৰ প্ৰাৰ্থনাত অকস্মাৎতে লগ পালো যীশুক
ক্ৰুছডাল ক্ৰমে ক্ৰমে এডাল লতা হৈ
মোৰ দেহত বিয়পি পৰিল
সূৰ্যৰ বুকুত মই তেওঁৰ চকু দুটা দেখিলোঁ
আৰু মই হৈ পৰিলোঁ এখন আকাশ। ।

# মৌন ওঁঠৰ ভাষা

**গীতাঞ্জলি বৰ্মন ডেকা**

মৌন ওঁঠৰ
হেৰোৱা ভাষাত
ফুলিব জানো কেতিয়াবা
অলেখ লেখ তৰাফুলীয়া ফুল?

জীৱনৰ মাপ কাঠিত
যন্ত্ৰণাৰ সাগৰত হাবু দুবু খায়ো
লেখি লেখি যাব সৰিয়হ ডৰাৰ দৰে
চিগি ভাগি লৈ যোৱা
উন্মুক্ত বতাহজাকে হালধীয়া কলিজাতো,

ব'ঠা থাকি যাব
অচলন্ত নাওৰ বুকুত,
চিন ৰৈ যাব নাৰবীয়াৰ
ক'ত দুখৰ সুৰৰ ভাঁজত,

কোনেনো বুজিব
কোনেনো প্ৰাণ খুলি ভাল পাব
মৰমৰ সীমানাত কোনে ৰাখিব বান্ধি,
ঔকুমলীয়া হাঁহিৰ স্মৃতি কোনে নিৰলে ক'ব আহি,

আজি কোনো নাই
নিস্তব্ধ পৃথিৱীত পৰিণত,
মোৰ আইক কৰা ছলনাত
নিজে কান্দো
নিজে হাঁহো,
আপোনৰ অভাৱত,

মোৰ... মন আছিল
একতাৰ দলেৰে
একতাৰ বান্ধেৰে আগবাঢ়ি যাব,
কিন্তু ততেই ভুল হ'ল
কাৰণ মোৰ মনটো যে
স্বাৰ্থপৰ নহ'ল,

# জীৱনৰ পৰা আমি কি বিচাৰো

নন্দেশ্বৰ মিলি

আমাক শান্তি লাগে জীৱনত। শান্তিৰ অবিহনে জীৱনটোৰ কোনো অৰ্থ নাই। জীৱনত সুখ-শান্তি স্থাপন কৰি সকলোৰে লগত মিলিজুলি জীয়াই থকাটো উদ্দেশ্য হোৱা উচিত। এনে জীৱনটোৱে আমাৰ বাবে কাম্য। শান্তিৰ অবিহনে আমি জীয়াই থকাৰ পৰিৱেশ গঢ়িব নোৱাৰিম। জীৱনত শান্তি যোগোৱা উপাদানবোৰ কি কি আমি তাক অনুধাৱন কৰি চোৱা উচিত। সেই উপাদান বা দিশবোৰ চিনিব পাৰিলে আমি নিজকে শান্তিৰ বাতাবৰণ সৃষ্টি কৰিবলৈ সক্ষম হ'ম। গতিকে প্ৰতিজন লোকে সেইবোৰ জনা আৰু চিনাকি হোৱাটো দৰকাৰ।

কোনোবাই কয় ধন-সম্পদে জীৱনৰ সুখ-শান্তি প্ৰদান কৰিব পাৰে। অৱশ্যে ধন-সম্পদে শান্তিৰ পৰিৱেশ দিব পাৰে নে নোৱাৰে ই এক বিতৰ্কৰ বিষয়। ধন-সম্পদ থাকিলে যিকোনো কাম কৰিব পৰা যায় অতি সহজে। বেমাৰ হ'লে ভাল চিকিৎসালয়ত গৈ ভাল চিকিৎসা গ্ৰহণ কৰিব পাৰে। ল'ৰা-ছোৱালীক ভাল স্কুল-কলেজত পঢ়াব পাৰে। থাকিবলৈ অট্টালিকা, অহা-যোৱা কৰিবলৈ দামী আৰামী গাড়ী, পিন্ধিবলৈ দামী কাপোৰ-কানি, খাবলৈ ভাল-আহাৰ খাদ্য ইত্যাদি সকলো সহজে গোটাব পাৰি। সেয়ে আমি ভাবোঁ জীৱনত যিদিনা হাতলৈ ধন-সম্পদ আহিব অথবা যিদিনাই ধনী মানুহ হ'ম সেইদিনাৰপৰাই মোৰ সুখ-শান্তি আৰম্ভ হ'ব। অথবা চৰকাৰী চাকৰি পালেই জীৱনটোলৈ সুখ আহিব। চৰকাৰী চাকৰিত নিৰাপত্তা আছে, সন্মান আছে। গতিকে যিদিনাই মোৰ চাকৰি হ'ব সেইদিনাৰপৰাই মোৰ জীৱনলৈ সুখ-আনন্দ আহিব। কিন্তু কথাটো সঁচা জানো? যদি চৰকাৰী চাকৰি আৰু টকাই সুখ-শান্তিৰ উৎস হ'লেহেঁতেন; তেন্তে তেনে লোকসকলে খুবেই সুখ-শান্তিৰে থাকিব পাৰিলেহেঁতেন। কিন্তু বাস্তৱক্ষেত্ৰত দেখোঁ তেওঁলোকৰ জীৱনতো বিভিন্ন সমস্যাৰে ভাৰাক্ৰান্ত হৈ পৰে। তেনে লোকসকলে এমোকোৱা মুকলি হাঁহিও হাঁহিবলৈ পাহৰে। যাৰ বেছি টকা-সম্পদ থাকিব তেওঁৰো অনেক চিন্তা-দুশ্চিন্তা থাকিব। কেনেকৈ টকাখিনি সাঁচি ৰাখিম? ইনকাম টেক্সৰ ভয়, চুৰ-ডকাইতৰ ভয়, ব্যৱসায়-বাণিজ্যৰ পতনৰ ভয়, সন্মান যোৱাৰ ভয়, ব্লেকমেইলিঙৰ ভয়, জীৱন নিৰাপত্তাৰ ভয় ইত্যাদি ইত্যাদি। গতিকে ধন-সম্পদে সুখ-শান্তি নহয়, আৰামহে দিব পাৰে বুলি কিছু মানুহে কয়।

সু-স্বাস্থ্য জীৱনত সুখ-শান্তি প্ৰদান কৰাৰ এক উপাদান হ'ব পাৰে। যাৰ নিৰোগী সু-স্বাস্থ্য থাকিব তেওঁ খুবেই সুখ-শান্তিৰে জীয়াই থাকিবলৈ সক্ষম হয়। সকলো সুস্থ শৰীৰ, সুন্দৰ-সুঠাম দেহ-গঠন, সুন্দৰ চেহেৰা আদিয়ে মানুহক সুখী কৰি তোলে। অৱশ্যে শাৰীৰিক স্বাস্থ্যৰ লগতে মানসিকভাৱেও স্বাস্থ্যৱান হ'ব লাগিব। সুন্দৰ মনোভাৱ, ইতিবাচক চিন্তাধাৰা, সুন্দৰ চৰিত্ৰ, সুন্দৰ ব্যক্তিত্ব আদিয়ে ব্যক্তিৰ জীৱনলৈ সুন্দৰ সুযোগ কঢ়িয়াই আনিব পাৰে। গতিকে যিমানে ধন-সন্মান নাথাকক কিয় অথচ স্বাস্থ্য সুস্থ নাথাকে; নিশ্চয় জীৱন অশান্তিৰ হ'ব। গতিকে দেহ-মন সকলোতে সুস্থ হৈ থাকিব লাগিব। দেহ-মন দুয়োৰে ভাৰসাম্য থাকিব লাগিব। দেহ-মন আত্মাৰ ভাৰসাম্য বজাই ৰাখিব জানিলে আমি সকলোৱে উপকৃত হ'ব পাৰোঁ। গতিকে তেনে কলা-কৌশল শিকাটো আমি উচিত। যেনেকৈ যোগচৰ্চা, ধ্যান, প্ৰাণায়াম, শাৰীৰিক চৰ্চা, আধ্যাত্মিকতা, প্ৰাৰ্থনা, ধৰ্মীয়নুষ্ঠানলৈ যোৱা, সৃষ্টিমূলক কাৰ্য কৰা, পৰিষ্কাৰ-পৰিচ্ছন্ন বজাই ৰখা, মিলাপ্ৰীতিৰে বসবাস কৰা, নৈতিক-প্ৰমূল্যবোধ গুণ বিকাশ কৰা আদি চৰ্চা কৰাটো অত্যন্ত প্ৰয়োজন।

এক সুস্থ সামাজিক পৰিৱেশে সুখ-শান্তি স্থাপনত সহায় কৰিব পাৰে। যিহেতু সমাজখন গঠন হয় ব্যক্তিসকলক লৈ। ব্যক্তিৰ সমষ্টিয়ে সমাজ। সমাজৰ প্ৰাথমিক গোট হ'ল পৰিয়াল। সেয়ে সুস্থ সামাজিক সম্পৰ্ক থকা পৰিয়াল বা সমাজখনৰ লোকসকলে বেছি শান্তিৰ অৰ্থ অনুধাৱন কৰিব পাৰিব। যাৰ এক মৰম-চেনেহৰে ভৰা পৰিয়াল থাকে তেওঁ শান্তিৰ হাঁহি মাৰিব পাৰে। সহায়-সহযোগিতা, পাৰস্পৰিক নিৰ্ভৰতা, বুজাবুজি, বিশ্বাস, প্ৰেম, ত্যাগ, ন্যায়, ক্ষমা, নৈতিকতা, মানৱীয়-সানাজিক প্ৰমূল্যবোধ আদিৰ দৰে বৈশিষ্ট্যসমূহে সুস্থ পৰিয়াল বা সুস্থ সমাজ গঠনত সহায় কৰে। আনহাতে কাজিয়া-পেচাল, বাদ-বিবাদ, হিংসা, মাদক দ্ৰব্যৰ ব্যৱহাৰ, ভাঙোণমুখী সম্বন্ধ, অবিশ্বাসক, বিশ্বাসঘাটক আদিৰ দৰে বৈশিষ্ট্যই সমাজ বা পৰিয়ালখনৰ মাজত অশান্তিৰ সৃষ্টি কৰিব পাৰে। সমাজখন এৰি মানুহে জীয়াই থকাটো সম্ভৱপৰ নহয়। সেয়ে সমাজখন সুস্থ আৰু সবলভাৱে গঢ়ি তোলাটো সকলোৰে দায়িত্ব আৰু কৰ্তব্য।

শান্তি ধনেৰে বা বলেৰে কাঢ়ি আনিব পৰা বস্তু নহয়। শান্তি আহে মনৰ সন্তুষ্টি, ধ্যান আদিৰপৰা। উপযুক্ত নিদ্ৰা, জিৰণি, সামাজিক স্বীকৃতি, মৰ্যাদা, সন্মান, আধ্যাত্মিক চেতনা প্ৰয়োজন আদিৰপৰা। আমাৰ মৌলিক প্ৰয়োজনীয়তাসমূহৰ লগতে অন্যান্য তেনে প্ৰয়োজনসমূহো পূৰণ কৰিব পাৰিলে জীৱনলৈ সুখ-শান্তি আহিব। প্ৰয়োজনবোৰ সম্পূৰ্ণ পূৰণ কৰিব নোৱাৰিলেও অথচ আমি কিছু অতিকৈ জীৱনৰ বাবে দৰকাৰী প্ৰয়োজনীয়তাবোৰ পূৰণ কৰিব পাৰিব লাগিব। পেটৰ ভোক আৰু দুখত থাকি কেতিয়াও সুখ-শান্তি পাব লাভ কৰিব নোৱাৰোঁ।

সুখ-দুখ, জয়-পৰাজয়, উত্থান-পতনেৰে আমাৰ জীৱনটো ভৰপূৰ। গতিকে যিসকলে জীৱনৰ সেই নিৰ্মম বাস্তৱটো উপলব্ধি কৰি জীয়াই থাকিব পাৰে তেওঁলোক সুখ-শান্তিৰ মৰ্যাদাও লাভ কৰিবলৈ সক্ষম হয়। জীৱনত লাভ কৰা উপাদানসমূহক আমি কেতিয়াও উপেক্ষা কৰিব নোৱাৰোঁ। সেয়ে আমি জীৱনত সমস্যা আহিছে বুলিয়ে হা-হুতাশা কৰি যদি সময়বোৰ পাৰ কৰি থাকো; তেন্তে কেতিয়াও সফল জীৱন লাভ কৰিব নোৱাৰোঁ। প্ৰতিটো সমস্যাৰে একো একোটা সমাধানৰ পথো থাকে। গতিকে সমস্যা এটা সম্মুখীন হোৱাৰ লগে লগে আমি তাক ধীৰ-সুস্থিৰে ভবা-চিন্তা কৰিব জানিলে সমস্যা সমাধানৰ পথো ওলাই পৰিব।

সুখ-শান্তি লাভ কৰাটো এক আপেক্ষিক দিশ। ই ব্যক্তিনিষ্ঠ। ব্যক্তিভেদে বেলেগ বেলেগ হ'ব পাৰে। বিভিন্নজনে বিভিন্ন দিশৰ ওপৰত ভিত্তি কৰি সুখ-শান্তি পাব পাৰে। কোনোবাই হাজাৰ দুখ-কষ্টৰ মাজত থাকিও এমোকোৱা শান্তিৰ উশাহ ল'ব পাৰে। কোনোবাই অভাৱ-অনাটনৰ মাজত থাকিও শান্তি লাভ কৰিব পাৰে। অনেক দুখ-কষ্টৰ মাজত ঋষি মুনিসকলে ধ্যানত বহি শান্তি লাভ কৰে। বহুতে দৰিদ্ৰতাৰ মাজত থাকিও সুখ-শান্তি অনুভৱ কৰিব পাৰে। কোনিবাই পংগুত্ব জীৱন আৰু দুৰাৰোগ্য ৰোগৰ দৰে বেমাৰত ভুগি থাকিও অনেক সুখ-শান্তিৰে সময় পাৰ কৰি নিজৰ কৰণীয় কৰ্তব্য সম্পাদন কৰিবলৈ সক্ষম হৈছে। কোনোবাই ৰাজ-কাৰেঙৰ ঐশ্বৰ্য-বিভূতি জীৱন, ভোগ-বিলাস জীৱন স্ব-ইচ্ছাই পৰিত্যাগ কৰি কণ্ঠকময় পথ অৱলম্বন কৰি জীৱন-যাপন কৰিও সুখ-শান্তি লভিব পাৰিছে। গতিকে সুখ-শান্তি পোৱা ধাৰণাটো এক আপেক্ষিক দিশ।

শান্তি এক জটিল ধাৰণা। কোনোবাই শান্তি কি বুলি সুধিলে পোনপটীয়াকৈ উত্তৰ দিয়াটো সম্ভৱপৰ নহয়। অৱশ্যে যুদ্ধৰ বিপৰীত ধাৰণাটোহে শান্তি। য'ত মানুহৰ মানৱীয় সম্পৰ্ক, অধিকাৰ, সন্মান আদিসমূহ কোনো ভংগ নোহোৱাকৈ অক্ষুণ্ণ থাকে। য'ত মানুহে ভয়, শংকামুক্ত হৈ নিৰাপত্তা থকা জীৱন যাপন কৰিব পাৰে। তেনে অৱস্থাটোকে শান্তি বুলিব পাৰি। কিন্তু বাস্তৱক্ষেত্ৰত শান্তি স্থাপন কৰা সমাজ বা জীৱন পোৱাটো সম্ভৱ হয় জানো? সাম্প্ৰতিক সময়ত শান্তিৰ ধাৰণাটো আমাৰ সমাজ বা দেশবোৰত বৰ্তি আছে জানো? ইত্যাদিৰ দৰে প্ৰশ্নবোৰ আমাৰ মনত সততে উদয় হোৱা দেখা যায়। সমাজখনত ইমানেই বিভিন্ন সমস্যাৰে বৰ্তি আছে বা চলি আছে তাত শান্তিৰ (ক্ৰমশঃ)



# ছিনিয়ৰ ভাৰতীয় ক্ৰিকেট দলত স্থান পোৱাৰ দিশে অসমৰ ৰিয়ান পৰাগ

■ চিৰঞ্জীৱ শৰ্মা

আই পি এলৰ ধাৰাবাহিক ব্যৰ্থতাৰ পিছত ভাৰতীয় “এ” দলৰ মূল একাদশৰ হৈও আশানুৰূপ সাফল্য অৰ্জন কৰিব নোৱাৰা ৰিয়ান পৰাগে দেওধৰ ট্ৰফীত দুৰ্দান্ত প্ৰদৰ্শন দাঙি ধৰি সকলো সমালোচনাৰ যোগ্য প্ৰত্যুত্তৰ দিবলৈ সক্ষম হ’ল। বেটে-বলে উজলি উঠা ৰিয়ানে প্ৰতিযোগিতাখনত স্বাভাৱিকতেই লাভ কৰে “প্লেয়াৰ অৱ দ্য টুৰ্ণামেণ্ট”ৰ বঁটা। ৰিয়ানৰ এই প্ৰদৰ্শন আছিল জাতীয় ক্ৰিকেট দলৰ অভিজ্ঞ অলৰাউণ্ডাৰৰ সমকক্ষ।

আচলতে, পুৰুষৰ জাতীয় ছিনিয়ৰ দলটোত এজন অসমীয়াক চাবলৈ বহুদিন ধৰি অপেক্ষা কৰি আছে ৰাজ্যৰ ক্ৰিকেটপ্ৰেমীয়ে। গৌতম দত্ত, ৰাজেশ বৰা, আবু নেছিম, পাৰভেছ আজিজ, জাভেড জামান, খনিন শইকীয়া আদিয়ে জাতীয় জুনিয়ৰ দলত স্থান লাভ কৰি প্ৰদৰ্শন আগবঢ়াইছে যদিও ছিনিয়ৰলৈ আগবাঢ়ি যাব পৰা নাই। পৰিস্থিতিত অসমীয়াৰ ওচৰত কেৱল অপেক্ষা আৰু হুমুনিয়াহৰ বাদে আন একোৱেই নাই। কিন্তু দীৰ্ঘদিনৰ অন্তত অসমীয়াৰ সেই হুমুনিয়াহ আৰু হতাশাৰ যেন অন্ত পেলাবলৈ ওলাইছে ৰিয়ান পৰাগে। শেহতীয়াকৈ দেওধৰ ট্ৰফীৰ ইতিহাসত সৰ্বাধিক ৰাণ সংগ্ৰহ কৰি ৰিয়ানে দেখুৱালে নিজৰ যোগ্যতা। সেই দিশৰ পৰা তেওঁ বিনোদ কাম্বলী আৰু মায়ংক আগৰৱালাকো অতিক্ৰম কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে, ২০০০ বৰ্ষত ভাৰতীয় জাতীয় দলৰ প্ৰাক্তন সদস্য বিনোদ কাম্বলীয়ে দেওধৰ ট্ৰফীত মুঠ ৩৩০ ৰাণ সংগ্ৰহ কৰিছিল আৰু সেয়া দীৰ্ঘদিন ধৰি অক্ষত আছিল। কিন্তু ৰিয়ান আৰু মায়ংকে একেটা ছিজনতে সেই অভিলেখ ভংগ কৰে। দেওধৰ ট্ৰফীত এইবাৰ ৩৩৪ ৰাণ সংগ্ৰহ কৰি সৰ্বাধিক ৰাণ সংগ্ৰহকাৰীৰ তালিকাত দ্বিতীয় স্থানত থাকে মায়ংক আগৰৱালা। বিপৰীতে, এইবাৰ ৰিয়ানে দুটা শতক, এটা অৰ্ধশতকসহ সংগ্ৰহ কৰে মুঠ ৩৫৪ ৰাণ, লগতে দখল কৰে ৰৰটা উইকেট। ২১ বছৰীয়া ৰিয়ানৰ এই অলৰাউণ্ড প্ৰদৰ্শনে কেৱল অসমবাসীৰ হৃদয় জয় কৰাই নহয় দৃষ্টি আকৰ্ষণ কৰিছে জাতীয় নিৰ্বাচকৰো। সকলোৱে আশা কৰিছে --- অতি শীঘ্ৰেই মেন ইন ব্লুৰ সাজত দেখা যাব ৰিয়ান পৰাগক। সপোন পূৰণ হ’ব অসমীয়াৰ। আমাৰ শুভকামনা।




## অসমীয়া বৰ্তমানলৈ শুভেচ্ছাবাৰ্তা তৃণমূল কংগ্ৰেছৰ সভাপতি ৰিপুণ বৰাৰ

অসম তৃণমূল কংগ্ৰেছ
Assam Trinamool Congress

শুভেচ্ছা বাৰ্তা

তাৰিখ: ০৪/০৮/২০২৩

প্ৰতি,
শ্ৰী প্ৰবীণ ঠাকুৰীয়া
সম্পাদক, অসমীয়া বৰ্তমান

জ্যেষ্ঠ সাংবাদিক প্ৰবীণ ঠাকুৰীয়াৰ সম্পাদনাত 'অসমীয়া বৰ্তমান' নামেৰে এখন সাপ্তাহিক বাতৰি কাকত প্ৰকাশ পাব বুলি জানি সুখী হৈছো। সাংবাদিকতাত ছপা মাধ্যমৰ গুৰুত্ব সদায়েই আছে আৰু থাকিব। বহু বিখ্যাত সাংবাদিকেও এই কথা কৈ আহিছে যে ছপা মাধ্যমত সাংবাদিকতাৰ সুযোগ যথেষ্ট বেছি। কাৰণ এটা বিষয় বিতং ৰূপত বিশ্লেষণৰ বাবে ই আমাক বিশেষ প্লেটফৰ্ম প্ৰদান কৰে। সংবাদৰ তথ্য যোগানৰ সমান্তৰালভাৱে ই ভাষাৰ চৰ্চা সঠিক ৰূপত আগবঢ়াই নিবলৈও সহায় কৰে। মই আশা কৰিছো সাংবাদিকতাৰ সুস্থতা ৰক্ষা কৰি 'অসমীয়া বৰ্তমান'-এ সঠিক আৰু শুদ্ধ দিশত অগ্ৰসৰ হৈ জনতা আৰু সমাজৰ সেৱা কৰি যাব। 'অসমীয়া বৰ্তমান' পৰিয়াললৈ এই শুভযাত্ৰাৰ শুভক্ষণত আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

(ৰিপুণ বৰা)
সভাপতি
অসম তৃণমূল কংগ্ৰেছ

## অসমীয়া বৰ্তমানলৈ শুভেচ্ছাবাৰ্তা সাংসদ গৌৰৱ গগৈৰ

गौरव गोगोई
संसद सदस्य
उप-नेता, लोक सभा (कांग्रेस संसदीय दल)
GAURAV GOGOI
MEMBER OF PARLIAMENT
DEPUTY LEADER OF CONGRESS PARTY IN THE LOK SABHA

सत्यमेव जयते

सदस्य :
• वित संबन्धी स्थाई समिति
• संयुक्त समिति–व्यक्तिगत डेटा संरक्षण विधेयक, 2019
• सरकारी आश्वासनों संबंधी समिति

MEMBER :
• Standing Committee on Finance
• Joint Committee on the Personal Data Protection Bill, 2019
• Committee on Government Assurances

**Message**

Date: 09.08.2023

I extend my warmest congratulations to you on the occasion of the launch of ASOMIYA BARTAMAN, an Assamese weekly newspaper, on India's 78th Independence Day.

In today's fast-paced digital era, where information is readily available at our fingertips, the role of print journalism has indeed evolved. However, I firmly believe that there will always be a place for in-depth analysis and quality reporting. ASOMIYA BARTAMAN's dedication to providing insightful perspectives, unbiased reporting, and ethical journalism will undoubtedly cater to a wide range of readers who seek reliable and well-researched information.

As you embark on this new journey, I urge you to continue upholding the core principles of journalism - truth, accuracy, fairness, and impartiality. Your newspaper can play a crucial role in shaping public opinion, fostering informed debates, and contributing to the socio-cultural fabric of our beloved Assam.

I am certain that under your leadership and vision, ASOMIYA BARTAMAN will make a positive impact on the media landscape and continue to be a reliable source of information for years to come.

With best wishes for your success and the success of ASOMIYA BARTAMAN.

Warm regards,

Your sincerely,

(Gaurav Gogoi)

ASOMIYA BARTAMAN, Printed,Owned and Published by Prabin Thakuria and printed at Pee Gee (India) limited, Kalapahar, Guwahati-16 & Published at WEST BORAGAON, BAKULNAGAR, PO- MALIGAON, DIST- KAMRUP (M), GUWAHATI-781011, ASSAM, Editor : **Prabin Thakuria**
স্বত্বাধিকাৰী প্ৰবীণ ঠাকুৰীয়াৰ দ্বাৰা সম্পাদিত, প্ৰকাশিত আৰু মুদ্ৰিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ ত মুদ্ৰিত, কাৰ্যালয় ঃ পশ্চিম বৰগাঁও, বকুল নগৰ, কামৰূপ(ম), গুৱাহাটী-১১,অসম
Contact No.- +91 9957192594, E-mail : asomiyabartaman@gmail.com
■ সম্পাদক ঃ প্ৰবীণ ঠাকুৰীয়া